# প্ৰাগ্‌জ্যোতি



নিৰ্মল হালৈ মহাবিদ্যালয়ৰ

বাৰ্ষিক মুখপত্ৰ - ২০০৮-০৯ ইং বৰ্ষ



সম্পাদক

ৰাজীৱ দাস

# প্ৰাগ্‌জ্যোতি

**নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ**

**এক বিংশ তম্ সংখ্যা**

২০০৮-০৯ ইং বৰ্ষ

আন্তৰিক শুভেচ্ছাৰে ...

প্ৰতি, ..............................................................................

..............................................................................

সম্পাদক

তত্বাৱধায়িকা
**নৱনীতা কলিতা**

সম্পাদক
**ৰাজীৱ দাস**

**PRAGJYOTI** : The Annual Publication of Nirmal Haloi College Student's Union, 21th Issue, Year - 2008-09 Published & Reserved by Nirmal Haloi College Union Patacharkuchi

# নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

## একবিংশ তম্ সংখ্যা ২০০৮-০৯ ইং বৰ্ষ

## নিৰ্মল হালৈ মহাবিদ্যালয় প্ৰশাসনিক সমিতি

| | |
|---|---|
| ড° মলয়া বৰ্মন | (সভানেত্ৰী |
| ড° বীৰেন্দ্ৰ ডেকা | (সম্পাদক) |
| শ্ৰীনিৰ্মল শইকীয়া | (উপ-অধ্যক্ষ) |
| শ্ৰীজিতেন্দ্ৰ নাথ শৰ্মা | (চৰকাৰৰ মনোনীত সদস্য) |
| শ্ৰীভাবিত চন্দ্ৰ হালৈ | (দাতা সদস্য) |
| ড° গোলকেশ্বৰ গোস্বামী | (বিশ্ববিদ্যালয় মনোনীত সদস্য) |
| ড° ৰত্নেশ্বৰ শৰ্মা | (বিশ্ববিদ্যালয় মনোনীত সদস্য) |
| শ্ৰীগনাৰাম বড়ো | (অভিভাৱক সদস্য) |
| শ্ৰীমতী দীপিকা ডেকা | (মহিলা সদস্য) |
| শ্ৰীসদা দাস | (শিক্ষক সদস্য) |
| শ্ৰীমনিকান্ত দাস | (শিক্ষক সদস্য) |
| শ্ৰীকনক গোস্বামী | (সদস্য কৰ্মচাৰী গোট) |

## সম্পাদনা সমিতি

**সভাপতি ঃ**
ড° বীৰেন্দ্ৰ ডেকা

**তত্বাৱধায়িকা ঃ**
নৱনীতা কলিতা

**সম্পাদক ঃ**
ৰাজীৱ দাস

**সদস্য/সদস্যা ঃ**
কিশোৰ কুমাৰ শৰ্মা
নিৰ্মল শইকীয়া
তপন কাকতি
কুশল দাস

**ছাত্ৰ সদস্য ঃ**
মহিত ৰাভা (সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা)
অৰ্চনা কলিতা

**বেটুপাত ঃ**
ৰিংকু শৰ্মা

**অংগসজ্জা ঃ**
মৃদুল কলিতা

**আৰ্হিপাত শুধৰণি ঃ**
নৱনীতা কলিতা

**ডি.টি.পি, ছেটিং ঃ**
ৰাজু গোস্বামী

**ছপা ঃ**
মডাৰ্ণ কম্পিউটাৰ ইনষ্টিটিউট
পাটাছাৰকুছি

**কৃতজ্ঞতাৰ শৰাই ঃ**
সম্পাদনা সমিতি নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী বিভাগ। সমূহ শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী, লিখক-লিখিকা, ছাত্ৰ একতা সভা, কাৰ্যকৰী সমিতি, বৃহত্তৰ কলেজ পৰিয়াল আৰু আঞ্চলিক ৰাইজ

**সম্পাদনা সমিতিৰ টোকা ঃ** আলোচনীত প্ৰকাশিত লিখনিসমূহ প্ৰয়োজনৰ তাগিদাত সম্পাদনা সমিতিয়ে সাল-সলনি কৰিছে। কেনো লিখকে যদি আনৰ লিখনি নকল কৰিছে, আৰু আনৰ পৰা হুবহুভাবে প্ৰকাশ কৰিছে, ই সম্পাদনা সমিতিৰ আগোচৰে কৰিছে; তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়। সমালোচনা আৰু মতামতো লিখকৰ নিজা।

**ক্ষমা প্ৰাৰ্থনা ঃ**
সম্পাদনা সমিতি অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

# শ্ৰদ্ধাঞ্জলি

যি সকল মহান আত্মাই দেশমাতৃৰ শৃঙ্খলিত শিকলি আজুৰি, ছিঙি, অসমীয়া জাতিৰ
অস্তিত্ব আৰু মৰ্যাদা ৰক্ষাৰ বাবে হাঁহি হাঁহি নিজৰ জীৱনক কৰিলে উছৰ্গা,
যি সকলৰ একাত্ম প্ৰচেষ্টাত প্ৰগতিৰ গতিয়েদি পাটাছাৰকুছি
অঞ্চলত গঢ় লৈছিল জ্ঞান আৰু প্ৰগতিৰ বোৱতী
ধাৰ আৰু যিসকল লোকে গুৱাহাটী আৰু
মুম্বাইত সন্ত্ৰাসবাদী আক্ৰমণৰ বলি হ'ল
সেই সকল মহানবীৰ আৰু ধীমানলৈ
নিবেদিছোঁ 'প্ৰাগ্জ্যোতি' সম্পাদনা
সমিতিৰ তৰফৰ পৰা শত সহস্ৰ প্ৰণাম

"প্ৰাগ্জ্যোতি সম্পাদনা সমিতি"

**বেটুপাতে কি কয়...**

*চিন্তাৰ সাতোৰণী বিশ্লেষণেৰে আগবাঢ়িছো আমি উন্নতিৰ শিখৰলৈ...*

# সম্পাদকীয়



"বীৰ তুমি মহান
কোনো নাই তোমাৰ মান,
দেশৰ হকে উছৰ্গিলা প্ৰাণ
ৰাখিলা জীপাল কৰি শত জনৰ পৰাণ।।"

যি সকল মহান পুৰুষে অশেষ কষ্ট স্বীকাৰ কৰি বিংশ শতিকাত পাটাছাৰকুছি অঞ্চলত 'নিৰ্মল হালৈ মহাবিদ্যালয়' নামৰ এখন মহান শিক্ষানুষ্ঠান গঢ়ি তুলিলে আৰু দেশৰ মান তথা দেশমাতৃৰ ৰক্ষাৰ স্বাৰ্থত যি সকল মহান দেশ প্ৰেমীকে নিজৰ জীৱন উছৰ্গা কৰিলে সেইসকলৰ পবিত্ৰ স্মৃতি আগত ৰাখি প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

(২)

নৱ নৱ আলোকৰ নৱ নৱ পথেৰে আগবাঢ়ি আজি আমি একবিংশ শতিকাত উপনীত হৈছো। সভ্যতাৰ চূড়ান্ত শিখৰত উপনীত হৈ আমি কিন্তু আজিও আদিম মানবৰ চিন্তাকে কৰিব লগা হৈছে। এচাম কু অভিসন্ধী ৰাজনীতিবিদ আৰু স্বাৰ্থম্বেষী লোকে সমাজখন বিপথে পৰিচালিত কৰিছে। ফলত ক্ৰমান্বয়ে যুৱ প্ৰজন্মৰ মানসিকতা অধোন্নতিৰ ফালে আগবাঢ়িছে। যদিও আমাৰ সমাজত শিক্ষিত ব্যক্তিৰ অভাৱ হোৱা নাই তথাপি অভাৱ আছে ভাল ব্যক্তিত্বৰ ব্যক্তিৰ। আজি প্ৰতিখন দেশে নিৰ্মাণ কৰিছে পাৰমানবিক অস্ত্ৰ-শস্ত্ৰ আৰু ইখন দেশে আনখনক তলত ৰাখিবৰ প্ৰচেষ্টা চলাইছে। এনেকুৱা কাৰ্যৰ কাৰণে ইখন দেশে সিখন দেশক যিকোনো মুহূৰ্তত দুৰ্বল কৰি দিয়াৰ চেষ্টা কৰিছে। যাৰ বাবে সন্ত্ৰাসবাদী কাৰ্যকলাপ কিছুমান দেশৰ বাবে একোবিধ অস্ত্ৰৰ দৰে হৈ পৰিছে। আমি মানুহ হিচাপে, প্ৰকৃত দেশ প্ৰেমিক হিচাপে এই কাৰ্যবোৰ কেনেদৰে ৰোধ কৰিব পাৰো সেইটো চিন্তা কৰিব লাগিব। আহক আমি সকলোৱে ঐক্যবদ্ধ ভাবে কও 'সন্ত্ৰাসবাদ মূৰ্দাবাদ'।

(৩)

আহি আহি আজিৰ এই সময়ত নিৰ্মল হালৈ মহাবিদ্যালয়ে প্ৰায় কুৰি বছৰীয়া সূৱৰ্ণ ইতিহাস পাৰ কৰিছে। কতজনৰ জীৱন ভাঙি পিটি ঠিক কৰি দিলে এই মহান মহাবিদ্যালয়খনিয়ে। ফলাফলৰ ক্ষেত্ৰত মহাবিদ্যালয়খনিৰ আটাইকেইটি বিভাগৰ পৰাই ভাল ফলাফল ইতিমধ্যে লাভ কৰা পৰিলক্ষিত হৈছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ এটা বিনম্ৰ অনুৰোধ যে আমি সকলোৱে যদি কিছুমান সংস্কৃতি বাদ দিব পাৰো তেন্তে নিশ্চয় আমাৰ ফলাফল আৰু বহুত উন্নত হ'ব। কাৰণ উন্নতিৰ আহিলা অকল উচ্চ শিক্ষা লাভ কৰায়ে নহয়। শিক্ষাৰ লগতে আমাৰ সকলোৰে আচাৰ-ব্যৱহাৰ, ব্যক্তিত্ব, আত্মবিশ্বাস আৰু আত্মসমালোচনা আদি বহু কেইটা দিশ জড়িত হৈ আছে। সময়ৰ লগত খোজ মিলাই আমি চলিবই লাগিব। বাইক, মোবাইল, কম্পিউটাৰ আমি ব্যৱহাৰ কৰিবই লাগিব। কিন্তু সকলো ক্ষেত্ৰতে মাৰ্জিত হ'লে উন্নতিৰ বাত প্ৰশস্ত হয়।

মহাবিদ্যালয় এখনৰ বিভিন্ন অভাৱ-অভিযোগ থাকেই। তথাপি মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত মোৰ তথা ছাত্ৰ একতা সভাৰ তৰফৰ পৰা বিনম্ৰ অনুৰোধ যে কিছুমান অভাৱ, অভাৱ বুলি বিবেচনা নকৰি সমস্যা বুলি বিবেচনা কৰি সেইবোৰ সমাধানৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰক। মহাবিদ্যালয়খনিৰ উন্নতিৰ ক্ষেত্ৰত চাৰ-বাইদেউ তথা ছাত্ৰ-ছাত্ৰী সকলোৰে সমানে গুৰুত্ব তথা আগ্ৰহ থকা বাঞ্চনীয় কিন্তু বহুতো ক্ষেত্ৰত দেখা যায় ছাত্ৰ-ছাত্ৰীসকলে আগ্ৰহ প্ৰকাশ কৰিলেও চাৰ-বাইদেউ সকলে সেই ক্ষেত্ৰত আগ্ৰহ নেদেখুৱায়। ফলত ছাত্ৰ-ছাত্ৰীৰ বহু প্ৰতিভা বিকাশ নোহোৱাকৈ ৰৈ যায়।

(৪)

যোৱা বহু বছৰি ধৰি প্ৰকাশ পাই আহিছে মহাবিদ্যালয়ৰ মুখপত্ৰ 'প্ৰাগ্‌জ্যোতি'। 'প্ৰাগ্‌জ্যোতি' নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভা বিকাশ হোৱাৰ এটা প্ৰধান পথ। গল্প, কবিতা, হাস্যৰস, প্ৰবন্ধ আদি ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ চাৰ-বাইদেউ সকলৰ লেখাৰ পৰিপুষ্ট 'প্ৰাগ্‌জ্যোতি'ৰ এইটো একবিংশ তম বৰ্ষ। 'প্ৰাগ্‌জ্যোতি'ৰ কাৰণে ছাত্ৰ-ছাত্ৰীৰ পৰা বহুতো লিখনি আমি লাভ কৰিছিলো, কিন্তু লিখনিৰ উপযুক্ত গুণ নোহোৱাত সেইবোৰৰ খুব কম সংখ্যক লেখাহে প্ৰকাশ কৰা হ'ল। সেই বাবে আমি যি সকলৰ লিখনি প্ৰকাশ কৰিব পৰা নগ'ল সেই সকল বন্ধু-বান্ধবীৰ ওচৰত দুখিত। চেষ্টাৰ অসাধ্য একো নাই, লিখনিয়ে উপযুক্ত মৰ্যাদা পালে ভৱিষ্যতে নিশ্চয় আপোনালোকৰ লিখনি প্ৰকাশ হ'ব।

(৫)

সকলোৰে হেঁপাহ থাকে, আশা থাকে কিবা এটা কৰাৰ। মহাবিদ্যালয়ত খোজ পেলোৱাৰ দিনাই ভাবিছিলো কিবা এটা কৰাৰ কথা। ২০০৮-০৯ বৰ্ষৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত দুজনকৈ প্ৰতিদ্বন্দী থকা সত্বেও বিপুল পৰিমাণৰ ভোটত জয় লাভ কৰিছিলোঁ 'আলোচনী বিভাগ'ৰ সম্পাদকৰ পদত। তেতিয়াৰ পৰা সকলো কাৰ্যসূচী সুকলমে চলাই গৈছো। ২২-২৭ ডিচেম্বৰত অনুষ্ঠিত 'মহাবিদ্যালয় সপ্তাহ'ত মোৰ বিভাগৰ খেল সমূহ সুচাৰুৰূপে সম্পাদনা কৰাৰ ক্ষেত্ৰত মোক সহায় তথা পৰামৰ্শ দিয়া ছাৰ-বাইদেউ তথা বন্ধু-বান্ধৱী সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অতি কম সময়ৰ ভিতৰতে লেখনি সংগ্ৰহ কৰি 'প্ৰাগ্‌জ্যোতি' খন ছপা কৰি দিয়াৰ বাবে 'মডাৰ্ণ কম্পিউটাৰ প্ৰেছ'ৰ স্বত্বাধিকাৰীক কৃতজ্ঞতা জনাইছোঁ।

আলোচনীখন ছপা কৰি উলিওৱাৰ ক্ষেত্ৰত বহুতো সমস্যাৰ সন্মুখীন হৈছিলোঁ। বিশেষকৈ অৰ্থনৈতিক ভাবে। তথাপি যিমানখিনি সম্ভৱ উন্নত কৰিবলৈ চেষ্টা কৰা হৈছে। 'প্ৰাগ্‌জ্যোতি' প্ৰকাশৰ ক্ষেত্ৰত প্ৰতি মুহূৰ্ততে উপদেশ আৰু সহায় আগবঢ়োৱাৰ বাবে মই তত্বাবধায়িকা মাননীয়া নৱনীতা কলিতা বাইদেউক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় বীৰেন্দ্ৰ ডেকা ছাৰৰ ওচৰত সকলো ক্ষেত্ৰতে উপদেশ পৰামৰ্শ আৰু সহায়-সহযোগিতা কৰাৰ বাবে চিৰ কৃতজ্ঞ।

অনভিজ্ঞতা আৰু কিছু অজ্ঞতাৰ বাবে বহু ক্ষেত্ৰতে সমস্যাৰ সন্মুখীন হৈছিলোঁ। তথাপি এইবোৰ সুচাৰুৰূপে সম্পাদন হৈছিল। অজানিতে নিশ্চয় মোৰো বহুত ভুল হৈছিল। 'ভুল হোৱাতো স্বাভাৱিক' বুলি ভাবি যেন সকলোৱে ক্ষমা কৰি দিয়ে।

সদৌ শেষত আলোচনীখন সকলোৱে সহৃদয়তাৰে গ্ৰহণ কৰিব বুলি আশা ৰাখি প্ৰতিবেদন সামৰিছোঁ।

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'
'জয় আই অসম'
**ৰাজীৱ দাস**

সম্পাদকীয়

# সূচীপত্ৰ

## প্ৰবন্ধ ঃ


- ভাৰতীয় সংস্কৃতিৰ বাধাহীন গতি আৰু অক্ষয়ধাম মন্দিৰৰ ৰেহৰূপ ............... ১
  - ড° বীৰেন্দ্ৰ ডেকা
- নব্যভাৰতীয় আৰ্য ভাষাৰ পটভূমিত অসমীয়া ভাষাৰ স্বকীয়তা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন .......... ৬
  - নৱনীতা কলিতা
- জলবায়ুৰ পৰিবৰ্তন আৰু আমাৰ পৰিবেশত ইয়াৰ প্ৰভাৱ .............. ৮
  - ড° প্ৰফুল্ল চন্দ্ৰ শৰ্মা
- স্বামী বিবেকানন্দৰ জীৱনৰ কৃতি ............... ১০
  - মিছ্ মুনমি আহমেদ
- আজিৰ সমাজ আৰু বিকাৰ গ্ৰস্ত যুৱ মানসিকতা ..... ১১
  - হীৰেন দাস
- সামূহিক অনাতাঁৰ কেন্দ্ৰ ঃ অন্য এক পৰিবৰ্তনৰ ইংগিত............... ১৩
  - ফুলমনি দেৱী
- অসমীয়া সাহিত্য জগতৰ এক অন্যতম প্ৰতিভা ড° নিৰ্মলপ্ৰভা বৰদলৈৰ জীৱনৰ ওপৰত এটি চমু আলোকপাত ............... ১৪
  - অৰ্চনা কলিতা


## গল্প ঃ


- ৰাধিকাৰ সেন্দূৰ ............... ১৬
  - ৰাজীৱ দাস
- মৌন উত্তৰ ............... ১৭
  - দিগন্ত হালৈ
- অন্ধকাৰ ............... ১৯
  - মিছ্ঃ নুৰজাহান ৰাজখানাম
- প্ৰেমৰ ধুমুহাৰ সংঘাটপূৰ্ণ জীৱন ............... ২০
  - দ্বীপজ্যোতি ৰয়


## কবিতা


- হত্যাকাৰী ............... ২১
  - সঞ্জীব ৰাজবংশী
- সন্ত্ৰাস বাদ ............... ২১
  - হীৰেন দাস
- সন্ত্ৰাসবাদ ............... ২২
  - দীপাংকৰ দাস
- বিচ্ছেদৰ সেন্দূৰ ............... ২২
  - মৃগেন দাস
- আবেগৰ ভাষা ............... ২৩
  - মহিত ৰাভা
- আকাংক্ষিত দিনবোৰ ............... ২৩
  - দিপাংকৰ দাস
- তুমি অবিহনে শূন্য নহওঁ কাহানিওঁ ............... ২৪
  - মৃদুলা দাস
- বৰষুণ ............... ২৪
  - বৰ্ণালী শৰ্মা
- ৰিক্ত হৃদয় ............... ২৫
  - ধীতাশ্ৰী ডেকা
- যাত্ৰা ............... ২৫
  - নিপন বৰা
- শব্দৰ খেতি ............... ২৬
  - হিতাংকুৰ দাস
- সোঁৱৰণী, আজিও মই তোমাৰেই বুকুত... ............... ২৬
  - ব্ৰজেন বৈশ্য
- হায়! কি দুৰ্দশা ............... ২৭
  - হেমন্ত কলিতা
- মৰ্মান্তিক সময় ............... ২৭
  - সংগীতা তালুকদাৰ
- নিঃ সংগতাৰ যাত্ৰা ............... ২৮
  - মিজানুৰ ৰহমান
- সময় ............... ২৮
  - ৰূপাঞ্জলী ডেকা
- অংক ............... ২৮
  - ৰাজীৱ দাস
- যাযাবৰী ছোৱালী ............... ২৯
  - সুৰঞ্জীতা গোস্বামী
- হত্যাযজ্ঞ ............... ২৯
  - জাপন ৰাজবংশী
- সন্ধিয়া পৰত নিয়ৰ গছকি আহা তুমি ............... ২৯
  - গুনিন কলিতা


## English Section :


- A Note on History of Traditional Games and Recreations with special reference to Assam. ...... ৩০
  - *Tarun Chandra Bhagabati*
- Ghasiram Kotwal : A Controversial Play..... ৩৪
  - ***Nirmali Mahanta Choudhury***
- Preservation of library Materials ..... ৩৬
  - ***Kushal Das.***
- Role of value based Education in Environmental Awareness ....... ৩৮
  - ***Tapan Kakati***
- Education and women's Empowerment....... ৪০
  - ***Mrs. Kalyani Devi.***
- Solitary of Night ............... ৪২
  - ***Binita Sarma***
- Leave Me Alone ............... ৪২
  - ***Sri Diganta Haloi***
- উপ-সভাপতিৰ প্ৰতিবেদন ............... ৪৩
- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ............... ৪৪
- সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ............... ৪৬
- গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ............... ৪৭
- তৰ্ক- আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ......... ৪৮
- ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ............... ৪৯
- ছাত্ৰী-জিৰণী কোঠাৰ সম্পাদিকাৰ বছৰেকীয়া প্ৰতিবেদন ..... ৫০
- সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ............... ৫১
- ২০০৮-০৯ ইং বৰ্ষৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ"ত অনুষ্ঠিত হোৱা সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ ............... ৫২
- নিৰ্মল হালৈ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহৰ গুৰু খেল বিভাগৰ বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী সকলৰ নাম আৰু ৰেকৰ্ড ........ ৫৪





প্ৰবন্ধ হৈছে কল্পনা আৰু বুদ্ধিনিষ্ঠতাৰ আশ্ৰয়ত কোনো নিৰ্দিষ্ট পৰিধিযুক্ত বিষয়বস্তুৰ ওপৰত ৰচনা কৰা নাতিদীৰ্ঘ আৰু নাতি সংক্ষিপ্ত ৰচনা।



# ভাৰতীয় সংস্কৃতিৰ বাধাহীন গতি আৰু অক্ষয়ধাম মন্দিৰৰ ৰেহৰূপ

ড° বীৰেন্দ্ৰ ডেকা

ভাৰতীয় সংস্কৃতিৰ গতি বাধাহীন। ভাৰতীয় সংস্কৃতিৰ এখন দীঘল ইতিহাস আছে। এই ইতিহাস বৈদিক যুগতে আৰম্ভ হৈছিল আৰু তাৰপৰা লাহে লাহে ভাৰতীয় সমাজ জীৱনত পৰিলক্ষিত হয়। বৈদিক যুগৰ বিশ্বাস ব্যৱস্থা, মূল্যবোধ আৰু আদৰ্শবাদ, আধুনিক সমাজলৈও বিয়পি পৰিছে। পৰিয়ালসমূহৰ ধাৰণা অতীতৰ সমাজত প্ৰচলিত আছিলেই। সমাজবিলাক সেই সময়তো বৰ্ণ বৈষম্যৰ দ্বাৰা ভাগ কৰা হৈছিল। সেই ধাৰণাবোৰ হ'ল ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। এই ধাৰণাসমূহ বৰ্তমান সমাজতো প্ৰচলিত হৈ আছে। ভাৰতীয় সংস্কৃতিক কোনো কোনোৱে একক সংস্কৃতি বুলি কৈ আৰ্য, দ্ৰাবিড়, অষ্ট্ৰিক বা উপজাতীয় সংস্কৃতিক ভাৰতীয় সংস্কৃতিৰ শাখা হিচাপে থিয় কৰাব খোজে। কোনো কোনোৱে ভাৰতীয় সংস্কৃতিক মিশ্ৰিত যৌগিক সংস্কৃতি বুলি ক'ব খোজে যে বিভিন্ন সমন্বয়তহে ভাৰতীয় সংস্কৃতিৰ জন্ম হৈছে।

এটা সময়ত মুছলমানসকল, পাৰ্চীসকল, খ্ৰীষ্টিয়ানসকল এই দেশলৈ আহিছিল তেওঁলোকৰ নিজ নিজ আদৰ্শক লৈ। তেওঁলোকে তেওঁলোকৰ নিজ সংস্কৃতিক লগত লৈ আহিছিল আৰু সেই সংস্কৃতিয়ে ভাৰতবৰ্ষৰ সংস্কৃতিত প্ৰভাৱ পেলাইছিল। বৰ্তমান সমাজত বিভিন্ন সমাজৰ পৰা সংস্কৃতিক ধাৰ কৰা এটি নিয়ম আৰু সেই ধাৰ কৰা সংস্কৃতিৰ লগত চলি থকা সংস্কৃতিক সংযোজন কৰি এটি আধুনিক সংস্কৃতিৰ সৃষ্টি কৰা হয়। ভাৰতীয় সংস্কৃতিয়ে পশ্চিমীয়া সংস্কৃতিৰ পৰম্পৰাসমূহক আঁকোৱালী লৈ নিজৰ সংস্কৃতিত সন্নিবিষ্ট কৰিছিল আৰু তাৰ ফলত সৃষ্টি হৈছিল আধুনিক ভাৰতীয় সংস্কৃতি। আনকি ধৰ্মৰ ক্ষেত্ৰতো আধুনিকতাবাদে প্ৰভাৱ বিস্তাৰ কৰিছিল। কিন্তু ধৰ্মত আধুনিকতাবাদে প্ৰভাৱ পেলালেও ধৰ্মীয় গোড়ামি সমাজৰপৰা আঁতৰ হোৱা নাই। হিন্দু আৰু মুছলমান দুয়োটা ধৰ্মৰে ৰীতি-নীতি, পৰম্পৰা প্ৰায় একেই — কেৱল ধৰ্মীয় ভাবটোহে বেলেগ। জীন্না চাহাবৰ দ্বৈত জাতীয় সূত্ৰই ভাৰতৰ মানচিত্ৰৰ পৰিবৰ্তন আনিছিল। দুয়োটা ধৰ্মৰ গোড়ামিয়ে বিশ্বাস কৰা নাছিল যে দুয়োটা ধৰ্মৰ মাজত মিলাপ্ৰীতি নাই।

ভাৰতীয় সামাজিক জীৱনধাৰা পৰিয়ালৰ জীৱনধাৰাৰ লগত সন্নিবিষ্ট যদিও বৈবাহিক ধাৰণাটো জাতভেদে বেলেগ বেলেগ তথাপি পৰিয়ালৰ ধাৰণাটো প্ৰায় একেই। বিবাহৰ পিছত কইনাজনী দৰাৰ ঘৰলৈ আহে আৰু সামাজিক নিয়মতে দৰা-কইনাৰ মাজত নৱজাতক শিশুৱে দেখা দিয়ে আৰু সৃষ্টি হয় পাৰমাণৱিক পৰিয়ালৰ। সেই পাৰমাণৱিক পৰিয়াল জড়িত হৈ থাকে যৌথ পৰিয়ালৰ লগত।

ভাৰতীয় সাংস্কৃতিক পৰম্পৰা বাধাগ্ৰস্ত হৈ পৰা দেখা যায়। ভাৰতীয় সমাজ বিভিন্ন শ্ৰেণীত ভাগ হৈ পৰিছে। 'দল' আৰু 'জাত' সমূহে নিজৰ নিজৰ চিনাকি দেখুৱাবলৈ গৈ ইটোৰ লগত সিটো চামিল হৈ পৰিছে। বিশেষকৈ হিন্দু সমাজৰ মাজত জাত-পাতৰ বিচাৰ বাৰুকৈয়ে দেখা যায়। আনহাতে, মুছলমান আৰু খ্ৰীষ্টিয়ান সমাজতো জাত-পাতৰ বিচাৰ নোহোৱা নহয়। সকলো সমাজতে এই ধাৰণাই সংস্কৃতিৰ বিকাশত কেতিয়াবা বিকৃত ৰূপৰ সৃষ্টি কৰে। ভাৰতীয় সমাজত ইয়াৰ ব্যাপকতা অধিক। সমাজ বিজ্ঞানীসকলে আমেৰিকাৰ সমাজ ব্যৱস্থাতো জাত-পাতৰ বিচাৰ থকাৰ কথা উল্লেখ কৰিছে। আমেৰিকাৰ সমাজত ক'লা বা নিগ্ৰো আৰু বগা আমেৰিকানৰ দ্বাৰা সমাজ বিভাজন হৈছে। ভাৰতবৰ্ষত বৰ্ণবৈষম্যতা অতীতৰপৰাই প্ৰচলিত হৈ থকাটো বিদ্যমান। বৰ্ণ বা জাতি অপৰিবৰ্তনীয়। ই জন্মৰপৰাই চলি থাকে। ভাৰতীয় বৰ্ণবাদৰ কেইটিমান উল্লেখযোগ্য বিশেষত্ব আছে। সেইবোৰ হ'ল তলত দিয়াধৰণৰ —

(ক) এজন ব্যক্তিয়ে জন্মৰ পিছতে বৰ্ণ ব্যৱস্থাৰ সদস্য হৈ পৰে।

(খ) বৰ্ণ ব্যৱস্থা গোটেই জীৱনৰ বাবে, ইয়াৰ পৰিবৰ্তন নহয়।

(গ) এজন ব্যক্তিয়ে বৈবাহিক সম্বন্ধ স্থাপন কৰিব লাগিলে তেওঁৰ নিজৰ জাতৰ ভিতৰতহে কৰিব।

(ঘ) জাত আৰু উপ-জাতৰ মাজৰ যোগাযোগ নিয়ম-নীতিৰ মাধ্যমতহে হ'ব।

(ঙ) প্ৰত্যেকটো বৰ্ণৰে নিজস্ব প্ৰথা বা ৰীতি-নীতি থকাৰ লগতে পৰম্পৰাগত বৃত্তি থাকে।

(চ) প্ৰত্যেকটো বৰ্ণ যাজক প্ৰথাৰ মাধ্যমতহে শাসিত হৈ চলি থাকে।

বৰ্ণ ব্যৱস্থাৰ উপৰিও ভাৰতবৰ্ষত ধৰ্মীয় আৰু অৰ্থনৈতিক পৰম্পৰাও প্ৰচলিত হৈ আছিল বা বৰ্তমানেও আছে। ভাৰতবৰ্ষত হিন্দু,

মুছলমান আৰু খ্ৰীষ্টিয়ান আছে, তেওঁলোকৰ উপাসনাৰ পদ্ধতি বেলেগ বেলেগ, সেইদৰে ধৰ্মীয় দৰ্শন আৰু ধৰ্মীয় আদৰ্শও বেলেগ বেলেগ। সেই একে বৰ্ণতে উচ্চ-নীচতাৰ ভেদাভেদো আছে কাৰণ সমাজত যেনেকৈ বহুতো আঢ্যৱন্ত ধনী সম্প্ৰদায়ৰ ব্যক্তি আছে সেইদৰে আছে দুখীয়া নিছলা বা নিম্ন পৰ্যায়ৰ মানুহ।

ভাৰতীয় সংস্কৃতিত মূল্যবোধ ব্যৱস্থাও পৰিলক্ষিত হয়। এই মূল্যবোধ বংশানুক্ৰমে অতীতৰপৰাই প্ৰচলিত। সামাজিক ভাৱাদৰ্শৰ মাজত আধ্যাত্মিকতাবাদৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সমাজত শাৰীৰিক জীৱনতকৈ আধ্যাত্মিকতাৰ জীৱনহে উল্লেখনীয় বুলি ধৰা হয়। অতীত ভাৰতৰ ভাৰতীয় চিন্তাত 'আত্মাক' চিৰন্তন বুলি কোৱা হৈছে। আত্মা সত্য, আত্মাই সকলো শক্তিৰ উৎস। এটা ধৰ্মীয় উপাসনা কৰা জীৱন অতি পৱিত্ৰ জীৱন, এই জীৱনত পাৰ্থিৱ বান্ধোনৰপৰা আত্মা মুক্ত।

আমি ভাৰতীয় সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰি বুজি পালো যে ভাৰতীয় সংস্কৃতি অতি পুৰণি সংস্কৃতি। ই যুগে যুগে অভিনৱ ৰূপত গঢ় লৈ উঠিছে। সমাজত শিক্ষাৰ প্ৰয়োজন হয় সমাজ পৰিবৰ্তনৰ বাবে, সমাজ পুনৰ গঠনৰ বাবে আৰু সমাজক শক্তিশালী পূৰ্ণ সমাজ সৃষ্টি কৰাৰ বাবে। শিক্ষাই সংস্কৃতিক বহন কৰি নতুন গোষ্ঠীলৈ প্ৰেৰণ কৰাৰ ভূমিকা গ্ৰহণ কৰে। ইয়াৰ ফলতে যুৱকসকল অতীতৰ সংস্কৃতিৰ প্ৰতি আগ্ৰহান্বিত হয় আৰু বৰ্তমান সমাজৰ উপযোগীকৈ সংস্কৃতিক সজাই-পৰাই লয় আৰু সৃষ্টি কৰে আধুনিক সংস্কৃতিৰ। শিক্ষাই ব্যক্তি, সমাজ আৰু পৰিবেশৰ মাজত যোগসূত্ৰ স্থাপন কৰে। জন্মৰ পিছৰেপৰা মানুহে সামাজিক জীৱন হিচাপে সমাজত বাস কৰে। মানুহৰ বাহিৰে অন্য জীৱৰ সামাজিক প্ৰৱণতা নাথাকে কাৰণ অন্য জীৱে শিক্ষা আহৰণ কৰিবলৈ সক্ষম নহয়। মানৱ শিশুৰ বিকাশ নিৰ্ভৰ কৰে সামাজিক জীৱনত নিজকে খাপ খুৱাই চলিব পৰা ক্ষমতাৰ ওপৰত। শিক্ষাই শিশুসকলক সামাজিকীকৰণ তথা সমাজমুখী কৰাত সহায় কৰে। ইয়াৰ লগতে শিক্ষাৰদ্বাৰাই সমাজ সংৰক্ষণ হয়। এখন সমাজৰ, এটা জাতিৰ ৰীতি-নীতি, কলা, সংস্কৃতি, আদৰ্শ, বিশ্বাস শিক্ষাৰ মাধ্যমতেই সমাজৰ ভাবী উত্তৰাধিকাৰীসকললৈ প্ৰৱাহিত হয়। যিটো জাতিৰ পুৰণি কৃষ্টি, সভ্যতা সম্পৰ্কে কোনো জ্ঞান নাথাকে সেই জাতি কেতিয়াও উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে। শিক্ষাই পুৰণি কৃষ্টি, সংস্কৃতি স্থায়ী হোৱাত আৰু সামাজিক জীৱন প্ৰাণৱন্ত কৰি ৰখাত সহায় কৰে।

সংস্কৃতি কেতিয়াও স্থিতিশীল হ'ব নোৱাৰে। ই গতিশীল। এই গতিশীলতাই সময়ে সময়ে বিভিন্ন ৰূপ লয়। প্ৰত্যেক মুহূৰ্ততে মানুহ পৰিবৰ্তন হৈ থাকে, লগে লগে সমাজ পৰিবৰ্তন হয়। সেয়েহে সংস্কৃতিয়েও পৰিবৰ্তন হোৱাৰ প্ৰয়োজনবোধ কৰে। শিক্ষাই মানুহক সংস্কৃতিক পৰিবৰ্তনৰ বাবে উদ্বুদ্ধ কৰি তোলে আৰু নতুন সংস্কৃতিৰ ধাৰণা সৃষ্টি কৰিবলৈ উদগনি যোগায়।

ভাৰতবৰ্ষৰ আধুনিক শিক্ষা ব্যৱস্থা ভাৰতীয় সংস্কৃতিৰ পৰা নিগৰিত হোৱা এটা শিক্ষা ব্যৱস্থা নহয়। ইয়াৰ বেছিভাগ ধাৰণাই পশ্চিমীয়া দেশৰ প্ৰভাৱৰদ্বাৰা প্ৰভাৱান্বিত হৈ আছে। শিক্ষা ব্যৱস্থা কিতাপৰ জ্ঞানৰ মাজতে সীমাবদ্ধ। কিন্তু ভাৰতীয় চিন্তাধাৰাত এই শিক্ষাৰ সফল প্ৰয়োগ হোৱা বুলি ক'ব নোৱাৰি। সেয়েহে দাৰ্শনিকসকলে আধুনিক মতবাদৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ভাৰতীয় সংস্কৃতিক শিক্ষাৰ মাজলৈ বোৱাই অনাৰ কথা উল্লেখ কৰিছে। ভাৰতীয় শিক্ষাই ভাৰতীয় সংস্কৃতিৰ দিশকো আঁকোৱালি ল'ব নোখোজে আকৌ পৰিবৰ্তন সাধন কৰিবলৈও নিবিচাৰে। সংস্কৃতি মানুহৰ মনৰ লগত জড়িত, শিক্ষা লাভ কৰা মানুহে সংস্কৃতিসম্পন্ন ব্যক্তি হিচাপে নিজকে পৰিগণিত কৰিব লাগিব তেতিয়াহে সাংস্কৃতিক পৰিবৰ্তন সম্ভৱপৰ হ'ব।

১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে শিক্ষাৰ জাতীয় আৰু সামাজিক উদ্দেশ্যৰ ওপৰত অধিক গুৰুত্ব দিছিল। ভাৰতীয় চিন্তাই দেশৰ শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন সাধন হোৱাটো বিচাৰে। সংস্কৃতিৰ চিৰজীৱী প্ৰকৃতিটো সম্ভৱতঃ শিক্ষা ব্যৱস্থাৰ অন্তৰ্ভূক্ত হৈ পৰিছে। সংস্কৃতিৰ চিৰজীৱী অৱস্থাটোৱে আমাক আৰু আমাৰ উদ্যমক জীৱন্ত কৰিব লগতে সেই চিৰজীৱী শিক্ষা ব্যৱস্থাটোৱে আমাৰ উদ্যমে কৰিব খোজা সৃষ্টিক ধ্বংসপ্ৰাপ্ত কৰিব। বৰ্তমান আমি দেশত এনেকুৱা এবিধ শিক্ষা ব্যৱস্থাৰ প্ৰচলন কৰিব লাগিব যিটোৰ দ্বাৰা সাংস্কৃতিক আদৰ্শ আৰু মূল্যবোধ সমাজলৈ প্ৰেৰণ হয় আৰু যিটোৱে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক আগত ৰাখি সাংস্কৃতিক পৰিবৰ্তন আনিব পাৰে।

সমাজ বিজ্ঞানৰ বাবে সংস্কৃতি এটা প্ৰধান অৱধাৰণা। এখন সমাজৰ সামাজিক জীৱন পদ্ধতিৰ বিষয়ে অধ্যয়ন কৰিবলৈ যাওঁতে আমি প্ৰথমতে সংস্কৃতিৰ প্ৰকৃত অৰ্থৰ বিষয়ে জানিব লাগিব। সংস্কৃতি মানুহে নিজৰ বুদ্ধি আৰু চিন্তাৰ মাধ্যমেদি সৃষ্টি কৰি লোৱা কিছুমান বস্তু। ই এটা অতি জটিল প্ৰক্ৰিয়া। মানুহে সৃষ্টি কৰা সকলো ধৰণৰ বস্তু, পদ্ধতি, জ্ঞান,ৰীতি-নীতি, ভাব, আদৰ্শ, আইন, আচৰণ, সূক্ষ্ম কলা, ভৌতিক, অভৌতিক বস্তুৰ সমষ্টি — যিটোৰ ভিত্তিত মানুহে সামূহিকভাৱে জীৱন নিৰ্বাহ কৰে। মানুহে সৃষ্টি কৰা বস্তুহে সংস্কৃতিৰ সম্পদ বা সমল হ'ব পাৰে। হাঁহি-কান্দোন মানুহৰ এটা স্বাভাৱিক প্ৰক্ৰিয়া, ইয়াক সংস্কৃতি বুলি কোৱা নহয়। যিবোৰ আপোনা-আপুনি ঘটে সেইবোৰ সংস্কৃতি নহয়। কিন্তু এজন অচিনাকি মানুহক বা নবাগত ব্যক্তিক হাঁহিৰে আদৰি অনাটো সংস্কৃতি। এইখিনি সামাজিক ৰীতি-নীতিৰ অন্তৰ্ভূক্ত। হাবিয়ে-বননিয়ে নানাধৰণৰ ফুলগছ জন্মে কিন্তু ই সংস্কৃতিৰ ভিতৰত নপৰে। আনহাতে নিজৰ বাগিচা বা চোতালত ফুল ৰোৱাটো সংস্কৃতিৰ অন্তৰ্ভূক্ত। প্ৰকৃতিৰ বস্তুকেই সজাই-পৰাই মানুহৰ উপকাৰৰ অৰ্থে ব্যৱহাৰ কৰাটোৱেই সংস্কৃতি।





সংস্কৃতি মানুহৰ সৃষ্টি সেইটোৰ সত্যতা আছে। কিন্তু মানুহে সৃষ্টি কৰা সকলো বস্তুৱেই সংস্কৃতি নহয় যদি তাৰপৰা সৰ্বসাধাৰণ মানুহ উপকৃত নহয়। আৱিষ্কাৰৰ মাধ্যমত সৃষ্টি হোৱা এপদ সম্পদ মানৱ কল্যাণত ব্যৱহৃত হ'লে তাক সাংস্কৃতিক সম্পদ বুলি ধৰা হয়। সেইদৰে আৱিষ্কৃত এবিধ বস্তু যদি মানুহৰ ব্যৱহাৰৰ উপযোগী নহয় আৰু মানুহে ব্যৱহাৰ নকৰে সেইবিধ সংস্কৃতিৰ সম্পদ নহয়। আনহাতে, ক'বলৈ গ'লে সমাজত পুৰুষানুক্ৰমে প্ৰচলিত হৈ অহা মানুহৰ যিবিলাক সৃষ্টি সেইবোৰেই হ'ল সংস্কৃতি। এটা সময়ত সৃষ্টি কৰা সংস্কৃতিৰ সম্পদ চিৰকাল প্ৰচলিত হৈ নাথাকে। সংস্কৃতিৰ বিভিন্ন ধৰণৰ সম্পদ যেনেকৈ সৃষ্টি হয় সেইদৰে ধ্বংসও হৈ থাকে। একালৰ সংস্কৃতি একালত ধ্বংসপ্ৰাপ্ত হয় আৰু নতুন নতুন সংস্কৃতিৰ জন্ম বা সৃষ্টি হৈয়ে থাকে। নতুন নতুন সৃষ্টিয়ে পুৰণা সংস্কৃতিৰ ঠাই লয় আৰু পুৰণা সংস্কৃতিৰ উপৰিও নতুন সংস্কৃতিৰ সৃষ্টি হয়। সংস্কৃতি সদাসৰ্বদা সঞ্চয়শীল হৈয়ে থাকে।

সংস্কৃতিৰ এটা মূল দিশ হ'ল মানুহক সামাজিক প্ৰক্ৰিয়াৰ মাজলৈ অনুধাৱিত কৰা। সংস্কৃতিৰ বস্তুসমূহ সদায়ে আৰু সকলো ক্ষেত্ৰতে সামূহিকভাৱে সৃষ্টি নহয়। প্ৰায়ভাগ বস্তু ব্যক্তিগত মানুহ বা কেইজনমান মানুহৰ দ্বাৰাহে সৃষ্টি হয়। সেই সৃষ্টি হোৱা বস্তুবোৰ সমাজৰ মানুহে সামাজিকীকৰণ প্ৰক্ৰিয়াৰ মাধ্যমত নিজৰ জীৱন নিৰ্বাহ প্ৰক্ৰিয়াত অন্তৰ্ভূক্ত কৰি লয়। শিক্ষা আহৰণৰ জৰিয়তে এইটো সম্ভৱপৰ হৈ উঠে। কাৰণ সেই বস্তুবোৰৰ ব্যৱহাৰৰ বিষয়ে শিকি লোৱা কামটো পুৰুষানুক্ৰমে চলি থাকে যিটো প্ৰক্ৰিয়াক সমাজ বিজ্ঞানত সামাজিকীকৰণ বুলি কোৱা হয়। আগৰ পুৰুষে পিছৰ পুৰুষক শিকায়। সমাজত প্ৰচলিত ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস, ধৰ্ম, বিভিন্ন বস্তু নিৰ্মাণ কৰা, উৎপাদনৰ আহিলা আদি বহুতো কথা উত্তৰপুৰুষে অগ্ৰজ পুৰুষৰপৰা শিকি লয়। পৰিয়ালৰ পিতৃ-মাতৃ আৰু অন্যান্য লোকে সৰু সৰু ল'ৰা-ছোৱালীবোৰক সামাজিকীকৰণ প্ৰক্ৰিয়াৰ মাধ্যমত সমাজৰ সকলো বস্তুৰে জ্ঞান দিয়ে। এইদৰে পুৰুষানুক্ৰমে শিকোৱা আৰু শিকি লোৱা সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ভাব-চিন্তা, আহিলা, সা-সঁজুলি, বয়বস্তু ইত্যাদিবোৰকেই সংস্কৃতি বুলি কোৱা হয়। অৰ্থাৎ মানুহে সমাজৰ ব্যক্তি হিচাপে নিজকে পৰিগণিত কৰিবলৈ যিবোৰ বস্তু মানুহৰপৰা শিকি আহে সেই সকলোবোৰেই সংস্কৃতি।

সংস্কৃতি সামাজিকীকৰণত তথা জীৱন নিৰ্বাহৰ পথ বুলিও কোৱা হয়। কাৰণ মানুহৰ দৈনন্দিন জীৱনত লাগতিয়াল উপায় আৰু বস্তুসমূহ মানুহে সৃষ্টি কৰা তথা আহৰণ কৰি লোৱা এনে কিছুমান বস্তু আৰু উপায়ৰ সমষ্টি যিবোৰ জীৱন নিৰ্বাহৰ পথ হিচাপে সমাজত প্ৰচলিত হৈ থাকে তাকেই কোৱা হয় সংস্কৃতি। মানুহৰ সামাজিক জীৱন সংস্কৃতিৰদ্বাৰা বহু পৰিমাণে প্ৰভাৱান্বিত। সংস্কৃতিৰ প্ৰভাৱতহে মানুহে সমাজৰ একোজন প্ৰয়োজনীয় ব্যক্তি হ'ব পাৰে। মানুহৰ সামাজিক জীৱনটো সংস্কৃতিৰ সৃষ্টি বুলি ক'ব পাৰি।

সমাজৰ উৎপত্তি আৰু উত্তৰণৰ লগত সংস্কৃতিৰ সম্বন্ধ ওতঃপ্ৰোতভাৱে জড়িত। সেই সংস্কৃতিৰ এটা বিশিষ্ট অংগ হ'ল সাহিত্য। এইদৰে দেশে দেশে, যুগে যুগে সমাজৰ লগত সংস্কৃতিৰ আৰু তাৰ অন্তৰ্গত সাহিত্য কৰ্মৰ এক অবিচ্ছেদ্য বন্ধন থকাৰ কথা সকলোৱে স্বীকাৰ কৰি আহিছে। প্ৰতিটো জনগোষ্ঠীৰ মাজত ভাৱৰ আদান-প্ৰদানৰ বাবেই ভাষাৰ সৃষ্টি আৰু সাহিত্যৰ মাজেৰে তেনে একোটা গোষ্ঠীৰ উত্তৰণৰ ইতিহাস গঢ় লৈ থাকে। ভাৰতবৰ্ষৰ বিভিন্ন জনগোষ্ঠীৰ ভাব, অনুভূতি, আশা-আকাংক্ষাকো তেওঁলোকৰ নিজস্ব সাহিত্য আৰু সাংস্কৃতিক পৰম্পৰাই প্ৰকাশ কৰি আহিছে। আনহাতে, অলেখ জনগোষ্ঠীৰ সমন্বয়ৰ বাবে একোটা অঞ্চলত সৰ্বজনস্বীকৃত ভাষাৰ যোগেৰে জীৱন যাত্ৰাৰ সকলো দিশ সামৰি লোৱাৰ আৱশ্যকতাও উপলব্ধি কৰি অহা হৈছে। খোৱা-বোৱা, পিন্ধা-উৰা, থকা-মিলাৰ বাবে প্ৰাথমিক আৱশ্যকতাখিনিৰ বাবে সমাজ পাতি বাস কৰা প্ৰতিগৰাকী ব্যক্তিয়ে চিন্তা কৰাটো স্বাভাৱিক। কিন্তু অকল ভাতমুঠি বা ৰুটি টুকুৰাই মানৱ জীৱনক অন্যান্য ইতৰ প্ৰাণীৰপৰা আঁতৰাই মহত্বৰ অৱদান যোগাব নোৱাৰে। সেয়ে জীৱনযাত্ৰাৰ আনকি অত্যাৱশ্যকীয় দৈনন্দিন জীৱনৰ আহিলা-পাতি, আহৰণৰ ক্ৰিয়া-প্ৰক্ৰিয়াৰ মাজতো মানৱ মনৰ মাধুৰী মিহলি কৰি এক সাংস্কৃতিক আৱৰণেৰে বিভিন্ন কৰ্মৰাজিক সুন্দৰ কৰি তোলা হয়। এই সৌন্দৰ্যস্পৃহাই হ'ল মানুহৰ বৈশিষ্ট্য আৰু সুন্দৰৰ সন্ধানে একোগৰাকী ব্যক্তি বা একোটা জনগোষ্ঠীক সভ্যতাৰ উত্তৰণৰ পথেৰে আগুৱাই নিয়ে। মানুহে মানুহৰ বাবে আৰু চৰাচৰ জগতৰ সকলো সৃষ্টিৰ কল্যাণৰ অৰ্থে সমূহীয়াভাৱে কৰা চিন্তা-চৰ্চা তথা কৰ্মজৰাজিয়ে আৰু তেওঁলোকৰ জীৱনযাত্ৰাৰ আচাৰ-ব্যৱহাৰ, মাত-কথাই একোখন সমাজৰ সংস্কৃতিৰ সৌধ নিৰ্মাণ কৰে। এই নিৰ্মাণ প্ৰক্ৰিয়াটো অনন্ত। এই অনন্ত উত্তৰণৰ বাবে আৱশ্যক হয় সংস্কৃতিৰ সমন্বয়েৰে শান্তি-সম্প্ৰীতিৰ পৰিৱেশ গঢ়ি তোলাৰ। সমাজৰ প্ৰতি সেয়ে প্ৰতিজন ব্যক্তিৰ থাকে এক বিৰাট দায়বদ্ধতা। সেই দায়বদ্ধতা পালন কৰিবলৈ যাওঁতে সামাজিকীকৰণ প্ৰক্ৰিয়াই ব্যক্তিক আঁকোৱালি লয়।

সামাজিকীকৰণ প্ৰক্ৰিয়াত সংস্কৃতিৰ গুৰুত্ব অতি বিস্তৃত। সংস্কৃতি অবিহনে সামাজিকীকৰণ সম্ভৱ হৈ নুঠে। সমাজৰ বিভিন্ন অনুষ্ঠান, বিদ্যালয় পৰিয়াল আদিয়ে ব্যক্তিক সংস্কৃতিৰ মাধ্যমেৰে সামাজিক কৰি তোলে। শিক্ষাও এবিধ অনুষ্ঠানৰ ভিতৰৰেই অন্তৰ্ভূক্ত বস্তু। শিক্ষা অবিহনে সামাজিকীকৰণ অসম্ভৱ। সংস্কৃতিৰ পশ্চাৎক সামাজিক পশ্চাৎ হিচাপেও ধৰা হয়। বিখ্যাত বিজ্ঞানীসকলৰ লিখনিৰ মাজত সংস্কৃতিৰ পশ্চাতে এখনি স্থান লাভ কৰিছে। মানৱ সমাজৰ জীৱনধাৰাৰ লগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অৱদানসমূহে যুগৰ লগত জড়িত হৈ পৰাত সংস্কৃতিৰ পশ্চাৎ ইয়াৰ লগত জড়িত হৈ পৰিছে। 'অগবাৰ্ণে' বস্তুবাদী সংস্কৃতি

আৰু অবস্তুবাদী সংস্কৃতিৰ মাজত থকা ব্যৱধান নিৰ্ণয় কৰি উলিয়াইছে। অগবৰ্ণৰ লিখনিত সংস্কৃতিৰ পশ্চাতে আটাইতকৈ গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। তেওঁৰ লিখনিৰ লগে লগে আন আন সমাজ বিজ্ঞানীসকলেও তেওঁলোকৰ লিখনিত সংস্কৃতিৰ পশ্চাতৰ কথা উল্লেখ কৰিছে।

সাধাৰণতে সংস্কৃতিক দুটা ভাগত ভাগ কৰিব পাৰি। প্ৰথমবিধ হ'ল ভৌতিক সংস্কৃতি আৰু দ্বিতীয়বিধ হ'ল অভৌতিক সংস্কৃতি। প্ৰথমবিধৰ ভিতৰত আমি উদাহৰণস্বৰূপে আহিলা-পাতি, ঘৰ-দুৱাৰ, বাচন-বৰ্তন, কল-কাৰখানা, যান-বাহন, উৎপাদিত বস্তু, বাদ্য-যন্ত্ৰ আদি ধৰিব পাৰো। দ্বিতীয়বিধৰ ভিতৰত উদাহৰণস্বৰূপে ধৰ্ম, পৰিয়াল, চৰকাৰ, শিক্ষা ব্যৱস্থা, সামাজিক ৰীতি-নীতি, সামাজিক মূল্য আচৰণ আৰু ভাব গীত আদিক ধৰিব পাৰো। দুয়োবিধ সংস্কৃতিয়ে একে সময়তে সমানে সমাজত প্ৰচলিত হয় বা চলি নাথাকে। প্ৰকৃততে ভৌতিক সংস্কৃতিয়ে অভৌতিক সংস্কৃতিতকৈ আগবাঢ়ি থাকে অৰ্থাৎ নানা তৰহৰ বস্তুৰ যিমান সোনকালে পৰিবৰ্তন হয়, সামাজিক মূল্য, ৰীতি-নীতি, আচবাব, যন্ত্ৰচালিত যানবাহন, উৎপাদন সঁজুলি যন্ত্ৰপাতি, ঘৰ-দুৱাৰ আদি ভৌতিক সংস্কৃতিৰ বহুখিনি পৰিবৰ্তন সাধন হৈছে। আমি অতি কম সময়ৰ ভিতৰতে আঁচৰিতভাৱে ভৌতিক বস্তুসমূহ সৃষ্টি দেখিবলৈ পাইছো। যেতিয়াই এই ভৌতিক সংস্কৃতিয়ে অভৌতিক সংস্কৃতিৰ লগত সমাযোজিত হ'বলৈ সমৰ্থবান নহয় তেতিয়াই উদ্ভৱ হয় সংস্কৃতিৰ পশ্চাতৰ।

সংস্কৃতিৰ পশ্চাতৰ বিভিন্ন দিশৰ বিষয়ে অধ্যয়ন কৰি পোৱা যায় যে সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰণ-কৰণ, সামাজিক মূল্য আদিৰ বিশেষ পৰিবৰ্তন হোৱা নাই। কাৰণ সমাজত এতিয়াও দেৱদেৱী, প্ৰেতাত্মা আদি আলৌকিক অতি মানৱ শক্তিৰ ওপৰত অন্ধভাৱে বিশ্বাস ৰাখি আছো। বৰ্ণবৈষম্য জাতিভেদ, জীৱ বলি, যাদুমন্ত্ৰ আদি বিভিন্নধৰণৰ কুসংস্কাৰ আজিও সমাজত বৰ্তি আছে। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত আমি যিমান দূৰ আগবাঢ়িব পাৰিছো সেইদৰেই আমাৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, জনবিশ্বাস ইত্যাদিত সিমান আগবাঢ়িব পৰা নাই। আধুনিক সমাজত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ লগত খাপ খুৱাব পৰাকৈ যিবোৰ চিন্তাধাৰা, আচৰণ, ৰীতি-নীতিৰ পৰিবৰ্তন হ'ব লাগিছিল সেইখিনি এতিয়ালৈ হোৱা নাই। উদাহৰণস্বৰূপে আমি আধুনিক চিকিৎসা বিজ্ঞানৰ কথা উনুকিয়াব পাৰো। মানৱ সমাজৰ বেমাৰ-আজাৰৰ কাৰণসমূহ বিজ্ঞানৰ সহায়ত সহজে চিনাক্তকৰণ কৰি নিৰাময়ৰ বাবে চিকিৎসা কৰিব পৰা হৈছো। এই ব্যৱস্থা সৰ্বসাধাৰণ মানুহৰ বাবেও একেধৰণে গ্ৰহণযোগ্য হৈছে লগতে সফল প্ৰয়োগো হৈছে। কিন্তু আধুনিক সমাজতে বহুতো মানুহ আছে, যিবিলাক মানুহে তেওঁলোকৰ অসুখৰ কাৰণ দেৱদেৱী বা ভূত-প্ৰেতৰ কোপদৃষ্টি অথবা প্ৰভাৱ বুলি ধৰি লৈ সেই অলৌকিক সত্তাসমূহৰ প্ৰভাৱ আঁতৰাবৰ বাবে পূজা-পাতল, তন্ত্ৰ-মন্ত্ৰৰ নিচিনা অবাস্তৱ উপায় অৱলম্বন কৰি আছে। তাৰ উপৰি কিছুমানে পূজা-পাতল নকৰাকৈ ৰোগীক ডাক্তৰৰ ওচৰলৈ নিবলৈ ইচ্ছা নকৰে। এই সকলো দিশৰপৰা উপলব্ধি কৰিব পাৰি যে চিকিৎসা বিজ্ঞানৰ প্ৰযুক্তিবিদ্যাৰ যিমানখিনি উন্নতি সাধন হৈছে তাৰ লগত খাপ খুৱাব পৰাকৈ মানুহৰ স্বাস্থ্য, চিকিৎসা সম্বন্ধীয় মনোভাব, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ পৰিবৰ্তন হোৱা নাই। এইবোৰৰ উপৰিও সমাজৰ আন আন ক্ষেত্ৰত
বিভিন্নধৰণৰ মতভেদ দেখা যায়।

এইক্ষেত্ৰত 'Ogburn'ৰ বিশ্লেষণ বিশেষভাৱে উল্লেখযোগ্য যদিও তাৰ বিষয়েও বিভিন্নধৰণৰ সমালোচনা কৰা দেখা যায়। কিছুমানে ক'ব খোজে যে অগবাৰ্ণৰ 'বস্তুবাদী' আৰু 'অবস্তুবাদী' সংস্কৃতিৰ মাজত নিৰ্ণয় কৰা ব্যৱধানখিনি বিজ্ঞানসন্মত নহয়। বস্তুবাদী সংস্কৃতিৰ পৰিবৰ্তন অবস্তুবাদী সংস্কৃতিৰ পৰিবৰ্তনতকৈ অগ্ৰণী নহয়। 'পশ্চাৎ' শব্দটোক প্ৰকৃততে এটা গোট বুলি ক'ব নোৱাৰি। অগবাৰ্ণে বিশ্লেষণ কৰা সৰলতাখিনিও উল্লেখযোগ্য বুলি গ্ৰহণ কৰিব নোৱাৰি। প্ৰকৃততে যদি বস্তুবাদী সংস্কৃতিৰ মাধ্যমত আৱিষ্কৃত হোৱা বস্তুখিনি অবস্তুবাদী সংস্কৃতিয়ে আকোৱালি লয় তেতিয়াহ'লে সমাজত 'সংস্কৃতিৰ পশ্চাৎ' উদ্ভৱেই নহয়। অগবাৰ্ণে সেয়েহে বিশেষভাৱে উল্লেখ কৰিছে যে আধুনিক সমাজৰ সমাযোজনৰ সমস্যা সদায় উদ্ভৱ হয় বস্তুবাদী সংস্কৃতিৰ উপাদানসমূহ অবস্তুবাদী সংস্কৃতিয়ে সহজভাৱে নোলোৱাৰ ফলত। ইয়াৰ সফল প্ৰয়োগৰ
বাবে সুপৰিকল্পিত পৰিকল্পনাৰ প্ৰয়োজন হয়।

বিভিন্ন সংস্কৃতিক অনুসৰণ কৰা, বিভিন্ন ধৰ্মৰ পূণ্যক্ষেত্ৰ আৰু বিভিন্ন ভাষা-ভাষীৰ জনগণৰে গঠিত ভাৰতবৰ্ষ এখন বৈচিত্ৰ্যময় সমাজ। এই বৈচিত্ৰ্যপূৰ্ণতাৰ মাজতো এক অন্তঃসলিলা শক্তিৰ সহায়ত আমি একত্ৰিত হ'বলৈ সক্ষম হৈছো। এই শক্তিৰ অন্তৰালত নিহিত হৈ আছে ভাৰতীয় অনুভূতি আৰু ৰাষ্ট্ৰীয় একতাবোধ। আমি ৰাষ্ট্ৰীয় সংহতি বুলি ক'লে অকল ভিন ভিন গোট বা গোষ্ঠীবিলাকৰ স্বকীয় বৈশিষ্ট্যসমূহক বাদ দিব নোৱাৰো। সকলোধৰণৰ গোটৰ স্বকীয় বৈশিষ্ট্যতাৰ মাজতে যি ঐক্যতাৰ সৃষ্টি হয় সেয়ে হ'ল ৰাষ্ট্ৰীয় সংহতি। ৰাষ্ট্ৰীয় সংহতি কোনো ধনাত্মক প্ৰত্যয় নহয়, বা যান্ত্ৰিক ঐক্যতাও নহয় আৰু ই কেতিয়াও নিষ্প্ৰাণ হ'ব নোৱাৰে। ইয়াৰ মূলতে থাকে আৱেগিক সংহতি (Emotional Integration)। ভিন ভিন জনগোষ্ঠী, ভাষা, ধৰ্ম আদিক ঐক্যবদ্ধ কৰোতে যাতে সামাজিক চেতনা ধ্বংসপ্ৰাপ্ত নহয় তাৰ প্ৰতি সজাগ হোৱা দৰকাৰ। তেতিয়াহে সংহতিৰ মূল সুঁতিডাল কটকটীয়া হ'ব। ঐক্যতাৰ নামত যাতে কোনোপ্ৰকাৰে অনৈক্যৰ সংঘাত সোমাই নপৰে তাৰ প্ৰতি সজাগতা অৱলম্বন কৰিব লাগিব। ৰাষ্ট্ৰীয় সংহতি উন্নীত কৰাত শিক্ষাৰ ভূমিকা অপৰিসীম। সেয়েহে শিক্ষকসকলে ইয়াৰ অৰ্থ অনুধাৱন কৰিব লাগিব। উপযুক্ত কাৰ্যপন্থা হাতত ল'লে সংহতি সদায়েই অটুট থাকিব।





আমি আমাৰ আলোচনাত ভাৰতীয় সংস্কৃতিৰ বাধাহীন গতিৰ বিষয়ে সামগ্ৰিকভাৱে উপস্থাপন কৰিলো। ভাৰতীয় সংস্কৃতি আৱহমান কালৰপৰাই সাৱলীলভাৱে অগ্ৰসৰ হৈ আছে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত মঠ-মন্দিৰবোৰ ভাৰতীয় অতীত ভাৱনাবোৰৰ চাক্ষুস অৱস্থিতি প্ৰতীয়মান কৰিছে। বিভিন্ন প্ৰান্তত থকা ভাস্কৰ্যবোৰৰ কাৰুকাৰ্য ইমানেই ঐতিহ্যপূৰ্ণ যে তাক নেদেখিলে অনুমান কৰিব নোৱাৰি। অতীত সভ্যতাৰ নিদৰ্শন হৰপ্পা আৰু মহেঞ্জোদাৰো, এলিফেন্টাইলোৰা, মদন কামদেৱ আদিৰ ভাস্কৰ্যই বিদেশী পৰিব্ৰাজকসকলৰ মন মোহিত কৰিছে। মধ্যযুগৰ আগ্ৰাৰ তাজমহলৰ ৰূপ-লাৱণ্য সৰ্বজনবিদিত। পুৰীৰ জগন্নাথ মন্দিৰ কাশ্মীৰৰ বাবা অমৰনাথ, কোনাৰ্ক, কামৰূপ কামাখ্যা, টিৰুপতি মন্দিৰ, চণ্ডিগড়ৰ স্বৰ্ণমন্দিৰ, হৰিদ্বাৰ, হৃষিকেশ আদিৰ উপৰিও বাৰানসী, বুদ্ধগয়া, ত্ৰিবেনী সংগম আদিৰ তাৎপৰ্যতা আছে। এনেদৰে ভাৰতীয় লোকবিশ্বাসত ৩৩ কৌটি দেৱতাক বিভিন্ন প্ৰকাৰে স্মৰণ কৰা হয়।

পুৰণি ঐতিহ্যৰ মঠ-মন্দিৰবোৰৰ সমাদৰ সকলো প্ৰান্ততে বিদ্যমান হৈ থকাৰ পিছতো ভাৰতৰ বিভিন্ন প্ৰান্তত বহুবোৰ নৱনিৰ্মিত মঠ-মন্দিৰ আছে। সেইবোৰৰ ভিতৰত দিল্লীৰ লক্ষীনাৰায়ণ মন্দিৰ, অক্ষয়ধাম মন্দিৰ, লটাচ টেম্পল, তামিলনাডুৰ ৰামেশ্বৰম, কন্যাকুমাৰীৰ বিবেকানন্দ ৰ'ক মেম'ৰিয়েল, গুৱাহাটীৰ বালাজী মন্দিৰ আদি উল্লেখযোগ্য। এনেবোৰ ধৰ্মীয় স্থানত আধ্যাত্মিক ধাৰণাৰ উন্মেষ ঘটে। আমি আমাৰ লিখনিৰ নাম ভূমিকাত উল্লেখ কৰিছো অক্ষয়ধাম মন্দিৰৰ ৰেহৰূপৰ কথা। যিগৰাকী ব্যক্তিৰ স্মৃতিৰ চিনস্বৰূপে মন্দিৰটো সজাই-পৰাই তোলা হৈছে সেই ব্যক্তিগৰাকীৰ একেবাৰে সৰু কালৰপৰা বয়স্ককাললৈ আলৌকিক ৰূপ আৰু আৰু কাৰুকাৰ্য কথাছবিৰ মাজেৰে মন্দিৰ প্ৰদৰ্শনকাৰীসকলক অৱগত কৰিবলৈ বিচাৰিছে। ব্যক্তিগৰাকীৰ কাৰ্যপন্থাৰ লগত নদ-নদী, পাহাৰ-পৰ্বত, বাঘ-ভালুক আদিৰ সহযোগিতাও দেখুৱাইছে। মন্দিৰ প্ৰাঙ্গণত আটাইতকৈ চিত্তাকৰ্ষক বস্তুটো হ'ল দহটা অতীত ইতিহাসৰ মনোমোহা কাহিনীক 'দৃশ্যশ্ৰাব্য' ব্যৱস্থাৰ মাধ্যমত জনমানসলৈ অনাৰ প্ৰচেষ্টাটো। ভয়াবহ ধাৰণাৰে গুহাসদৃশ অৱস্থাত কৰা দৃশ্যশ্ৰাব্যৰ প্ৰদৰ্শন সঁচাকৈয়ে যথেষ্টভাৱে মনোগ্ৰাহী। এনে প্ৰদৰ্শনৰ পিছত কলাসুলভ নৈ তৈয়াৰ কৰি পানীৰ মাজেৰে নাওঁ যাত্ৰা অতিশয় মনোমোহা। নাওঁযাত্ৰাৰ আৰম্ভণিৰপৰাই শেষলৈ ভাৰতীয় সংস্কৃতিৰ গতিধাৰাক কৰ্মকাণ্ডই কেনেদৰে পোহৰলৈ আনিছিল তাক দৃশ্য মুহূৰ্তৰ মাজেৰে প্ৰতিফলিত কৰি দেখুৱাইছে। ইয়াক মন্দিৰ ব্যৱস্থাপনা মণ্ডলীৰ এক অকৃত্ৰিম প্ৰয়াস বুলি অভিহিত কৰিব পৰা যায়। মন্দিৰটো প্ৰদৰ্শন কৰাৰ বাবে মুঠ সময় লাগে কমেও ঘণ্টা। কেইঘণ্টামান অতিবাহিত কৰাৰ পিচত প্ৰদৰ্শনকাৰীসকল যাব পাৰে অন্তৰ্ভাগত থকা 'খাদ্য সদন'লৈ যাক ব্যৱস্থাপনা মণ্ডলীয়ে নামাকৰণ কৰিছে Food Court হিচাপে। ভাৰতবৰ্ষৰ পূৱ, পশ্চিম, উত্তৰ, দক্ষিণৰ খাদ্যসম্ভাৰ অতি নিয়মনুসাৰে 'খাদ্য সদনত' যোগান ধৰাৰ ব্যৱস্থা আছে। অক্ষয়ধাম মন্দিৰৰ শেষৰ কাৰ্যসূচী হ'ল 'পোহৰ শব্দ আৰু সংগীত'ৰ সমাহাৰ। কলাসুলভ পুখুৰীৰ মাজত বিভিন্ন কাৰুকাৰ্যৰে 'পোহৰ শব্দ আৰু সংগীতৰ' ৰূপসজ্জা প্ৰদৰ্শনৰ ব্যৱস্থা মন কৰিবলগীয়া। এই কাৰ্যসূচীৰ মাজেৰে আধ্যাত্মিক ভাৱধাৰাকে জনমানসৰ বাবে প্ৰদৰ্শন কৰিবলৈ বিচৰা হৈছে। অক্ষয়ধাম মন্দিৰত সহজেই দিনটোৰ অৱসাদ আঁতৰ কৰিব পৰা যায়। অক্ষয়ধাম মন্দিৰৰ ৰেহৰূপ বিশেষভাৱে তাৎপৰ্যপূৰ্ণ যদিওঁ অৰ্থনৈতিকভাৱে স্বচ্চল নহ'লে মন্দিৰ প্ৰদৰ্শন কৰি আধ্যাত্মিকতাবাদৰ ধাৰণাৰ উমান ল'ব পৰাটো সহজ নহয়। কিন্তু প্ৰদৰ্শনকাৰীৰ অভাৱ নাই। দিনটোত হেজাৰ-হেজাৰ দৰ্শনকাৰীৰ ভিৰ। দুস্কৃতিকাৰীৰ অপকৰ্মৰ পৰা মন্দিৰটো ৰক্ষণাবেক্ষণ দিবলগা হোৱা বাবে বহু ঠাইত বেহু ভেদ কৰি মন্দিৰটোৰ মুল স্থান পাব পৰা যায়। মন্দিৰটো নিৰ্মাণৰ ক্ষেত্ৰত উদগনি যোগোৱা ব্যক্তিগৰাকী হ'ল 'স্বামী মহাৰাজ'। এনেদৰেই ভাৰতীয় সংস্কৃতিৰ বাধাহীন গতিক অক্ষয়ধাম মন্দিৰৰ মাধ্যমেৰে জনমানসত দৃশ্যমান কৰি তোলা হৈছে। ✹

১। মুখৰ সৌন্দৰ্য্যৰ লগত অন্তৰৰ সৌন্দৰ্য্যৰ মিল নাথাকিলে কোনো নাৰীয়ে সুন্দৰ হ'ব নোৱাৰে।

— বাৰ্ণাৰ্ডশ্ব

২। আঠুকাঢ়ি থকা ভদ্ৰলোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় হৈ থকা চহা খেতিয়ক এজন বেছি ডাঙৰ

— বেঞ্জামিন ফ্ৰেঙ্কলিন।

৩। তোমাৰ যদি আত্মবিশ্বাস আছে, তেন্তে লোকৰ সন্দেহলৈ ভয় নকৰিবা, তোমাৰ জয় অনিবাৰ্য

— মহাত্মা গান্ধী



# নব্যভাৰতীয় আৰ্য ভাষাৰ পটভূমিত অসমীয়া ভাষাৰ স্বকীয়তা ঃ - এক বিশ্লেষণাত্মক অধ্যয়ন

নৱনীতা কলিতা
প্ৰবক্তা, অসমীয়া বিভাগ

ভাৰতবৰ্ষৰ একেবাৰে পূব প্ৰান্তত কথিত নব্য ভাৰতীয় আৰ্য ভাষাটোৱেই হৈছে অসমীয়া ভাষা। ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয়টো স্তৰ মধ্য ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত মাগধী প্ৰাকৃতৰ অপভ্ৰংশ স্তৰৰ পৰা এই ভাষাটোৰ উদ্ভৱ হৈছে। ইয়াৰ উপৰিও বঙলা, উৰিয়া, মৈথিলী, মগহী আৰু ভোজপুৰী ভাষাও এই স্তৰৰ পৰাই উদ্ভুত। ভৌগোলিক সীমা অনুসৰি মাগধী প্ৰাকৃতৰ অপভ্ৰংশ স্তৰটোক তিনিটা দিশত ভগাব পাৰি — প্ৰাচ্য, মধ্য আৰু পশ্চিমা। ইয়াৰ প্ৰাচ্য শাখাৰ পৰা অসমীয়া, বঙলা আৰু উৰিয়া ভাষাৰ উৎপত্তি হয়। একেদৰে মধ্য শাখাৰ পৰা মৈথিলী আৰু মগহী ভাষাৰ লগতে পশ্চিমা শাখাৰ পৰা ভোজপুৰী ভাষাৰ উৎপত্তি হয়। গতিকে একে মূল উৎসৰ পৰা উদ্ভৱ হোৱা হেতুকে অসমীয়া ভাষাটোৰ সৈতে এই ভাষাবোৰৰ ভালেমান সাদৃশ্য থাকিলেও অসমীয়া ভাষাটোত এনে কিছুমান নিজস্ব বৈশিষ্ট্য বিৰাজমান যিবোৰে অসমীয়া ভাষাক নব্য ভাৰতীয় আৰ্য ভাষাৰ ভিতৰতে এক সুকীয়া ৰূপ পৰিগ্ৰহণ কৰাত অৰিহণা যোগাইছে। দৰাচলতে, অসমীয়া ভাষাটোক চাৰিওফালৰ পৰা বিভিন্ন অনা আৰ্য ভাষাই বেঢ়ি থকাৰ পৰিপ্ৰেক্ষিততে এনে স্বকীয়তা প্ৰকাশক বৈশিষ্ট্যবোৰ সেই ভাষাবোৰৰ পৰা অসমীয়া ভাষাটোত প্ৰবেশ কৰা বুলি পণ্ডিত সকলে ক'ব খোজে। সেই সুকীয়া বৈশিষ্ট্য ভাষাটোৰ কেইবাটাও দিশত পৰিলক্ষিত হয়; সেইবোৰ হ'ল ঃ

(ক) ধ্বনিতত্ত্ব
(খ) ৰূপতত্ত্ব
(গ) শব্দ সম্ভাৰ
(ঘ) বাক্য বিন্যাস।

**(ক) ধ্বনিতত্ত্ব ঃ** অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য চকুত পৰা বিধৰ। এই বৈশিষ্ট্য স্বৰ আৰু ব্যঞ্জন উভয় ক্ষেত্ৰতেই পৰিলক্ষিত হয়। অসমীয়া স্বৰ আৰু ব্যঞ্জন বৰ্ণৰ আখৰৰ তালিকা দুখন সংস্কৃতৰ পৰাই লোৱা হৈছে। সেই অনুযায়ী অসমীয়া স্বৰবৰ্ণৰ আখৰৰ তালিকাত এঘাৰটা আখৰ পোৱা যায়। কিন্তু প্ৰকৃত উচ্চাৰিত স্বৰৰ সংখ্যা মাত্ৰ আঠটাহে যাক বিশিষ্ট স্বৰধ্বনি বোলা হয়। সেইকেইটা হ'ল — অ, আ, ই, উ, এ, ও, অ' আৰু এ'। ইয়াৰ ভিতৰত অ' আৰু এ' হৈছে নতুনকৈ সংযোজিত হোৱা ধ্বনি। এই ধ্বনি দুটাক বুজাবলৈ কোনো সুকীয়া আখৰ নথকাৰ বাবে ক্ৰমে 'অ' আৰু 'এ'ৰ ওপৰত কূট (-') চিহ্ন দি বুজোৱা হৈছে। আনহাতে অসমীয়া বানানৰ ক্ষেত্ৰত হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য সূচক আখৰ পোৱা যায় যদিও এইবোৰৰ উচ্চাৰণত কোনো পাৰ্থক্য নাই।

ব্যঞ্জনৰ ক্ষেত্ৰতো আখৰৰ তালিকা আৰু প্ৰকৃত উচ্চাৰিত ব্যঞ্জনৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। সেই অনুযায়ী বিশিষ্ট ধ্বনি একৈশটা। সেইকেইটা হৈছে — ক,খ,গ,ঘ,ঙ,চ,জ,স,হ,ৰ,ল,প,ফ,ব,ভ,ম,ত,থ,দ,ধ,ন। কিন্তু প্ৰচলিত বৰ্ণমালাখনত ইয়াতকৈ অধিক আখৰ পোৱা যায়। সংস্কৃতৰ স্পৰ্শ ব্যঞ্জন সমূহৰ ভিতৰত অসমীয়াত কেৱল ঔষ্ঠ্য আৰু পশ্চতালব্য ব্যঞ্জনহে যথাযথভাৱে ৰক্ষিত হৈছে। দন্ত্যআৰু মূৰ্ধন্য স্পৰ্শ ব্যঞ্জনৰ উচ্চাৰণৰ পাৰ্থক্য অসমীয়াত লোপ পাইছে আৰু এই দুই প্ৰকাৰৰ ব্যঞ্জন সংমিশ্ৰিত হৈ অসমীয়াত দন্তমূলীয় ধ্বনি ৰূপে উচ্চাৰিত হৈছে। উচ্চাৰণৰ এনে পৰিবৰ্তন একমাত্ৰ অসমীয়া ভাষাতহে পৰিলক্ষিত হয়। সেইদৰে, সংস্কৃতৰ তালব্য স্পৰ্শ ব্যঞ্জনবোৰ অসমীয়াত দন্তমূলীয় উষ্মৰূপে উচ্চাৰিত হৈছে। এনে হোৱাৰ মূলতে তিব্বতবৰ্মী ভাষাৰ প্ৰভাৱ আছে বুলি পণ্ডিত সকলে অনুমান কৰিছে। তদুপৰি, সংস্কৃতৰ শিশ্ ধ্বনি তিনিটাও অসমীয়াত আঘোষ পশ্চতালব্য উষ্ম 'স' ৰূপে উচ্চাৰিত হৈছে। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ নাসিক্য ধ্বনি কেইটাৰ ভিতৰত 'ঞ'ৰ উচ্চাৰণ অসমীয়াত ভিন ভিন ধৰণৰ হৈছে। সংযুক্ত হ'লে 'চ' আৰু 'ন' ৰূপে আৰু অসংযুক্ত হ'লে 'ইয়ঁ' ৰূপে উচ্চাৰিত হয়; যেনে ঃ বাঞ্চা>বান্চা, ভূঞা> ভূইয়া; ইত্যাদি। তেনেদৰে স্বতঃ অনুনাসিকীভবনো অসমীয়া ধ্বনিতত্ত্বৰ আন এক বিশেষত্ব; যেনে ঃ

O.I.A. গৰ্ত্ত > গত্ত > গাঁত
O.I.A. ঘোটক MIA* ঘোণ্টক> ঘোঁৰা; আদি।

ইয়াতো তিব্বতবৰ্মীয় ভাষাৰ প্ৰভাৱ পৰা বুলি পণ্ডিত সকলে অনুমান কৰিছে।

**(খ) ৰূপতত্ত্ব ঃ** ধ্বনিতাত্ত্বিক বৈশিষ্ট্যৰ দৰে ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ ক্ষেত্ৰতো অসমীয়া ভাষাত কেতবোৰ সুকীয়া বিশেষত্ব লক্ষ্য কৰিব পাৰি।

(ক) নিদেৰ্শাত্মক প্ৰত্যয় ঃ কোনো এটা বস্তুক বিশেষভাৱে নিৰ্দেশ কৰি দিবলৈ বিশেষ্য, বিশেষণ আৰু সৰ্বনামৰ পাছত এই প্ৰত্যয়বোৰ যোগ কৰা হয়। যেনে ঃ

-খন ঃ কিতাপখন
-জন ঃ মানুহজন; ইত্যাদি

এইদৰে, -গৰাকী, -চটা,-জাক,-টো, -টা, -টি, -ডৰা, -ডাল, -থোপা, -দোঙা, -ধাৰ, -পাট, -পাহ, -পদ, -ফাকি, -মুঠা, -সাজ আদি প্ৰায় ৬০ টা মান নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ অসমীয়া ভাষাত লক্ষ্য কৰিব পাৰি। আন আন নব্য ভাৰতীয় আৰ্য ভাষাতো এনে প্ৰত্যয় আছে যদিও অসমীয়া ভাষাত ইয়াৰ প্ৰয়োগ অতি ব্যাপক।

(খ) পুৰুষবাচক প্ৰত্যয় ঃ সম্বন্ধবাচক নাম শব্দত পুৰুষ অনুযায়ী বিভিন্ন প্ৰত্যয় যোগ হোৱাটো অসমীয়া ভাষাৰ এক বিশেষ বৈশিষ্ট্য। এই প্ৰত্যয়বোৰ হ'ল —

— ০ (একো যোগ নহয়), -এৰ, - এৰ আ, -এক।

সম্বন্ধ বুজোৱা শব্দটো আকাৰান্ত হ'লে প্ৰত্যয়বোৰৰ ৰূপ হ'ব এনে ঃ

—০(একো যোগ নহয়), -ৰ, -ৰ আ, -ক।

শব্দবিভক্তিবোৰ সাধাৰণতে ইয়াৰ পাছতহে যোগ হয়; যেনে ঃ

মোৰ মা-০-ক তোৰ মা-ৰ-ক তোমাৰ মা-ৰা-ক, তোমাৰ মা-ৰা-ক, তাৰ মা-ক-ক,

(গ) নিৰ্দিষ্টবাচকতা ঃ নিৰ্দিষ্টবাচকতাও অসমীয়া ভাষাৰ আন এক বিশিষ্ট লক্ষণ। অসমীয়া বিশেষ্য শব্দৰ ক্ষেত্ৰত কোনোলোকৰ আনৰ সৈতে সম্বন্ধ বুজাবলৈ হ'লে সেই লোকজনৰ বয়স অনুপাতে তেওঁতকৈ ডাঙৰ আৰু সৰুজনক বুজাবলৈ ভিন ভিন শব্দ ব্যৱহাৰ কৰিব লাগে। এই ক্ষেত্ৰত সামূহিকভাৱে বুজাবলৈ একেটা শব্দৰ প্ৰয়োগ নচলে; যেন ঃ

ডাঙৰ-বাইদেউ, ভিনদেউ, জেঠাই
সৰু-ভনী, বৈনাই, মাহী

**(ঘ) সম্বোধনবাচক প্ৰত্যয় ঃ** কোনো লোকক সম্বোধন কৰি মাতিবলৈ হ'লে যিজনে মাতিব তেওঁৰ সৈতে, যাক-মাতিব সেইজনৰ সম্বন্ধ অনুযায়ী সম্বোধন বুজোৱা ৰূপৰ পাছত কিছুমান প্ৰত্যয় লগ লাগে। এইবোৰেই হৈছে সম্বোধনবোধক প্ৰত্যয়; যেনে ঃ

হে-ৰ, হে-ৰৌ (মানত সৰুটোক মাতিবলৈ)
হে-ৰা (মানত সমানজনক মাতিবলৈ)
হে-ৰি (মানত ডাঙৰজনক মাতিবলৈ)
হে-ৰৈ, হে-ৰেই (মৰমতে মানত সৰুটোক মাতিবলৈ)

সম্বোধন বুজোৱা 'হে' ৰূপৰ পাছত এনেদৰে প্ৰত্যয় যোগ হোৱা বৈশিষ্ট্যটো অসমীয়া ভাষাৰ অন্যতম বিশেষত্ব।

**(ঙ) অব্যাকৰণগত ঃ** লিংগ আৰু বচন অসমীয়া ভাষাৰ অব্যাকৰণগত বিষয়। সংস্কৃতৰদৰে অসমীয়া বচনে বাক্যত কোনো প্ৰভাৱ পেলাব নোৱাৰে; যেনে ঃ মই খাওঁ; আমি খাওঁ। একেদৰে, লিংগৰ ক্ষেত্ৰতো বিশেষ্যৰ লিংগৰ লগত বিশেষণৰ লিংগৰ সংগতি অপৰিহাৰ্য ৰূপে পোৱা নাযায়; যেনে ঃ ধুনীয়া ল'ৰা, ধুনীয়া ছোৱালী। অৱশ্যে, কোনো কোনো ক্ষেত্ৰত সংস্কৃতৰ দৰে অসমীয়া বিশেষ্যৰ লিংগ অনুযায়ী বিশেষণৰো লিংগ হৈছে; যেনে ঃ অজলা ল'ৰা, আজলী ছোৱালী; ৰূপহ কোঁৱৰ, ৰূপহী কুঁৱৰী; আদি। সেয়ে, অসমীয়া ভাষাত লিংগ আংশিকভাৱেহে ব্যাকৰণগত বুলি কোৱা হয়।

**(চ) কাৰক ঃ** প্ৰাচীন ভাৰতীয় আৰ্যভাষা প্ৰসূত ভাষা হিচাপে অসমীয়া ভাষাত উক্ত ভাষাৰ কাৰক বিভক্তিবোৰ অপৰিবৰ্তিভাৱে পাব লাগিছিল। কিন্তু, ইয়াৰ বিপৰীতে অসমীয়াত নিজস্ব বৈশিষ্ট্য সম্বলিত কাৰক বিভক্তিহে দেখা পোৱা যায়। অসমীয়া ভাষাত কাৰকৰ সংখ্যা মুঠ ছটাঃ কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ। অসমীয়াত সংস্কৃতৰ দৰে সম্প্ৰদান কাৰক নাই। সংস্কৃতৰ সম্প্ৰদানৰ অৰ্থ অসমীয়াৰ কৰ্ম কাৰকৰ দ্বাৰা সম্পন্ন হয়। সম্প্ৰদান কাৰকৰ পৰিবৰ্তে অসমীয়াত এটা নতুন কাৰক পোৱা যায় - 'নিমিত্ত কাৰক'। প্ৰতি, অভিমুখ আৰু নিমিত্ত অৰ্থত পোৱা নিমিত্ত কাৰকত চতুৰ্থী বিভক্তি - 'লৈ' যোগ কৰা হয়। সেইদৰে, অসমীয়া ভাষাত অপাদান কাৰক আছে যদিও পঞ্চমী বিভক্তি নাই। অপাদানৰ অৰ্থ প্ৰকাশ কৰিবলৈ সম্বন্ধ পদৰ 'ৰ'ৰ পাছত '-পৰা' পৰসৰ্গ যোগ দিয়া হয় আৰু ই অসমীয়া ভাষাটোৰ এক সুকীয়া বৈশিষ্ট্য।

**(ছ) নঞৰ্থক ৰূপ ঃ** ক্ৰিয়াৰ আগত 'ন' যোগ হৈ সেই ক্ৰিয়াটোৰ প্ৰথম স্বৰ অনুযায়ী সমীভৱন হৈ নঞৰ্থক ভাব বুজোৱা অসমীয়া ভাষাৰ এক প্ৰধান বৈশিষ্ট্য; যেনে ঃ

ন-মৰ্ -এ = নমৰে
ন-মাৰ্ -এ = নামাৰে
ন-মিল্ -এ = নিমিলে
ন-শুন্ -এ = নুশুনে

**(গ) শব্দ সম্ভাৰ ঃ** শব্দ সম্ভাৰৰ ক্ষেত্ৰতো অসমীয়া ভাষাৰ সুকীয়া বৈশিষ্ট্য দেখা যায়। পুনৰুক্তি বা অভ্যস্ত শব্দৰ ব্যাপক ব্যৱহাৰ অসমীয়া ভাষাৰ এক প্ৰধান বৈশিষ্ট্য। সম্ভৱতঃ নব্য ভাৰতীয় আৰ্য ভাষাৰ ভিতৰতে অসমীয়া ভাষাত এনে পুনৰুক্তি প্ৰয়োগৰ প্ৰৱনতা অধিক। অৰ্থগত দিশৰ ওপৰত ভিত্তি কৰি পুনৰুক্তি হোৱা শব্দবোৰ চাৰি প্ৰকাৰৰ ঃ

(ক) অৰ্থযুক্ত শব্দৰ সম্পূৰ্ণ পুনৰুক্তি; যেনে ঃ মাছ মাছ, ভাল ভাল
(খ) অৰ্থযুক্ত শব্দৰ আংশিক পুনৰুক্তি; যেনে ঃ কিতাপ-চিতাপ, আন্ধাৰ-মুন্ধাৰ
(গ) অৰ্থহীন শব্দৰ সম্পূৰ্ণ পুনৰুক্তি; যেনে ঃ কা-কা, টিক্-টিক্
(ঘ) অৰ্থহীন শব্দৰ আংশিক পুনৰুক্তি; যেনে ঃ কক্-বক্, আমন-জিমন, আদি

আনহাতে, সংযুক্ত শব্দৰ ব্যাপক ব্যৱহাৰেও অসমীয়া ভাষাৰ শব্দ সম্ভাৰক বিশেষ বৈশিষ্ট্য সম্পন্ন কৰি তুলিছে; যেনে ঃ আকাশ বন্তি, হাতদীঘল, তল সৰা, পিতল-চকুৱা, জনা-বুজা, ধৰা-বন্ধা, চলে-বলে-কৌশলে, চুলিয়া-চুলি, সাতাম-পুৰুষ, ৰূপ-গঠন-পদ্ধতি, ল'ৰা-বুঢ়া-মতা-মাইকী; আদি।

**(ঘ) বাক্য বিন্যাস ঃ** বাক্যবিন্যাস ৰীতিৰ ক্ষেত্ৰতো অসমীয়া ভাষাৰ বৈশিষ্ট্য লক্ষ্য কৰিব পাৰি। অসমীয়া ভাষাত ইংৰাজী বা হিন্দীৰ দৰে ক্ৰিয়াপদৰ প্ৰয়োগ সকলো বাক্যতে পৰিলক্ষিত নহয়; যেনে ঃ মোৰ নাম যদু। এইটো কাৰ ঘৰ? অৱশ্যে বৰ্তমান সময়ৰ বাক্যৰীতিত ইংৰাজী বা অন্য ভাষাৰ প্ৰভাৱত অন্য পৰিবৰ্তনো দেখা যায়। সাধাৰণতে অসমীয়া ভাষাৰ বাক্যৰীতি এনেধৰণৰ ঃ

কৰ্তা + কৰ্ম + ক্ৰিয়া
মই + ভাত + খালোঁ

অৱশ্যে, কেতিয়াবা কৰ্তা, কৰ্ম বা ক্ৰিয়া উহ্য থাকে।

এনেদৰে, ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দসম্ভাৰ আৰু বাক্যবিন্যাস ক্ষেত্ৰত পৰিলক্ষিত হোৱা ভালেমান সুকীয়া বৈশিষ্ট্যই অসমীয়া ভাষাটোক সমৃদ্ধ কৰি তুলিছে।

গ্ৰন্থপঞ্জী ঃ
ড° উপেন্দ্ৰ নাথ গোস্বামী ঃ অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ
অসমীয়া ভাষাৰ ব্যাকৰণ
অসমীয়া ভাষাৰ ৰূপকথা
ড° নগেন ঠাকুৰ ঃ পৃথিৱীৰ বিভিন্ন ভাষা
ড° লীলাৱতী শইকীয়া বৰা ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব।



প্রা গ্ জ্যো তি

# জলবায়ুৰ পৰিৱৰ্তন আৰু আমাৰ পৰিৱেশত ইয়াৰ প্ৰভাৱ

ড° প্ৰফুল্ল চন্দ্ৰ শৰ্মা

মানৱ জাতিৰ লগতে এই পৃথিৱীত থকা সমস্ত জীৱ-জন্তু, উদ্ভিদ ৰাজিক সামৰি আমাৰ চাৰিওফালে থকা মাটি, পানী, বায়ু আটাইবোৰে ইটোৰ পৰা সিটোৰ পৰিপূৰক হৈ চলি থাকে। এনেকুৱা বাতাবৰণ এটাকে স্বাভাবিক পৰিৱেশ বুলি কোৱা হয়। যিহেতু মানৱ জাতিৰ লগতে সমস্ত জীৱৰাশিয়েই প্ৰত্যক্ষ নাইবা পৰোক্ষ ভাবে পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল; সুস্থ জীৱন যাপনৰ কাৰণে সুস্থ পৰিৱেশৰ প্ৰয়োজন। কিন্তু জনসংখ্যা বিস্ফোৰণ, খৰতকীয়া নগৰীকৰণ শিল্পায়ন, পৰিবহন আদিৰ অবাধ বিস্তাৰে পৰিৱেশ কলুষিত কৰাই নহয় জলবায়ুৰো অৱনতি ঘটাইছে।

জনসংখ্যা বিস্ফোৰণৰ ফলত কৃষি আৰু গৃহনিৰ্মাণত মাটিৰ ব্যৱহাৰ, প্ৰকল্পৰ বাবে মাটি অধিগ্ৰহণ, ঝুমখেতিৰ ফলত বনাঞ্চল ধ্বংস, উদ্যোগ আদিত অত্যাধিক জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ ইত্যাদি কাৰণত প্ৰাকৃতিক ভাৰসাম্য বিপৰ্যস্ত হৈছে। শক্তি উৎপাদন, ঔদ্যোগিক প্ৰক্ৰিয়া আৰু পৰিবহনৰ, বাবে যথেষ্ট সেউজ গৃহ গেছ কাৰ্বন-ডাই-অক্সাইড উৎপন্ন হয়। এফালে জীৱাশ্ম ইন্ধন দহনে কাৰ্বন-ডাই-অক্সাইডৰ পৰিমান বঢ়াইছে আৰু আনফালে উদ্ভিদ জগতৰ বিনাশে সালোক সংশ্লেষণৰ অনুপাত কমাই তাৰ ব্যৱহাৰ আগৰ তুলনাত হ্ৰাস কৰিছে। ফলত বছৰি প্ৰায় ৫-৭ বিলিয়ন টন কাৰ্বন-ডাই-অক্সাইড পৃথিৱীৰ পৰিৱেশৰ লগত যোগ হৈছে। উন্নয়নশীল দেশবোৰতকৈ উন্নত দেশবোৰ এই ক্ষেত্ৰত বেছি জগৰীয়া। তদুপৰি ক্ৰমাগতভাৱে বৃদ্ধি পাই অহা বিভিন্ন উদ্যোগ যেনে - চিমেণ্ট কাৰখানা, থাৰ্মেল পাৱাৰ প্ৰকল্প, কাগজ কল, সাৰ কাৰখানা, ইটা ভাটা আদিৰ কাৰণে বায়ুমণ্ডলত বিযাক্ত ৰাসায়নিক দ্ৰব্যৰ বৃদ্ধি হোৱাটোও প্ৰকৃতি বিভ্ৰাটৰ অন্যতম কাৰণ।

বতৰ আৰু পৰিৱেশ বিজ্ঞানী সকলৰ মতে 'গ্ল'বেল ৱাৰ্মিং' বা পৃথিৱীৰ উত্তাপ বৃদ্ধিৰ বাবে তিনিটা কাৰণ, ক্ৰমে সেউজ গৃহ প্ৰক্ৰিয়া অ'জনস্তৰৰ অৱক্ষয় আৰু এছিড বৰষুণ ঘাইকৈ জগৰীয়া। বিজ্ঞানীসকলে সকীয়াই দিয়ামতে এই শতিকাৰ মাজ ভাগলৈকে গোলকীয় উষ্ণতা আৰু বৃদ্ধি হৈ জীৱজগতক এক ভয়ংকৰ বিপদৰ সন্মুখীন কৰাব পাৰে। যিহেতু পাৰিৱেশিক সমস্যাৰ লগত জনস্বাস্থ্য, ভৌগোলিক, অৰ্থনৈতিক আদি বিষয়বোৰ জৰিত, বিষয়টোৱে সমগ্ৰ বিশ্বজুৰি বিশেষ গুৰুত্ব লাভ কৰিছে।

অ'জন স্তৰ ক্ষয়ৰ প্ৰধান কাৰকবোৰ হৈছে মানুহৰ সুবিধাৰ বাবে ব্যৱহৃত ফ্ৰিজ, বাতানকুল যন্ত্ৰ, অগ্নি প্ৰতিৰোধী যন্ত্ৰ আদিত ব্যৱহাৰ কৰা 'ক্লৰ' ফ্লৰ' কাৰ্বন (চি এফ চি), হাইড্ৰ'পেৰক্লাইডৰ গঠন ইত্যাদি।

জীৱজগতৰ অনিষ্ট সাধন কৰা আন এটা কাৰণ হ'ল বায়ু প্ৰদূষণৰ ফলত সৃষ্টি হোৱা এছিড বৰষুণ। উদ্যোগ প্ৰধান দেশ সমূহত সঘনাই হৈ থকা এছিড বৰষুণে জলজ প্ৰাণী তথা মানুহৰ ক্ষতি কৰাৰ লগতে খেতি পথাৰৰ ব্যাপক অনিষ্ট সাধন কৰে। বায়ুমণ্ডলত মিহলি হৈ থকা বিভিন্ন অক্সাইড জলীয় বাষ্পৰ লগত মিহলি হৈ নানা অম্লৰ সৃষ্টি কৰে আৰু এইবোৰেই এছিড আকাৰে বৰষুণৰ পানীৰ লগত পৃথিৱীত পৰে। ই খাল-বিল, জান-জুৰি, নৈ আদিত পৰি সেইবোৰৰ পানী প্ৰদূষিত কৰে।

গোলকীয় উষ্ণতাৰ ভয়াবহতা দেখি অৱশেষত পৃথিৱীৰ উন্নত দেশসমূহ তাৰ সমাধান বিচাৰি আগবাঢ়ি আহিল। সেই মৰ্মে ১৯৯৭ চনত জাপানত পৃথিৱীৰ ১৪১ খন দেশৰ দ্বাৰা স্বাক্ষৰিত 'কিঅ'ট প্ৰট'কল' নামৰ এখন চুক্তি সম্পাদিত হ'ল। চুক্তি অনুসৰি যোৱা শতিকাৰ শেষ দশকতকৈ এই শতিকাৰ প্ৰথম দশকত সেউজগৃহ গেছৰ সৃষ্টিৰ পৰিমান পাচ শতাংশ কমাব লাগিব। বিগত ২০০৫ চনৰ পৰা কিঅ'ট প্ৰট'কল কাৰ্যকৰী হৈছে যদিও আটাইতকৈ বেছি সেউজ গৃহ সৃষ্টিকাৰী দেশ আমেৰিকা এই চুক্তিৰ বাহিৰত আছে। অদূৰ ভৱিষ্যতে কিঅ'ট প্ৰট'কলৰ সফল ৰূপায়নে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰি জীৱজগতক এক গভীৰ সংকটৰ পৰা মুক্ত কৰাৰ ফল আছে।

পৃথিৱীৰ গড় উষ্ণতা নিৰ্ভৰ কৰে ঘাইকৈ পৃথিৱীৰ বুকুত আপাতিত আৰু প্ৰতিফলিত হোৱা সৌৰশক্তিৰ সমতাৰ ওপৰত। প্ৰতিদিনে সূৰ্যৰ পৰা অহা তাপৰ প্ৰায় আধাখিনি পৃথিৱীয়ে শোষণ কৰে আৰু এক চতুৰ্থাংশ শোষণ কৰে বায়ুমণ্ডলত থকা সেউজগৃহ গেছ যেনে — কাৰ্বন-ডাই-অক্সাইড, ক্ল'ৰফ্লৰ' কাৰ্বন (চি এফ চি) মিথেন, নাইট্ৰাছ অক্সাইড, অ'জন আৰু জলীয় বাষ্পই। দিনৰ ভাগত শুহি লোৱা তাপ পৃথিৱীয়ে ৰাতিৰ ভাগত এৰি দিয়ে। কিন্তু বায়ুমণ্ডলত থকা সেউজগৃহ গেছবোৰে পৃথিৱীৰ পৰা বিকিৰণ হোৱা তাপৰ কিছু অংশ পৃথিৱীলৈ পুনৰ ওভোতাই দিয়ে আৰু বাকী অংশ মহাকাশলৈ যাবলৈ দিয়ে। এইদৰে পৃথিৱীৰ তাপমাত্ৰাৰ





ভাৰসাম্য ৰক্ষা কৰি জীৱক জীয়াই থকাত সহায় কৰে।

কিন্তু শিল্প বিপ্লৱৰ পাছত পেট্ৰল, ডিজেল, কয়লা আদিৰ অত্যাধিক ব্যৱহাৰৰ ফলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বাঢ়ি যোৱা কাৰণে পৃথিৱীৰ গড় উষ্ণতা বৃদ্ধি পাইছে। বৰ্দ্ধিত গোলকীয় উষ্ণতাত গোলকীয় বায়ু আৰু সাগৰীয় উষ্ণতা বৃদ্ধিয়েও অৰিহণা যোগাইছে। জলবায়ু পৰিবৰ্তনৰ আন্তঃ চৰকাৰী চমুকৈ আই পি ছি ৰ সমীক্ষামতে গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত মেৰু অঞ্চলৰ বৰফ গলি বান পানীৰ সৃষ্টি কৰাৰ লগতে সমুদ্ৰতীৰৰ দেশ-চহৰবোৰ যেনে - বাংলাদেশ, মালদ্বীপ আদি বিপৰ্যয়ৰ সন্মুখীন হ'ব। হিমালয়ৰ হিমবাহ সমূহ অধিক হাৰত গলিবলৈ লোৱা হেতুকে অসম তথা উত্তৰ পূৰ্বাঞ্চল বিশেষকৈ বংগোপসাগৰৰ উপকূলীয় অঞ্চল যেনে - সুন্দৰবন আদি ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনা আছে।

বৰ্দ্ধিত উষ্ণতাৰ ফলত যোৱা শতিকাৰ শেষ দশকৰ পৰা মানৱ সমাজ বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ যেনে - বানপানী, ঘূৰ্ণি বতাহ, অতিবৃষ্টি অনাবৃষ্টি আদিৰ সন্মুখীন হ'ব লগা হৈছে। উত্তৰ অক্ষাংশত শীত কালটো অধিক চুটি আৰু সেমেকা হোৱাৰ বিপৰীতে গ্ৰীষ্ম ঋতু অধিক দীঘলীয়া আৰু শুকান হৈছে।

উষ্ণতা বৃদ্ধিয়ে মানৱ স্বাস্থ্যৰ ওপৰতো কু-প্ৰভাৱ পেলাব আৰু জৈৱ-বৈচিত্ৰ্যৰ বিলুপ্তি সাধন কৰিব। বিশেষকৈ সুন্দৰবনত থকা বাঘ দক্ষিণ আফ্ৰিকাৰ বৰষুণ সচেতন গছবোৰৰ লগতে মেৰু ভালুক, পেংগুইন আদি লোপ পোৱাৰ আশংকা কৰা হৈছে।

প্ৰাকৃতিক বিপৰ্যয়ৰ আন এটা কাৰণ হ'ল অ'জন স্তৰৰ অৱক্ষয়। অতীজৰে পৰা পৃথিৱীৰ উপৰিভাগত থকা অ'জন স্তৰে জীৱজগতক অনিষ্টকাৰী অতি বেঙুণীয়া ৰশ্মিৰ পৰা ৰক্ষা কৰি আহিছে। আই পি ছি ছি ৰ সমীক্ষা মতে মেৰু অঞ্চলত অ'জন স্তৰ ক্ষয় হৈ অ'জন বিন্ধাৰ সৃষ্টি কৰাত, আগৰ তুলনাত পৃথিৱীলৈ অহা অতি বেঙুণীয়া ৰশ্মিৰ পৰিমাণ প্ৰায় আঠ শতাংশ বৃদ্ধি হৈছে। ইয়াৰ ফলত মানুহৰ চকুত ছানি পৰা দেহৰ প্ৰতিৰোধ ক্ষমতা কমি যোৱা ছালৰ কৰ্কট ৰোগ আদি বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

---

## ২০০৭ চনৰ ৭ জুলাইত লিছবনৰ চৰকাৰী ঘোষণা অনুসৰি বিশ্বৰ সাতটা নতুন আশ্চৰ্য ঃ

১। শীশ্বেন ইট্জা (মেক্সিকো)
২। খ্ৰীষ্ট দা ৰেডীমাৰ (ব্ৰাজিল)
৩। চীনৰ বৃহৎ প্ৰাচীৰ (চীন)
৪। মাচ্ছু পিকচ্ছু (পেৰু)
৫। তাজমহল (ভাৰত)
৬। গিজাৰ বৃহৎ পিৰামিড (ইজিপ্ত)
৭। পেত্ৰা (জৰ্ডান)

সংগ্ৰাহক ঃ বিপুল ৰয়

---

This will never be a civilised country untill we expend more money for books than we do for chewing gum – Albert Habard

# স্বামী বিবেকানন্দৰ জীৱনৰ কৃতি

মিছ্ মুনমি আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ



স্বামী বিবেকানন্দ অকল ভাৰতৰে নহয়, সমগ্ৰ বিশ্বৰে এজন মহান ব্যক্তি যাক সকলোৱে স্বামীজী বুলিয়ে জানিছিল। মাক দেউতাকে তেওঁৰ নামকৰণ কৰিছিল নৰেন্দ্ৰ বুলি। আকৌ ঘৰত সৰুতে মাক -দেউতাকে মৰমতে মতা নাম আছিল 'বিলে'। সৰু কালিৰ নৰেন্দ্ৰ নাথ দত্ত সময়ত নৰাৰ ইন্দ্ৰ স্বৰূপ হৈ বিবেকক আনন্দ দিব পৰা 'বিবেকানন্দ' স্বৰূপে জগত বিখ্যাত হৈ পৰিল। তেওঁৰ আন এটা নাম আছিল বীৰেশ্বৰ।

১৮৩৬ চনৰ জানুৱাৰী মাহৰ, অসমীয়াৰ মতে ভোগালী বিহুৰ সময়ত আৰু বঙালীৰ মতে মকৰ সংক্ৰান্তিৰ উলহ-মালহৰ দিনাই কৃষ্ণা সপ্তমী তিথিত আঠপৰীয়া বংশত বিবেকানন্দৰ জন্ম হৈছিল কলিকতাৰ গৌৰ মোহন মুখাৰ্জী ষ্ট্ৰীটত। তেওঁৰ পিতৃৰ নাম আছিল বিশ্বনাথ দত্ত আৰু মাতৃৰ নাম আছিল ভু বনেশ্বৰী দত্ত। মাতৃ ভুবনেশ্বৰী আছিল শিৱভক্ত। বিবেকানন্দৰ মাকে সপোনতে শিৱে আহি এদিন তেওঁৰ গৰ্ভত স্থিতি লোৱাৰ সপোন দেখিছিল। তাৰ কেইদিনমান পিছতেই তেওঁ অন্তঃসত্তা হৈছিল আৰু সময়ত বিবেকানন্দৰ জন্ম হৈছিল।

আনুষ্ঠানিক বিদ্যা শিক্ষা আৰম্ভ কৰাৰ আগৰে পৰাই বিবেকানন্দই মাকৰ পৰাহে ব্যৱহাৰিক শিক্ষা লাভ কৰিছিল। আন আন সমনীয়া ল'ৰাৰ লগত খেল ধেমালিত ব্যস্ত হৈ কেতিয়াবা দুষ্টালি কৰিলেও পিছমুহূৰ্ততে মাকৰ শাসনৰ ফলত তেওঁ পুনৰ শান্ত হৈ পৰিছিল। লুকা ভাকুৰে আৰম্ভ কৰি ৰজাহৈ, ৰাজসভা পাতি সম্ৰাটৰ অভিনয় কৰা খেলা পৰ্য্যন্ত খেলি আনন্দ লাভ কৰিছিল। দুখীয়া দৰিদ্ৰৰ প্ৰতি তেওঁ আছিল অতি সৰু অৱস্থাৰ পৰাই অনুকম্পা। ঘৰত থকা বস্তু দুখীয়া ভিকহুই খুজিলেই দান দিয়াটো তেওঁৰ এটা স্বভাবেই হৈ পৰিছিল।

"যি মুলা বাঢ়ে তাৰ দুপাততে চিন"। বিবেকানন্দয়ো সৰুৰে পৰা সকলো দিশতে পাৰ্গতালি দেখুৱাই ভৱিষ্যতে যে তেওঁ এক বিশাল ব্যক্তিত্বৰ অধিকাৰী হব পাৰিব তাৰ ইংগিত দিছিল। ইংৰাজী ১৮৭৯ চনত তেওঁ মেট্ৰোপলিটান বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈছিল আৰু পিছলৈ বি. এ. পাচ কৰিছিল। তেওঁৰ প্ৰিয় বিষয় আছিল সংস্কৃত, ইংৰাজী, বুৰঞ্জী। গণিতত তেওঁৰ সিমান ৰাপ নাছিল, কোনো কথাতে ভয় নকৰা, অনুসন্ধিৎসু মনোভাৱে তেওঁক বিদ্যা লাভ কৰাত সহায় কৰিছিল। মাক দেউতাকৰ গোড়ামিৰ বিপক্ষেও তেওঁ সৰু কালৰ পৰাই বিদ্ৰোহ কৰিছিল। মিছাক তেওঁ কেতিয়াও প্ৰশ্ৰয় নিদিছিল।

বিবেকানন্দৰ সময়ৰ সমাজখন আছিল বৃটিছ শাসনাধীন সমাজ। ভাৰতত তেতিয়া ইংৰাজৰেই প্ৰাধান্য। বিবেকানন্দৰ প্ৰথম গুৰু আছিল সদানন্দ, যাৰ প্ৰকৃত নাম আছিল শৰৎচন্দ্ৰ। কিন্তু ৰামকৃষ্ণৰ আকৰ্ষণে তেওঁক উন্মাদ কৰিছিল। সেয়ে তেওঁক লগ পাবলৈ বিবেকানন্দৰ প্ৰবল ইচ্ছা জন্মিল। ইচ্ছা থাকিলে উপায়ো ওলায়। ইংৰাজী ১৮৮২ চনৰ জানুৱাৰী মাহত তেওঁ এইগৰাকী সাধক যোগীক লগ কৰে।

বিবেকানন্দৰ সৰলতা, শক্তিমন্ততা, বিশুদ্ধতা আৰু জ্ঞানগৰ্ভ বচনে সৰুবৰ সকলো লোককে আকৰ্ষণ কৰিছিল। তেওঁ কৈছিল 'যি ধৰ্মই জগতক চিৰকালৰ পৰা মতামত সহ্য কৰাৰ ধৈৰ্য্য আৰু সকলো ধৰণৰ মত স্বীকাৰ কৰাৰ শিক্ষা দি আহিছে, মই সেই ধৰ্মভক্ত বুলি নিজকে গৌৰৱান্বিত অনুভৱ কৰো। " দুখীয়া, নিৰক্ষৰ, ধৰ্মবিমুখ ডেকাচামৰ বাবে চকুপানী টুকি তেওঁলোকৰ উন্নয়ণৰ প্ৰচেষ্টাতো তেওঁ ব্ৰতী হৈছিল। তেওঁ যুৱক - যুৱতীসকলক কৈছিল - " খং নকৰিবা, নিজৰেই সৰ্বনাশ হব, অহংকাৰ নকৰিবা, পতন হব, কাকো ঘৃণা নকৰিবা নিজে ঘৃনিত হবা, ফাঁকি নিদিবা, ফাঁকত পৰিবা"। সদায় সংযমী আৰু বিবেকী হৈহে কাম কৰিবলৈ তেওঁ আমাক উপদেশ দি গৈছে। তেওঁ আৰু কৈছিল - "ভয়েই এই পৃথিৱীৰ সকলো দুখ কষ্টৰ মূল কাৰণ। ভয়েই আমাৰ দুখৰ হেতু।" তেওঁৰ ভাষাত "আমি লোহাৰ মাংসপেশীৰ আৰু তীখাৰ মানুহ হব লাগিব। আমি নিজকে কেতিয়াও সৰু বুলি ভাবিব নালাগে। প্ৰতিগৰাকী লোকেই নিজৰ মাতৃভূমি বা দেশৰ সেৱাৰ লগত জড়িত হোৱা উচিত, যিকোনো কাৰ্য্যৰ জৰিয়তে।

বিবেকানন্দক জন সমাজত প্ৰিয় কৰি তুলিছিল তেওঁৰ সুস্বাস্থ্য, সৎবচন আৰু মহৎ কাৰ্যাৱলীয়ে। অসমলৈ আহিও তেওঁ কামাখ্যা মন্দিৰ দৰ্শন কৰিছিল। তেওঁৰ পবিত্ৰ সন্নিধ্যই মানুহক চৰম মুগ্ধ কৰিছিল আৰু তেওঁৰ উদাৰ বাণীয়ে মানুহক তেওঁৰ হৃদয়ৰ ওচৰ চপাই নিছিল।

বিবেকানন্দৰ মূল দৰ্শন হল - এই বিশ্বচৰাচৰ ব্ৰহ্মাৰেই সৃষ্টি।"যত জীৱ, তত শিৱ।" তেওঁৰ এক মহান বাণী হল - "জীৱে প্ৰেম কৰে সেইজন, সেইজন সেবিছে ঈশ্বৰ।" মাতৃৰ প্ৰতি অসীম ভক্তি থকা বিবেকানন্দই নাৰীৰ শক্তিক দিছিল প্ৰাপ্য মৰ্যাদা। বিবেকানন্দই শিক্ষা সম্পৰ্কে আছিল বৰ সচেতন। তেওঁ জীৱনৰ অধিক সময়ে সন্যাসীৰ দৰে দেশে বিদেশে সত্যৰ সন্ধান আৰু প্ৰচাৰ কৰি ঘূৰি ফুৰাৰ লগে লগেই জনগণৰ মাজত তেওঁ কৰিছিল অনাবিল জ্ঞানৰ প্ৰচাৰ। ১৮৯৮ চনত ভাগিৰথী নদীৰ তীৰত বেলুড় আশ্ৰম প্ৰতিষ্ঠা কৰাৰ উপৰিও বেলুড়মঠ প্ৰতিষ্ঠা কৰি, তাক মুখ্য কাৰ্যালয় হিচাপে লৈ শ্ৰী শ্ৰী ৰামকৃষ্ণ মঠ, মিছন প্ৰতিষ্ঠা কৰিছিল।

এইজনা স্বাৰ্থত্যাগী, চিৰকৌমাৰ্য্য ব্ৰতধাৰী দেশ -সেৱক, বিদ্বান, দাৰ্শনিক সন্ন্যাসীৰ দেহাবসান ঘটে ১৯০২ চনৰ চাৰি জুলাই তাৰিখ বুধবাৰে। মৃত্যুৰ কেইদিনমান আগতে তেওঁ মন্দিৰৰ চাৰিও ফালে ঘুৰি এগৰাকী শিষ্যক এডাল বেলগছ দেখুৱাই দি, তেওঁৰ মৃত্যু হ'লে সেইডালৰ তলতেই সৎকাৰ কৰিবলৈ নিৰ্দেশ দিছিল। শিক্ষা - সংস্কৃতিমূলক কামত, আধ্যাত্মিক আৰু জাতীয়তাবাদী জীৱনী মূলক গ্ৰন্থ ৰচনা আৰু প্ৰকাশ কৰা কাৰ্য্যতে এতিয়াও তেওঁৰ শিষ্যসকলে লাগি থাকি বিবেকানন্দৰ মহৎ আদৰ্শ প্ৰচাৰ কৰাত জড়িত আছে। ✸





# আজিৰ সমাজ আৰু বিকাৰ গ্ৰস্ত যুৱ মানসিকতা

হীৰেন দাস
স্নাতক প্ৰথম বৰ্ষ

কম পৰিসৰৰ ভিতৰত আধুনিক সমাজ, বিকাৰগ্ৰস্ত যুৱ মানসিকতা আৰু সমাজত ইয়াৰ প্ৰভাৱ সম্পৰ্কে পৰ্যালোচনা কৰাটোৱে কঠিন। ৰাতিপুৱা বাতৰি কাকতখন মেলিলেই দেখা পাওঁ মাথোঁ হত্যা লুণ্ঠন, ধৰ্ষণ-নিৰ্যাতন, বিস্ফোৰণ। মুঠতে সমাজৰ ই এক 'ফেচন' হৈ পৰিছে। যাৰ কবলত সত্য-অসত্য, ভাল বেয়াৰ বিচাৰ কৰি চোৱাৰ মানসিকতা যুৱ সমাজ তথা অভিভাবকৰো সময় নোহোৱা হৈ পৰিছে। চাৰিওদিশে অন্যায় অত্যাচাৰে আজিৰ ক্ষুদ্ৰ অসম ছানি ধৰিছে। যাৰ বাবে সু-সাহিত্যিক জ্ঞাননাথ বৰাই আক্ষেপেৰে কৈছে - "আজি যি পিনে চোৱাঁ সেইপিনে অসমীয়া নাই ,অসমীয়া মাত কথা ক্ৰমে শুনিবলৈ নোপোৱা হৈছোঁ। ইয়াতে আমাৰ দুৰ্দশাৰ অন্ত পৰা নাই । চিৰকাল অসমীয়া ভাষা কোৱা কিছুমান মানুহেও আমাৰ প্ৰাচীন দেশখন খণ্ড-বিখণ্ড কৰি আন্দোলন কৰিব লাগিছে । কোনে অসমীয়া ভাষাক ৰক্ষা কৰিব ? কোনে অসমীয়া জাতিক ৰক্ষা কৰিব ?" - সচাই আমাৰ অসমীয়া জাতীয় সত্বা তথা অসমীয়া সাহিত্য সংস্কৃতি ক্ৰমে ধ্বংসৰ গৰাহত নিঃ চিহ্ন হ'বলৈ ধৰিছে।

আজি অতীতৰ ছাত্ৰ ছাত্ৰী নাই। অতীতৰ শিক্ষা ব্যৱস্থা আছিল জ্ঞানমুখী, কিন্তু বৰ্তমানৰ শিক্ষা হৈ পৰিছে পৰীক্ষা মুখী। আজিৰ ছাত্ৰ-ছাত্ৰী সকলে নিজস্ব সাহিত্য সংস্কৃতিৰ প্ৰতি পিঠি দি পশ্চিমীয়া কৃষ্টি সংস্কৃতিত আত্মহাৰা হৈ তেওঁলোকৰ চৰিত্ৰ, নৈতিকতা, আদৰ্শ তথা আধ্যাত্মিকতাৰ পতন ঘটাইছে। চহৰ নগৰটো বাদেই গাওঁ অঞ্চলৰ প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ 'মোবাইল' ফোন অনাটো এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। হৰপল, চিখৰ, মদ, ভাং, ড্ৰাগছ, চিগাৰেট যুৱ সমাজৰ বাবে এক ভিটামিন ঔষধত পৰিণত হৈছে। যাৰ ফলত আজিৰ আধুনিক সমাজত এক বিশৃংখল পৰিৱেশৰ সৃষ্টি হৈছে।

আজি দেশৰ নাগৰিকে দেশত ওলাই সোমাই ফুৰিব নোৱাৰা হ'ল। দেশত বাস কৰা লোকৰ বাক্ স্বাধীনতা নোহোৱা হ'ল। আজি অসম বন্ধ, কাইলৈ ভাৰত বন্ধ, মুঠতে বিভিন্ন সংগঠনে নিজস্ব স্বাৰ্থ সিদ্ধিৰ বাবে দেশৰ বৃহত্তৰ স্বাৰ্থক পিঠি দিছে। অকাৰণত, অকালত বহুতো নৰ-নাৰীয়ে সন্ত্ৰাসৰ বলি হৈ প্ৰাণ আহুতি দিব লগা হৈছে। 'নৰহত্যা' - দেশৰ জাতীয় উৎসৱত পৰিণত হৈছে।

সুন্দৰৰ পুজাৰী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই কৈছিল - "Culture is way of life and the best, art is the art of living." কিন্তু, আজিৰ আবেগ প্ৰৱণ যুৱ সমাজে নিজস্ব জাতীয় সংস্কৃতিক পিঠি দি "জীনছ" পেন্ট পিন্ধি বিহু নাচিবলৈ লৈছে। নিজস্ব কৰ্ম সংস্কৃতিক অসমী আইৰ বুকুত কবৰ দি প্ৰতি বছৰে বিহু ফাংশ্বনেৰে সংস্কৃতিৰ শ্ৰাদ্ধ পাতিবলৈ লৈছে। হৃৎপিণ্ড কঁপোৱা উত্তাল সংগীতেৰে অসমৰ বায়ু প্ৰদূষিত কৰিছে। আজিৰ ল'ৰা ছোৱালীয়ে হিন্দী অথবা ইংৰাজী গান শুনে, ডেন্স কৰে অথবা অৰ্ধনগ্ন পোছাক পৰিহিতা বিজতৰীয়া শিল্পীৰ উদ্দাম নৃত্য উপভোগ কৰে কিন্তু জ্যোতি প্ৰসাদ অথবা বিষ্ণু প্ৰসাদ কোন নাজানে। সেই সিদিনা 'News Live' নামৰ টি ভি চেনেলটোত প্ৰদৰ্শন কৰা 'Yuva Live' অনুষ্ঠানত নিৰ্লজ ভাবে কেইবা গৰাকীয়ো ছাত্ৰ ছাত্ৰীয়ে বিষ্ণু ৰাভা কোন তেওঁলোকে নাজানে বুলি গৌৰবেৰে প্ৰকাশ কৰিলে তেওঁলোকৰ অনুভৱ। কি ঠিক আমাৰ এই অসচেতনতাৰ বাবে এদিন আমি অনাঅসমীয়াক নামকীৰ্তন কৰিবলৈ, বৰগীত গাবলৈ, বিহু মাৰিবলৈ ঠিকা দিব লাগিব।

কিন্তু এটা কথা আমি স্বীকাৰ কৰিবই লাগিব যে বিকাৰ গ্ৰস্ত যুৱ মানসিকতাৰ উশৃংখলতাত অকল যুৱ সমাজেই দায়ী নহয়। ইয়াৰ বাবে দায়ী অভিভাৱক, বিভিন্ন চ ৰকাৰী-বেচৰকাৰী সংস্থা আৰু ৰাজনৈতিক নেতা সকল। কিয়নো, এজন ছাত্ৰৰ এটা মোৱাইল, নতুন এখন বাইকৰ প্ৰয়োজনীয়তা অভিভাৱক সকলে গভীৰ ভাৱে চিন্তা কৰিব লাগিব । ছাত্ৰজনৰ পঢ়া সময়ত মোৱাইলটোৰ, বাইকখনৰ কিহৰ প্ৰয়োজন? - ইত্যাদি কথাবোৰ নভবা নিচিন্তাকৈ কিনি দিলে যুৱ মানসিকতাত উশৃংখল পৰিৱেশ এটা সৃষ্টি হোৱাটো একো ডাঙৰ কথা নহয়। দ্বিতীয়তে, বেচৰকাৰী কিছুমান সংস্থাই তেওঁলোকৰ ক্ষন্তেকীয়া মুনাফাৰ বাবে মদ, ভাং, ড্ৰাগছ আদিৰ দৰে মাৰাত্মক নিচাযুক্ত দ্ৰব্য প্ৰচলন কৰাত যুৱ সমাজত এক বিশৃংখল পৰিৱেশৰ সৃষ্টি হৈছে। গতিকে যুৱ সমাজ তথা ছাত্ৰ-ছাত্ৰীসকলে এইবাৰ বস্তুৰ প্ৰয়োজনীয়তা সম্বন্ধে আধ্যাত্মিক দৃষ্টিভংগীৰে বিচাৰ কৰিব লাগিব। মদ, ভাং, ড্ৰাগছ আদিৰ পৰা সমাজৰ নানা অনুষ্ঠান, প্ৰদৰ্শনী আদিৰ আয়োজন কৰিব লাগে। তেতিয়াহে এই কালৰূপী সামগ্ৰীৰ পৰা

নৱ প্ৰজন্মক উদ্ধাৰ কৰিবলৈ সক্ষম হ'ব। তৃতীয়তে আমাৰ সমাজত দৰিদ্ৰ শিক্ষিত নিবনুৱাৰ বাবেও এক উচ্ছৃংখল পৰিৱেশৰ সৃষ্টি হোৱা বুলি ভাবো। কিয়নো ক্ষুধাতুৰ মানুহ এজনে কোনো কামকে কৰিবলৈ কুণ্ঠাবোধ নকৰে। গতিকে দৰিদ্ৰৰ বাবেও এক শ্ৰেণীৰ লোক বিদ্ৰোহী হৈ পৰিছে। যাৰ বাবে আজিৰ সমাজত বিভিন্ন উগ্ৰপন্থী দ'লৰ সৃষ্টি হৈছে। গতিকে সমস্যাবোৰ সমস্যা বুলি নাভাবি তাৰ সমাধানৰ বাবে ৰাজনৈতিক নেতাসকল সচেতন হোৱাটো নিতান্তই প্ৰয়োজনীয়। তেতিয়াহে কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম ভাৱেৰে সকলো শ্ৰেণীৰ লোকে শান্তিত থাকিব

মাজত বিশ্ব ভাতৃত্বৰ বান্ধোনেৰে বান্ধ পাৰিব। স্বজন আৰু স্বজাতিৰ মাজত বিশ্ব ভাতৃত্বৰ বান্ধোনেৰে বান্ধ খাব। প্ৰতিজন ব্যক্তিয়েই মানবীয় ব্যক্তিত্বৰে সমাজৰ প্ৰগতিত আগবাঢ়ি আহিব।

নহ'লে আমাৰ বৃহত্তৰ অসমীয়া জাতিৰ জাতীয় সত্বা বুৰঞ্জীৰ পাততো বিচাৰি পোৱাটো টান হ'ব। নহ'লে স্বনাম ধন্য প্ৰাক্তন ৰাষ্ট্ৰপতি এ.পি.জে আব্দুল কালামে ভাৰতবৰ্ষক ২০২০ চনত উন্নত ৰাষ্ট্ৰ হিচাপে বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰাৰ যি সপোন দেখিছে সেয়া স্বপ্নও যে কালৰ বুকুত নিঃ চিহ্ন হৈ পৰিব - ই নিশ্চিত।।✸

---

১। বিশ্বজনীন আৰু চিৰন্তন অৱদানেই হ'ল শ্ৰেষ্ঠ সাহিত্যৰ ঘাই গুণ। এনে সাহিত্যই এক বিশেষ দেশৰ আৰু এক বিশেষ যুগৰ দাবী পূৰণ কৰিও সৰ্বযুগৰ, সৰ্বমানৱৰ চিত্ত জয় কৰিবলৈ সমৰ্থ হয়। কিন্তু সকলো যুগতে সকলো দেশতে একে ৰচনাৰ সংখ্যা আঙুলিৰ মূৰত গণি শেষ কৰিব পাৰি। সৰহভাগ ৰচনাই কেৱল সমসাময়িক প্ৰয়োজন বা দাবীহে পূৰ কৰে। শ্ৰেষ্ঠত্বৰ বিচাৰৰ দ্বিতীয়বিধ ৰচনা নিশ্চয় নগণ্য, কিন্তু সামগ্ৰীক প্ৰয়োজনৰ বিচাৰত এনেবিধ ৰচনাৰ মূল্যও যে অপৰিসীম সেই কথা কোৱা বাহুল্য মাথোন। — হোমেন বৰগোহাঞি

২। উৎফুল্লিত অন্তৰে আৰু হাঁহিভৰা মুখে তোমাক যিকোনো প্ৰাৰ্থনাতকৈ অধিক পৰিমাণে ঈশ্বৰৰ ওচৰলৈ নিব পাৰে। — স্বামী বিবেকানন্দ

৩। গতি আৰু বিকাশৰ জৰিয়তেহে মানুহৰ জীৱন উজ্বলি উঠে।

৪। শিক্ষকসকল এডাল মমবাতিৰ দৰে, তেখেতসকলে নিজে জ্বলি আনক পোহৰ দিয়ে। — সুভাষ চন্দ্ৰ বোস

৫। প্ৰথমে নিজৰ ওপৰত শ্ৰদ্ধা, বিশ্বাস ৰাখিব লাগে। তেতিয়াহে আনৰ প্ৰতি শ্ৰদ্ধা, বিশ্বাস ৰাখিব পাৰিবা। — স্বামী বিবেকানন্দ

৬। যদি মূৰ্খই অমৃত দিয়ে তাত থু পেলাই দিয়ক, যদি জ্ঞানীয়ে বিষো দিয়ে তেন্তে খাই দিয়ক — গোৰ্কী

— এডিচন

৭। শিক্ষাই মহৎ অন্তৰত লুকাই থকা ধৰ্ম আৰু পূৰ্ণ গুণ বিকাশ কৰে

৮। সকলো কামতে পৰিকল্পনা আচল কথা। সুস্থিৰ পৰিকল্পনা অবিহনে শক্তি, অৰ্থ সকলো অথলে যায়। — কৃষ্ণকান্ত সন্দিকৈ

৯। প্ৰকৃত প্ৰেম মহাসাগৰৰ দৰে সীমাহীন, এই প্ৰেম এক অন্তৰৰ মাজত উঠা-নমা কৰি আটাইবোৰ সীমা আৰু সীমান্ত অতিক্ৰম কৰি সমগ্ৰ জগতকে আৱৰি ধৰে। — মহাত্মা গান্ধী

— হেমচন্দ্ৰ গোস্বামী

১০। *বিদ্যা তাকহে বোলে যি যুক্তি দিব পাৰে* — চলিত প্ৰৱচন

১১। বিবেক একমাত্ৰ দাপোণ যিয়ে তোষামোদ নকৰে। — বাৰ্ণাৰ্ড শ্ব

১২। আমাক ভাল মানুহ লাগে, ভাল আইন বা আদালতৰ প্ৰয়োজন নাই

১৩। কিতাপ হ'ল যৌৱনৰ খাদ্য, বৃদ্ধকালৰ আনন্দ, সমৃদ্ধিৰ অলংকাৰ, বিপদৰ সান্ত্বনা আৰু আশ্ৰয়, ঘৰৰ আনন্দ আৰু ভ্ৰমনৰ উত্তম সংগী। — চিচিৰো





# সামূহিক অনাতাঁৰ কেন্দ্ৰ ঃ অন্য এক পৰিৱৰ্তনৰ ইংগিত

ফুলমনি দেৱী
স্নাতক প্ৰথম বৰ্ষ

<u>সামূহিক অনাতাঁৰ কেন্দ্ৰ কি</u> ঃ সামূহিক অনাতাঁৰ কেন্দ্ৰ বা Community Radio হ'ল এখন সৰু ঠাইত বাস কৰা জনগোষ্ঠীৰ মনোৰঞ্জনৰ বাবে কাম কৰা কম ক্ষমতা সম্পন্ন অনাতাঁৰ কেন্দ্ৰ। সামূহিক অনাতাঁৰ কেন্দ্ৰবোৰৰ অনুষ্ঠান সূচীবোৰ প্ৰস্তুত কৰোতে স্থানীয় লোকৰ বা সেই অঞ্চলৰ বিশেষ কোনো জনগোষ্ঠীৰ মানুহৰ প্ৰয়োজন হয়।

<u>সামূহিক অনাতাঁৰ কেন্দ্ৰ সম্পৰ্কত উচ্চতম ন্যায়ালয়ৰ ৰায়</u> ঃ ভাৰতৰ উচ্চতম ন্যায়ালয়ে ১৯৯৫ চনতে মহাকাশৰ বিভিন্ন কম্পনাংক সমূহক ৰাজহুৱা সম্পত্তি হিচাপে স্বীকৃতি প্ৰদান কৰে আৰু ইয়াৰ লগে লগে ব্যক্তিগত খণ্ডত অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ পথ মুকলি কৰা হয়। ইয়াৰোপৰি ২০০৩ চনত কেন্দ্ৰীয় তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়ে সামূহিক অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ বাবে ইচ্ছুক অনুষ্ঠান প্ৰতিষ্ঠানবোৰৰ পৰা আবেদন আহ্বান কৰে।

<u>শিক্ষাখণ্ডত সামূহিক অনাতাঁৰ কেন্দ্ৰ</u> ঃ ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ ঘোষণা আৰু কেন্দ্ৰীয় তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়ৰ প্ৰচেষ্টাত ২০০৩ চনৰ শেষৰ ফালে আন্না বিশ্ববিদ্যালয়ে প্ৰথমে সামূহিক অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ অনুজ্ঞা পত্ৰ লাভ কৰে। ৰাজস্থানৰ বনস্থলি মহিলা বিশ্ববিদ্যালয়েও শিক্ষানুষ্ঠানটোৰ ৪০ কিলোমিটাৰ ব্যাসাৰ্ধ সামৰি এক অনাতাঁৰ কেন্দ্ৰ স্থাপনত অগ্ৰসৰ হৈছে।

ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে (IGNOU) ৪০ টা ৮ m অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ অনুমতি লাভ কৰিছে আৰু এইখন বিশ্ববিদ্যালয়ে সম্প্ৰতি অনাতাঁৰ কেন্দ্ৰৰ যোগেদি শিক্ষা ব্যৱস্থাক এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে। বৰ্তমানলৈকে ভাৰতবৰ্ষত প্ৰায় ৬০ টা মান উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে এনে সামূহিক কেন্দ্ৰ স্থাপনৰ বাবে আবেদন কৰিছে। যদিহে এই শিক্ষা প্ৰতিষ্ঠানবিলাকে এনেকুৱা অনাতাঁৰ কেন্দ্ৰ স্থাপনত সক্ষম হয় তেতিয়াহ'লে ভাৰতৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ লগতে দূৰ আৰু মুক্ত শিক্ষা ব্যৱস্থাত এক উল্লেখনীয় প্ৰভাৱ পৰিব। এইখিনিতে উল্লেখ কৰিব পাৰি যে গুজৰাটৰ ভুজ অঞ্চল আৰু কৰ্ণাটকৰ কোলাৰ জিলাৰ এনে ধৰণৰ উদ্যোগে এক ধৰণৰ পৰিৱৰ্তনৰ সূচনা কৰিছে।

আৰম্ভণিতে সামূহিক অনাতাঁৰ কেন্দ্ৰবোৰে ৰাজহুৱা খণ্ডৰ অলইণ্ডিয়া ৰেডিঅ' বা আকাশবানীৰ ট্ৰেন্সমিটাৰ বা ৰিলেচেণ্টাৰবোৰৰ সহযোগত কাম কাজ চলাইছিল।

<u>অসমত এফ.এম.</u>ঃ আজিৰপৰা কিছুবছৰ আগৰ অসমত এফ.এম. বুলি কলে কেৱল ৰাজহুৱা খণ্ডৰ আকাশবাণীৰ এফ. এম.বোৰেহে কাম কৰিছিল। কিন্তু তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়ে সেউজ সংকেট দিয়াৰ পিছত ২০০৬ চনৰ শেষৰ ফালৰ পৰা অসমত ব্যক্তিগত খণ্ডতো এফ. এম. কেন্দ্ৰ গঢ়ি উঠি এক তীব্ৰ আলোড়নৰ সৃষ্টি কৰি দিছে। সম্প্ৰতি অসমত ৯১.৯ মেগাহাৰ্টজত উলালা, ৯২.৭ মেগাহাৰ্টজত বিগ, ৯৩.৫ মেগাহাৰ্টজত এচ আৰু ৯৪.৩ মেগাহাৰ্টজত গপ্ চপ্ নামেৰে এফ. এম. কেন্দ্ৰ গঢ়ি উঠিছে।

<u>গন মাধ্যম হিচাপে অনাতাঁৰ</u> ঃ বহু ভাষা - ভাষীৰ দেশ ভাৰতবৰ্ষ। বিভিন্ন জাতি-উপজাতিৰ বিচিত্ৰতাৰে ভৰা এই দেশত অনাতাঁৰ মাধ্যমটোৱে ইতিমধ্যে গণ মাধ্যম হিচাপে স্বীকৃতি লভিছে। এই খিনিতে উল্লেখযোগ্য যে আমাৰ দেশত ১২ নবেম্বৰৰ দিনটো 'জাতীয় জন সেৱা সম্প্ৰচাৰ দিৱস' হিচাপে পালন কৰা হয়।

ইতিমধ্যে ভাৰতীয় দূৰ সংযোগ বিনিয়ামক কৰ্তৃপক্ষই এই বিষয়ে অলপতে কেন্দ্ৰীয় তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়লৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে আৰু যদিহে এই প্ৰস্তাৱবোৰ ৰূপায়ন হয় তেতিয়াহলে সামূহিক অনাতাঁৰ কেন্দ্ৰৰ ক্ষেত্ৰখনত অভাৱনীয় পৰিৱৰ্তনৰ সূচনা হ'ব বুলি অনুমান কৰিব পাৰি।✸

---

ভুলকৈ জনাতকৈ একো নজনাই ভাল — শ্বেক্সপীয়েৰ

# অসমীয়া সাহিত্য জগতৰ এক অন্যতম প্ৰতিভা

## ড° নিৰ্মলপ্ৰভা বৰদলৈৰ জীৱনৰ ওপৰত এটি চমু আলোকপাত

অৰ্চনা কলিতা

যিগৰাকী নাৰীৰ জ্ঞানৰ আভাই, যাৰ ব্যক্তিত্বই সমগ্ৰ অসমকে মোহিত কৰি ৰাখিছিল, সেইগৰাকী মহীয়সী নাৰীয়ে হৈছে অসমৰ সাহিত্যিক জগতৰ এক অন্যতম প্ৰতিভা ড° নিৰ্মলপ্ৰভা বৰদলৈ। তেওঁ একাধাৰে সুকবি, গীতিকাৰ, সুৰকাৰ, প্ৰবন্ধকাৰ, শিশু সাহিত্যিক, নাট্যকাৰ, ঔপন্যাসিকা আৰু লোক-সংস্কৃতিৰ বিশিষ্ট গবেষিকা আছিল। সাহিত্যৰ সাধনাৰে ওৰেটো জীৱন তেওঁ সেৱা কৰি গ'ল দেশমাতৃৰ।

ড° বৰদলৈৰ জন্ম হৈছিল ১৯৩৩ চনৰ ২০ জুন তাৰিখে শিৱসাগৰৰ পুৰণা আমোলাপট্টিৰ বিখ্যাত সম্ভ্ৰান্ত পৰিয়াল টঙা বৰদলৈৰ বংশত। তেখেতৰ পিতৃ আছিল স্বৰ্গীয় ধৰ্মেশ্বৰ শৰ্মা বৰদলৈ আৰু মাতৃ মুক্তাবালা বৰদলৈ। আদৰ্শবান পৰিয়ালত জন্ম লাভ কৰা ড° বৰদলৈ আছিল ঘৰখনৰ লগতে অঞ্চলৰ সকলোৰে মৰমৰ।

ড° বৰদলৈয়ে আনুষ্ঠানিকভাৱে শিক্ষা জীৱনৰ পাতনি মেলে শিৱসাগৰ ২ নং প্ৰাইমাৰী বালিকা বিদ্যালয়ত আৰু এই বিদ্যালয়ৰ পৰাই অতি মেধাৱী ছাত্ৰী বৰদলৈয়ে অসমৰ ভিতৰত প্ৰথম প্ৰভিঞ্চিয়েল বৃত্তি লাভ কৰিছিল। শিৱসাগৰৰ ফুলেশ্বৰী মাধ্যমিক স্কুলৰপৰা ষ্টাৰ আৰু লেটাৰসহ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ শিৱসাগৰৰ জয়সাগৰ কলেজত নামভৰ্ত্তি কৰে। তাৰপৰা আই. এ. পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ সন্দিকৈ কলেজৰপৰা অসমীয়াত অনাৰ্চ লৈ বি. এ. পাছ কৰে আৰু ১৯৫২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়াত অনাৰ্চ লৈ এম. এ. পঢ়িবলৈ লোৱাৰ লগতে 'Law' তো নাম লগায়। এম. এ. ত সুখ্যাতিৰে উত্তীৰ্ণ হয় যদিও Law আধৰুৱা হৈ ৰয়।

এম. এ. পাছ কৰাৰ পিছতে তেওঁ চাকৰিৰ সন্ধানত নামি পৰে। তেওঁ চাকৰি জীৱনৰ পাতনি মেলে গুৱাহাটী ভেলানাথ বৰুৱা (বি. বৰুৱা) কলেজত ৰাতিৰ অধ্যাপিকা হিচাপে। ১৯৭৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰে আৰু ১৯৯০ চনত জৱাহৰলাল নেহৰু আসনৰ সন্মানিত অধ্যাপিকা পদ লাভ কৰে। সেই সময়তে অসমীয়া বিভাগৰ ৰবীন্দ্ৰনাথ ঠাকুৰ আসনৰ বাবে ইন্টাৰভিউ দিওতেও শীৰ্ষস্থান লাভ কৰিছিল যদিও সেই সময়ৰ উপাচাৰ্য শিক্ষাবিদ ড° দেৱপ্ৰসাদ বৰুৱাৰ অনুৰোধমৰ্মে জৱাহৰলাল নেহৰু আসনতে থাকে আৰু এই আসনৰপৰাই অৱসৰ গ্ৰহন কৰে। ১৯৮৯ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে তেওঁক ৰাষ্ট্ৰীয় অধ্যাপিকা পদ দি সন্মানিত কৰে।

সেই সময়ৰ ব্ৰাহ্মণ সমাজৰ নিয়ম অনুসৰি সংসাৰৰ আওঁ-ভাওঁ বুজি নোপোৱা নিৰ্মল প্ৰভাইও ১১ বছৰ বয়সতে তেওঁতকৈ ২০ বছৰে ডাঙৰ পুৰুষ এজনৰ লগত বিবাহপাশত আৱদ্ধ হয়। কিন্তু তেওঁলোকৰ যুগ্ম জীৱন সুখৰ নহ'ল। মাত্ৰ ১২ বছৰ বয়সতে তেওঁৰ একমাত্ৰ কন্যা সন্তান স্বপ্নাৰ জন্ম হয় আৰু স্বপ্নাক বুকুত বান্ধিয়েই তেওঁ নামি পৰে জীৱন সংগ্ৰামত। জীৱনৰ প্ৰতিটো ক্ষণতে তেওঁক সাহস যোগোৱা দেউতাকৰ উপদেশমৰ্মে তেওঁ নতুন জীৱন গঢ়াৰ বাবে প্ৰস্তুত হয় আৰু পিছৰ জীৱনত কঠোৰ সংগ্ৰামৰ মাজেৰে নিজকে সমাজত এক সফল নাৰী হিচাপে প্ৰতিষ্ঠিত কৰে।

যি মূলা বাঢ়ে তাৰ দুপাততে চিন। ড° বৰদলৈৰ প্ৰতিভা সৰুকালতে তেওঁৰ বিভিন্ন কাৰ্যক্ষেত্ৰৰ মাজেৰে প্ৰতিভাত হৈছিল। সৰুকালতে তেওঁ জৱাহৰলাল নেহৰুৰ বক্তৃতা শুনি মূঢ়াটোকে মঞ্চ সাজি নেহৰুৰ দৰে বক্তৃতা দিয়াৰ চেষ্টা কৰিছিল। তেওঁ সৰুৰেপৰা আছিল মেধাৱী, অধ্যয়নপ্ৰিয়। সৰুকালিতে দেউতাকে তেওঁক বিভিন্ন বিষয়ৰ কিতাপ পঢ়িবলৈ দিছিল যাৰ পৰা তেওঁ লাভ কৰিছিল বিভিন্ন জ্ঞান। তেতিয়াই তেওঁ কাশীনাথ বৰ্মনদেৱে লিখা 'নাৰীৰত্ন' নামৰ কিতাপখন পঢ়িছিল আৰু তাত সন্নিবিষ্ট নাৰীসকলৰ দৰে তেঁৱে নিজকে গঢ়ি তুলিবলৈ সংকল্পবদ্ধ হৈছিল।

ক্লাছ ফ'ৰতেই 'মন্দিৰ' নামৰ কবিতাৰে কবি জীৱনৰ পাতনি মেলা নিৰ্মলপ্ৰভাই সময়ৰ সোঁতত অসমৰ কাব্যিক জগতত অতি চিনাকী, জনপ্ৰিয় হৈ পৰে। ১৯৪২ চনৰ সত্যাগ্ৰহ আন্দোলনৰ ঢৌৱে সমগ্ৰ দেশকে কঁপাই তোলাৰ লগতে কণমানি নিৰ্মলপ্ৰভাৰ মনো কঁপাই তুলিছিল। দেশৰ জনতাৰ মুখত শুনা 'বন্দে মাতৰম' ধ্বনিয়ে নিৰ্মলপ্ৰভাৰ অন্তৰৰ কবিসত্বাক জাগ্ৰত কৰি তুলিছিল আৰু তাৰ ফলস্বৰূপে সৃষ্টি হৈছিল তেওঁৰ প্ৰথম কবিতা 'মন্দিৰ'। তেওঁ শিক্ষা কালছোৱাত বিশ্ব-সাহিত্য অধ্যয়ন কৰিছিল আৰু বিশ্বৰ বিভিন্ন সাহিত্যিকৰ দৰ্শন, আদৰ্শ, প্ৰতিভা, ধাৰণা আদিয়ে তেওঁৰ অন্তৰ স্পৰ্শ কৰিছিল। তেওঁৰ প্ৰিয় কবি আছিল টি. এছ. ইলিয়ট। ইলিয়টৰ সামগ্ৰিক দৰ্শনে তেওঁৰ অন্তৰ স্পৰ্শ কৰিছিল। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ, মহাকবি গ্যেটে আদি বিখ্যাত কবিসকলৰ





অপূৰ্ব শিল্প-কৰ্মৰ প্ৰভাৱো তেওঁৰ ওপৰত পৰিছিল, যাৰ ফলস্বৰূপে সৃষ্টি হৈছিল বহুতো বিখ্যাত কবিতাৰ। তেওঁৰ প্ৰথম কাব্য সংকলন 'বন ফৰিংৰ ৰং' প্ৰকাশ পায় ১৯৫৭ চনত, যত সেই সময়ৰ যুগসন্ধিৰ মানসিকতা প্ৰকাশ পাইছিল। তেওঁৰ দ্বিতীয় কাব্য সংকলন হ'ল 'সমীপেষু'। এই সংকলনৰ কবিতাবোৰ বেছি ভাগেই তীক্ষ্ণভাৱে সমাজ সচেতন আছিল আৰু ভণ্ডামিৰ পৰা সমাজখন উদ্ধাৰ কৰাৰ এক তীব্ৰ আকাংক্ষা ইয়াত প্ৰকাশ পাইছিল। তেওঁৰ তৃতীয় কাব্য সংকলন 'অন্তৰংগ' যাৰ জৰিয়তে তেওঁ পাৰ্থিৱ প্ৰেমৰ অদৃশ্য শক্তিক প্ৰকাশ কৰিছিল। 'দিনৰ পিছত দিন' হৈছে ড° বৰদলৈৰ চতুৰ্থ কাব্য সংকলন। এই গ্ৰন্থখনে অসম সাহিত্য সভাৰ প্ৰতিযোগিতাত অসমীয়া কবিতাৰ শ্ৰেষ্ঠ বঁটা লাভ কৰে। ইয়াৰ পিছৰ কাব্য সংকলন হ'ল ১৯৮৩ চনত সাহিত্য একাডেমী বঁটাপ্ৰাপ্ত 'সুদীৰ্ঘ দিন আৰু ঋতু'। এই গ্ৰন্থত সুদীৰ্ঘ দিনক সামাজিক আৰু মনস্তাত্বিক প্ৰতিক্ৰিয়াশীল উপলব্ধিবোৰৰ প্ৰকাশ দিয়া হৈছে আৰু ঋতুত সন্নিবিষ্ট কবিতাবোৰ বিভিন্ন ঋতুৰ একো একোটা অনুভৱ। তেওঁৰ ষষ্ঠ কাব্য সংকলন হ'ল 'শব্দৰ ইপাৰে শব্দৰ সিপাৰে'। ইয়াৰ মূল কথা হ'ল শব্দৰ ইপাৰে বিচিত্ৰ জগত, শব্দৰ সিপাৰে অনিৰ্ণেয় উপলব্ধি। তাৰ পিছৰ কাব্য সংকলন 'অমিতাভ শব্দ', যাৰ মূল উপজীৱ্য হ'ল শব্দৰ আশ্বৰ্য্যজনক শক্তিৰ উপলব্ধি। 'নিৰ্বাচিত কবিতা' হ'ল ডঃ বৰদলৈৰ আন এখন কাব্য সংকলন। ইয়াৰ উপৰিও তেওঁৰ 'The Dawn' হ'ল ইংৰাজী কাব্য সংকলন আৰু 'বন্দুক কী আৱাজ মে সুৱহ হোতী হে' আৰু 'বসন্তৰ এদিন' হ'ল দুখন হিন্দী কাব্য সংকলন। কবি নিৰ্মল প্ৰভাই তেওঁৰ কবিতাৰ মাজেৰে নিখুঁতভাৱে প্ৰকাশ কৰিছিল সেই সময়ৰ সমাজখনৰ এক নিভাঁজ বাস্তৱ চিত্ৰ। তেওঁৰ সৰল, প্ৰাঞ্জল শব্দৰে ৰচিত কবিতাবোৰে জনসাধাৰণৰ মনত গভীৰ সাঁচ বহুৱাইছিল।

কবি হিচাপে ড° বৰদলৈ যেনেদৰে বিখ্যাত গীতিকাৰ, সুৰকাৰ হিচাপেও তেওঁ সাংস্কৃতিক জগতত অতি জনপ্ৰিয়। তেওঁ লিখা দীপালী বৰঠাকুৰৰ কণ্ঠত প্ৰাণ পাই উঠা 'সোণৰ খাৰু নেলাগে মোক' গীতটো আজিও প্ৰতিজন অসমীয়াৰ জনপ্ৰিয় গীত হিচাপে পৰিগণিত হৈ আছে। ইয়াৰ উপৰিও অসম ৰত্ন ড° ভূপেন হাজৰিকাই গোৱা 'মই বিচাৰিছো হেজাৰ চকুত দীপ্ত সূৰ্য শিখা', 'সীমাৰ সিপাৰে তৃপ্তি আমাৰ', 'মই এই মাটিৰে ল'ৰা', 'ধুমহাত মই থৈ যাওঁ মোৰ গতি', জয়ন্ত হাজৰিকাই গোৱা 'আগলি বতাহে কঁপালে কলৰে পাত', 'মোৰ মিনতি তৰা হয় যদি', দীপালী বৰঠাকুৰে গোৱা 'কোন সেই ৰূপৱতী যায়' 'সোণোৱালী বুটা বছাঁ অসমীয়া পাট', 'অ' মোৰে লাজ লাগে', 'জোনবাই এ বেজী এটি দে', 'হাতো নেমেলিবি ফুলো নিছিঙিবি' আদি জনপ্ৰিয় গীত ড° বৰদলৈৰে অনুপম সৃষ্টি ; যিবোৰ শুনি সহস্ৰ অসমীয়াৰ দেহ-মন শিহৰিত হৈ উঠে। তেখেতৰ গানবোৰক সুৰেৰে প্ৰাণ দিছিল অসমৰ সাংস্কৃতিক জগতৰ অতি পৰিচিত ড° ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, পুলক বেনাৰ্জী, খগেন মহন্ত আদি ব্যক্তিয়ে আৰু গীতবোৰত কণ্ঠদান কৰে উষা মংগেশকাৰ, উদিত নাৰায়ন, ভূপেন হাজৰিকা, দীপালী বৰঠাকুৰ আদিৰ লগতে বহু ন-পুৰণি শিল্পীয়ে। 'শ্ৰীমতী মহিমাময়ী', 'লতি- ঘতি', 'বনৰীয়াফুল', 'উপপথ', 'প্ৰিয়জন', আদি কথাছবিৰ গীতবোৰ ৰচনা কৰিছিল।

'দেৱী', 'শিৱ', আৰু 'সূৰ্য্য' এই তিনিখন গ্ৰন্থ হৈছে নিৰ্মলপ্ৰভাৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ আৰু অসমীয়া সাহিত্য জগতৰ কালজয়ী সৃষ্টি।

ড° বৰদলৈৰ নিজৰ দেশৰ প্ৰতি থকা শ্ৰদ্ধা ভক্তি প্ৰকাশ পাইছিল বিদেশত দিয়া তেওঁৰ বক্তৃতা বিলাকত। ১৯৭৯ চনত আমেৰিকা আন্তৰ্জাতিক সাহিত্য সন্মিলনত তেওঁ নিজৰ পৰিচয় দিছিল এনেদৰে যে, তেওঁ ভাৰতৰ পৰা আহিছে আৰু ভাৰতীয় মানুহৰ আন্তৰিকতা তেওঁলোকৰ বাবে লৈ আহিছে। তেওঁ সিখন দেশৰ পৰা আহিছে যিখন যোগৰ দেশ, গান্ধীজীৰ দেশ, গীতাৰ দেশ, চেতাৰৰ দেশ, য'ত কৰ্মকে ধৰ্ম বুলি কোৱা হয়। তাত তেওঁক সকলোৱে 'ডাৰ্লিং ইণ্ডিয়া' নামে অভিহিত কৰিছিল। ইয়াৰ পিছতো তেওঁ ১৯৮২ চনত জাৰ্মানী, লণ্ডন, ১৯৮৩ চনত জাপান, ১৯৮৬ চনত জাৰ্মেনী, ১৯৯০ চনত চীন, ১৯৯২ চনত মালয়েছীয়া আদি দেশত অনুষ্ঠিত বিভিন্ন আন্তৰ্জাতিক সন্মিলনত যোগদান কৰিছিল।

ড° বৰদলৈ শিশু সাহিত্যিক হিচাপে অকণিৰ মাজত 'নীলা বাইদেউ' নামেৰে অতি পৰিচিত। শিশুপ্ৰেমী ড° বৰদলৈয়ে 'ৰজা', 'বন্ধু', 'সোণবৰণী আই', 'সেউজী সেউজী আই', 'হায় নাৰিকল পিঠা', 'সুৰীয়া মাত', 'সুৰুজমুখী','নতুন ওমলা গীত', আদি গ্ৰন্থ শিশুৰ বাবে লিখিছিল। তেওঁ 'চিল চিল চিলা বাগী চিল মিলা' শিশু উপন্যাসখনৰ বাবে ১৯৫৮ চনত শিশু সাহিত্যৰ ৰাষ্ট্ৰপতি বঁটা লাভ কৰে।

নিৰ্মল প্ৰভাৰ একমাত্ৰ উপন্যাস হ'ল 'জলপদ্ম'। পৃথিৱীৰ বৃহত্তম নদীদ্বীপ মাজুলীৰ সত্ৰ সংস্কৃতিৰ পটভূমিত তেওঁ এই উপন্যাসখন ৰচনা কৰিছিল।

ড° বৰদলৈয়ে '***Treatment of Nature on Assamese poetry***' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁক ১৯৯১ চনৰ অসম সাহিত্য সভাৰ দুধনৈ অধিবেশনৰ সভানেত্ৰী হিচাপে নিৰ্বাচিত কৰা হয়।

'জীৱন জীৱন বৰ অনুপম' বুলি জীৱনক মহীয়ান কৰি তোলা ড° বৰদলৈও এদিন বিশ্ৰাম ল'লে নিষ্ঠুৰ নিয়তিৰ কোলাত। জীৱনটোত নানা বিপদ-বিঘিনিক উলাই কৰি আগবাঢ়ি যোৱা এই মহীয়সী নাৰীগৰাকীয়েই মৃত্যুৰ ওচৰত শিৰনত কৰিলে। ২০০৪ চনৰ ১ জুন তাৰিখে ড° বৰদলৈয়ে বহু বছৰ জুৰি মধুমেহ আৰু বৃক্কৰ ৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ জন্মদিনটো প্ৰেৰণা দিৱস হিচাপে পালন কৰা হয়।

জীৱনৰ প্ৰতিটো ক্ষণত সন্মুখীন হোৱা বাধা বিঘিনিক নেওচি হেলাৰঙে আগবাঢ়ি যোৱা তেওঁৰ জীৱনাদৰ্শই প্ৰভাৱিত কৰি তোলে আমাৰ জীৱন। সেয়ে তেওঁ আমাৰ বাবে চিৰ নমস্য। ✸

# ৰাধিকাৰ সেন্দূৰ

ৰাজীৱ দাস
স্নাতক প্ৰথম বৰ্ষ

সোনকালে আহিবিদেই কিন্তু বেছি দেৰি নকৰিবি। কথাযাৰ ধমকনিৰ সুৰত কলেও ৰচিদাই কোৱা কথাখিনিত কৃষ্ণই এটা বেলেগ সুৰ অনুভৱ কৰিলে।

ঃ হ'বদে,নাহিনো কলৈ যাম। ঐ ৰাধিকা ইফালে আহচোন। দিনটোলৈ এবাৰ তোৰ মুখখন চাই যাওঁ।

কৃষ্ণই তাৰ ঘৈনীয়েকক মাতি দুআষাৰ মান চুপতি মৰা কথা কৈ দিনটোৰ বাবে ওলাই গ'ল। সৰু চহৰখনত সি ৰিক্সা চলায়। অৱশ্যে এতিয়া আৰু সৰু বুলি ক'ব নোৱাৰি।পুলিচ থানা, মহাবিদ্যালয় তিনিখন মহকুমাধিপতি কাৰ্যালয় আদি সকলো মিলি চহৰখনৰ অৱস্থা আগতকৈ ভাল হৈছে।

কৃষ্ণই ৰিক্সাখন লৈ ওলাই গ'ল দিনটোলৈ। ৰচিদাৰ কেইটামান কথা সি ভাবি ভাবি গৈ থাকিল। ৰচিদাই আজি ডাক্তৰৰ ওচৰলৈ যোৱাৰ কথা।যদি ওচৰৰ জেঠীজনীয়ে কোৱা কথা সঁচা হয়। তেন্তে বাঃ সিচোন বাপেকী হ'ব। অঃ তাই আকৌ সেন্দূৰৰ টেমা এটাও অনাৰ কথা কৈছিল।
ঃ ঐ ৰিক্সা বাছষ্টৈণ্ড যাবি?
কলা কোট পৰিধান কৰা মানুহজনৰ আকস্মিক প্ৰস্তাৱত সি ৰাজি হ'ল।

ইফালে এঘাৰমান বজাত ৰচিদাই ওচৰৰ বুঢ়ীজনীৰ লগত মেডিকেললৈ গ'ল। ৰচিদা নম্ৰ আৰু ফুৰ্টিবাজ ছোৱালী। তাই চেল-বেল কৈ কথা কৈ থকাৰ স্বভাৱটো মুঠেই পছন্দ নকৰে। বাটত বুঢ়ীজনীয়ে নিজৰ ঘৰৰ জীৱনৰ সৰুকালৰ ইতিহাস মেলিলে। জাননে ৰচিদা আমাৰ দিনত বোলো এই মেডিকেল, ডাক্তৰ এইবোৰৰ লগত সম্বন্ধ নছিলং। এতিয়াহে ...।

ৰচিদাই কথাষাৰত বৰবেছি গুৰুত্ব নিদিলে। অৱশেষত ডাঃ বিমল চন্দ্ৰই এটি চিন্তাৰ ওৰ পেলালে। ৰচিদাৰ গাত লেঠা। ডাক্তৰজনে প্ৰেচক্ৰিপচনখন ৰচিদাৰ হাতত দিলে। ৰচিদাই বুঢ়ীৰ প্ৰয়োজন অনুভৱ কৰিলে। বুঢ়ীক তাই দুপৰীয়া ভাত খাবলৈ কলে।

ৰচিদা। কৃষ্ণৰ কাৰণে তাই ৰাধিকা। প্ৰথমতে, কৃষ্ণৰ বন্ধুবোৰে তাইক জোকাইছিল ৰাধিকা বুলি। বিয়াৰ পিছত কিন্তু সকলোৰে বাবেই তাই ৰাধিকা হৈ পৰিল। অৱশ্যে ৰচিদা বুলি মাতিলেও তাই বেয়া নাপায়। তোলপাৰ লগাই দিছিল কৃষ্ণই। সমাজ খনৰ মানুহবোৰৰ মাজত। সিদিনা, যিদিনা সি পলুৱাই আনিছিল মুছলিম ছোৱালী ৰচিদা বেগমক। কাজিয়াৰ সুত্ৰপাত হৈছিল। কিন্তু ৰচিদাই দোষবোৰ নিজে মূৰপাতি লোৱাত মুছলিম ল'ৰা কেইজন উভতি গৈছিল।

কৃষ্ণৰ মাক দেউতাক সৰুতে ঢুকাইছিল এটি বাছ দুৰ্ঘটনাত। সেই তেতিয়াৰ পৰাই, পোন্ধৰ বছৰ বয়সীয়া কৃষ্ণই ৰিক্সাখনকে বাছি লৈছিল জীৱিকাৰ পথ হিচাপে। আজি ছয় বছৰে সি ৰিক্সা চলাই আছে। ৰাতিপুৱা পাঁচ বজাত ওলাই যায়, উভতি আহোতে সাত, আঠ, ন কেতিয়াবা দহ, এঘাৰ বাজে। লগ সমনীয়াৰ লগত থাকি আৰু কেতিয়াবা বিকাৰত সি মদ খাইছিল। কিন্তু সদায় নহয়।

মুছলিম চুবুৰীটোলৈ সি সদায় ৰিক্সা লৈ গৈছিল। ৰহমান ছাৰক আনিবলৈ আৰু স্কুলৰপৰা ঘৰত থবলৈ। সি সদায় দেখা পাইছিল ৰচিদাক। চুবুৰীটোত সোমোৱাৰ লগে লগেই ৰচিদাৰ ঘৰ। সি ৰচিদাৰ লগত চিনাকী হৈছিল আৰু দিন যোৱাৰ লগে লগে দুয়ো সোমাই পৰিছিল এক অদৃশ্য বান্ধোনত। কেতিয়াবা তাৰ পলম হৈছিল। দহ মিনিট ৰচিদাই তালৈ বৈ আছিল কেকুঁৰিটোত। সি ৰহমান ছাৰক মিছা মাতিছিল।
ঃ ছাৰ, বাছষ্টৈণ্ডলৈ ভাড়া এটা ৰাতিপুৱাই লৈ গ'লো। কিন্তু কি যে অঘটন, লগৰ এজনৰ এক্‌চিডেণ্ট।
ঃ হয়নে? পিছে মেডিকেললৈ নিলিনে?

কৃষ্ণই বৰ ভালদৰে চাৰৰ কথাৰ উত্তৰ দিব নোৱাৰে। কিছুদিনৰ পিছত সি ধৰা পৰে, ৰহমান চাৰৰ হাতত। ৰহমান চাৰে বাধা নিদিলে। মিলন হ'ব দুই জাতিৰ। মিলনত বাধা কিহৰ? কিয় বাধা? এনেদৰেই কৃষ্ণ আৰু ৰচিদা এক হৈছিল। লাহে লাহে পশ্চিমৰ আকাশত বেলিটিয়ে হেঙুলী আভাৰে আগজাননী দিছিল। কৃষ্ণৰ আজি ৰাধিকালৈ মনত পৰিছিল বৰকৈ। কিয় বাৰু আজি ইমানকৈ মনটো বেয়া লাগিছে। সদায়টো সি ৰাধিকাক কাষত পাই আহিছে। সি ঘৰলৈ যোৱাৰ যো-জা কৰে। দোকানলৈ গ'ল দৈনিক ৰেচনখিনি লবলৈ । মনত পৰিল, আজি ৰাধিকাই তাক সেন্দূৰৰ টেমা এটা নিয়াৰ কথা কৈছিল। বাকী বস্তুবোৰ কিনাৰ আগতে কৃষ্ণই সেন্দূৰৰ টেমাটো ল'লে। সেন্দূৰৰ টেমাটো কিনাৰ বাবে আজি তাৰ মাছ কিনিবলৈ অলপ টকাৰ নাটনি হ'ব।

তেতিয়া প্ৰায় ৬ বাজি ৩০ মিনিটমান গৈছিল। ৰচিদাৰ আজি বৰ আনন্দ। তাইযে মাক হ'বলৈ ওলাইছে। আৰু কৃষ্ণ বাপেক হ'ব। ৰচিদাই ভাবিবলৈ ধৰিলে। সিহঁতৰ প্ৰথম সন্তান বা কাৰ দৰে হয়। মাকৰ দৰে নে দেউতাকৰ দৰে। যদি তাইৰ দৰে হয় হিন্দু সমাজখনে কিন্তু বৰ ভাল নাপাব। কৃষ্ণৰ অৱশ্যে সেইবোৰলৈ কোনো চিন্তা নাই আৰু যদি কৃষ্ণৰ দৰে হয়। তেন্তে তাই বাটৰ মানুহৰ মুখৰ ঠাট্টা-বিদ্ৰুপবোৰ শুনিব লগা ন'হব। তাই কৃষ্ণৰ দৰেই যাতে সিহঁতৰ প্ৰথম সন্তান হয় তাৰ বাবে ভগৱানৰ ওচৰত, আল্লাৰ ওচৰত প্ৰাৰ্থনা জনালে। তাই জানে যি ক'ৰে সকলো সেই জনেই কৰিব।

কৃষ্ণই দোকানৰ পৰা ওলাই সৰু ৰাস্তাটোৰে আগবাঢ়িল। অলপ গ'লেই কেকুঁৰীৰে সৈতে ৰাষ্টীয় ঘাইপথটো। কেকুঁৰীটো পাৰ হৈ কৃষ্ণই ৰাষ্টীয় ঘাইপথত উঠিছিলহে মাত্ৰ। হঠাৎ সোফালৰ পৰা অহা তীব্ৰবেগী বাছ এখনে তাৰ ৰিক্সাত খুন্দা মাৰিলে। বাছখন ইমান তীব্ৰবেগী আছিল যে কৃষ্ণ বাওঁফালে বাগৰি পৰাৰ পিছত ৰিক্সাৰ হেন্দেল ভাজ লগাই পৰি থকা কৃষ্ণৰ গাৰ ওপৰেৰে পাৰ হৈ গ'ল। কৃষ্ণই কিবা এটা ক'বলৈ চেষ্টা কৰিছিল। কিন্তু ..........? লগে লগে স্তব্ধ হৈ গ'ল এখন নাওঁৰ বিৰামহীন যাত্ৰা। শেষ হৈ গ'ল এগছি আশাৰ বন্তিৰ শলিতা আৰু তেল।





## চুটিগল্প

চুটিগল্প হৈছে এনে এবিধ কথাশিল্প য'ত গল্পকাৰে তেওঁৰ বক্তব্য বিষয় অতি নিপুণতাৰে প্ৰকাশ কৰি তাক এক নিটোল শিল্পকৰ্মত ৰূপ দিয়ে আৰু ই লেখকৰ বক্তব্য পাঠকক হৃদয়ঙ্গম কৰোৱাৰ উপৰিও এক নন্দনতাত্ত্বিক আনন্দ দিব পাৰে।

# মৌন উত্তৰ

দিগন্ত হা৲ৈ
স্নাতক প্ৰথম বৰ্ষ

ঃ ইন্টাৰভিউ দিলি?
ঃ দিলো দেউতা।
ঃ কেনে হ'ল?
ঃ ভালেই হৈছে।
ঃ চাকৰিটো পোৱাৰ আশা কিমান ?
ঃ অফিচাৰজনৰ মতেতো চাকৰিটোৰ বাবে মই সম্পূৰ্ণ যোগ্য।
- অজিতে গৰ্বেৰে ক'লে।
ঃ চাকৰিটো যদি হয় দৰমহা কিমান পাবি? - ৰুগ্ন দেউতাকে এইবাৰ বিচনাৰ পৰা অকনমান হাউলি অজিতৰ চকুলৈ চাই প্ৰশ্ন কৰিলে।
ঃ পাঁচ হাজাৰৰ পৰা ছয়হাজাৰৰ ভিতৰত ।- অজিতে প্ৰায় অৰ্থত উত্তৰটো দিলে।
ঃ ফলাফল কেতিয়া ওলাব? - দেউতাকে উৎসাহেৰে সুধিলে।
ঃ প্ৰায় এমাহমান পিছত দিব বুলি কৈছে। - অজিতে দেউতাকক ধাৰণা এটা দিলে।
ঃ যা এতিয়া শুই থাকগৈ।

দেউতাকৰ কথাত অজিতে তেওঁৰ কাষৰপৰা উঠি পাকঘৰলৈ গ'ল। মাকে সাজি দিয়া ভাতকেইটা খাই ভনীয়েক মণিৰ লগত প্ৰয়োজনীয় কথাখিনি কৈ সি শুবলৈ গ'ল। দিনটোৰ পৰিশ্ৰমৰ ফলত বিচনাত পৰাৰ পিচতে সি টোপনি গ'ল।

মাক দেউতাকৰ মৰমৰ পুত্ৰ অজিত । পৰিয়ালটোত তাৰ উপৰিও ভনীয়েক এজনী আছে। অজিতহঁতৰ ঘৰৰ অৱস্থা অতি শোচনীয়। দেউতাকে একমাত্ৰ উপাৰ্জনৰ সম্বল ৰিক্সাখন চলাইয়ে সিহঁতক পোহপাল দি আছিল। ৰিক্সা চলাইয়ে তেওঁ ল'ৰা-ছোৱালী দুয়োটাক স্কুলত নাম লগাই দিছিল। অজিত শ্ৰেণীৰ বৰ চোকা লৰা আছিল। শ্ৰেণীৰ শিক্ষকে দেউতাকক কষ্ট কৰি হলেও অজিতক পঢ়াব সুবিধা দিবলৈ কৈছিল। তেওঁ তাৰ চেষ্টাত অকনো ত্ৰুটি কৰা নাছিল। শিক্ষকে কৈছিল যে সি নিশ্চয় ভালদৰে মেট্ৰিক পাছ কৰি স্কুলৰ লগতে গাৱঁলৈ সুনাম কঢ়িয়াব পাৰিব। স্কুলৰ চেষ্টাত দেউতাকৰ চেষ্টাত সঁচাকৈ অজিতে পৰীক্ষা ভালদৰে দিছিল। প্ৰায় আঢ়ৈ মাহমান পিছত তাৰ পৰীক্ষাৰ ৰিজাল্ট ওলাইছিল। সি ৭২ শতাংশ নম্বৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। সেই দিনটোৰ স্মৃতি অজিতে কেতিয়াও পাহৰিব পৰা নাছিল। অজিতে যেতিয়া স্কুলৰপৰা ৰিজাল্ট লৈ আহি ঘৰ সোমাইছিল তেতিয়া মাকে বাৰান্দাৰ খুটা এটাত আউজি তালৈ অপেক্ষা কৰি আছিল। সি মাকক খবৰটো দিওঁতে মাকৰ চকুৰপৰা দুধাৰি আনন্দৰ চকুলো নিগৰি পৰিছিল। ওচৰ চুবুৰীয়াই তাক আশীৰ্বাদ দিবলৈ আহি যেতিয়া দেউতাকক এডমিছনৰ কথা সুধিছিল তেতিয়া দেউতাকে আনন্দতে চিঞৰি উঠিছিল- 'মোৰ ল'ৰাৰ এডমিছনৰ বাবে দৰকাৰ হলে মই লোকৰ ওচৰত হাত পাতিম। নাখাই হলেও তাক মই পঢ়ুৱাম আৰু এদিন সমাজৰ প্ৰশংসাৰ পাত্ৰ কৰি তুলিম। আৰু সেই দিনাই অজিতে মনে মনে প্ৰতিজ্ঞা কৰিছিল যে সি দেউতাকৰ কথা ৰাখিব আৰু দুখীয়া পৰিয়ালটোলৈ আশাৰ ৰেঙনি কঢ়িয়াব। স্কুলৰ সহযোগত,গাৱঁৰ মানুহৰ আশীৰ্বাদত দেউতাকে অজিতক কলেজৰ বিজ্ঞান শাখাত নামভৰ্ত্তি কৰি দিছিল। প্ৰতিবছৰে ভাল ৰিজাল্ট কৰি এদিন সচাঁকৈয়ে সি বি. এচ. চি. (B. Sc) পাছ কৰিছিল। চাকৰিৰ সুযোগ পাইছিল যদিও টকা ভেঁটি দিব নোৱাৰাৰ বাবে সি তাৰ পৰা বঞ্চিত হৈছিল। সি নিজক, তাৰ শিক্ষাক ধিক্কাৰ দিছিল। তথাপিও সি চাকৰিৰ চেষ্টা এৰি দিয়া নাছিল।

কালৰ কি নিষ্ঠুৰ পৰিহাস! ঘৰখনৰ প্ৰাণীকেইটাৰ প্ৰাণ সজীৱ কৰি ৰখা অজিতৰ দেউতাকে এদিন সঁচাকৈয়ে অচিন ৰোগত আক্ৰান্ত হৈছিল আৰু ৰিক্সা এৰি বিচনাৰ সংগী হ'বলগীয়া হৈছিল। প্ৰথমদিনা দেউতাকক ফাৰ্মাচীলৈ অজিতেই লৈ গৈছিল। ডাক্তৰে কেইটামান পিল দি কৈছিল, "এইকেইটাত নকমিলে একশ পাঁচ টকা দামৰ বেজি প্ৰতিদিনে এটাকৈ দিব লাগিব।" একশ পাঁচ টকা প্ৰতিদিনে সহজলভ্য নাছিল যদিও সৰ্বস্ব বিক্ৰী কৰি হ'লেও দেউতাকক চিকিৎসা কৰিছিল; কিন্তু দেউতাক অকনো সুস্থ হোৱা নাছিল। মাকে ইঘৰ-সিঘৰত কাম কৰি সিহঁত কেইটাক কোনোমতে জীয়াই ৰাখিছিল খাদ্যৰ অভাবৰ পৰা। অজিতে পাৰ্যমানে ঘৰৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিছিল। কিয়নো সি দেউতাকৰ চিকিৎসাৰ বাবে টকা দিয়াতো দূৰৰে কথা আনকি সি নিজৰ ভাতমুঠিও নিজে উপাৰ্জন কৰিব পৰা নাছিল ।এদিন ৰুগীয়া দেউতাকে তাক ওচৰলৈ মাতি নি সুধিছিল, "ধন তই যদি কেৱল চাকৰিৰ ওপৰতে ভৰষা কৰি

বাহিৰা কাম-বন একো নকৰ তেনেহ'লে মোৰ অবিহনে মায়েৰা ভনীয়েকক চাব কোনে? এনেকৈ জানো তই মনিক বিয়া দিব পাৰিবি? মই এই সংসাৰত আৰু বেছিদিন নাথাকো। সচাঁকৈ ক'চোন মোৰ মৃত্যুৰ আগতে তই জানো উপাৰ্জনৰ পথ এটা উলিয়াই ল'ব পাৰিবি?"- কথাখিনি কওঁতে দেউতাকৰ চকুৰপৰা দুটোপাল চকুলো সৰি পৰিছিল। অজিতে দেউতাকক একো উত্তৰ দিব পৰা নাছিল। সি বিষন্ন মনেৰে দেউতাকৰ কাষৰপৰা উঠি আহিছিল। দেউতাকৰ সেই আবেগ-বিহ্বল প্ৰশ্নটোৱে তাৰ হৃদয়ত নিগাজিকৈ আসন পাতি লৈছিল। তাৰ দেউতাকলৈ খুউব খং উঠিছিল - দেউতাকে তাক ইমান শিক্ষাৰে শিক্ষিত কৰিলে কিয়? শিক্ষা ন'হলে অন্ততঃ লাজ নামৰ ব্যাধিটোৱে তাৰ হৃদয়ত কেতিয়াও স্থান নাপালেহেতেন। তেতিয়া সি দিন হাজিৰা বা দেউতাকৰ ৰিক্সাখনকে সাবটি ল'বলৈ কুণ্ঠাবোধ নকৰিলেহেতেন।

শয্যাশায়ী দেউতাকক সিদিনাৰ প্ৰশ্নটোৰ এটি সঠিক উত্তৰ দিব পাৰিব বুলিয়ে সি বিমলৰ মুখত ইন্টাৰভিউটোৰ খবৰ পাই আকৌ উধাতু খাই ল'ৰি গৈছিল।

এনেদৰে প্ৰায় এমাহমান গ'ল। দেউতাকৰ অসুখো দিনে দিনে বৃদ্ধি পাবলৈ ধৰিলে। মাকে অনবৰতে দেউতাকৰ লগতে লাগি থাকে। মানুহজনীয়ে খোৱা লোৱা একেবাৰে পাহৰিলে। আনদিনাৰ দৰে সিদিনাও মাকে মন্দিৰৰ পৰা ওলাই দেউতাকৰ শয্যাৰ কাষলৈ গ'ল। অজিতে তেতিয়া বাটলৈ বুলি ওলাই গৈছে। অজিতে লক্ষ্য কৰিলে ৰাস্তাত মানুহৰ আহ-যাহ খুউব কম। এমাহ আগতে দি অহা ইন্টাৰভিউটোৰ কথা পুনৰ তাৰ মনলৈ আহিল। সি চিন্তা কৰিলে এইবাৰ যদি তাৰ কোনো সংস্থাপন নহয় তেতিয়াহলে সি আৰু কেতিয়াও দেউতাকৰ সেই প্ৰশ্নটোৰ উত্তৰ বিচাৰি নাপাব। হঠাৎ মাকৰ বিকট চিঞৰ তাৰ কাণত পৰিল অজিতে মাকৰ ক্ৰন্দন অনুসৰণ কৰিয়ে দৌৰি দেউতাকৰ শয্যাৰ কাষলৈ গ'ল। হয়,সি ঠিকেই অনুমান কৰিছে,দেউতাক আৰু এই পৃথিৱীত নাই। তাৰ কোনো উত্তৰলৈ দেউতাকে আৰু অপেক্ষা নকৰিলে। মাক আৰু ভনীয়েক মনিয়ে কান্দি কান্দি প্ৰায় অৱশ হৈ গৈছে। ইজন-সিজনকৈ গাওঁৰ মানুহেৰে সিহঁতৰ চোতাল ভৰি পৰিল। গাৱৰ মানুহে মৃতদেহটো বাহিৰলৈ উলিয়াই আনিলে। তেতিয়া মাকৰ প্ৰায় অচেতন অৱস্থা। মনিক কোনোমতে বান্ধৱী কেইগৰাকীয়ে ধৰি ৰাখিছে। অজিতৰ আৰু কোনোমতে মৃত দেউতাকৰ মুখলৈ চাবৰ সাহ ন'হল। তাৰ নিজকে বৰ ঘিন লাগিল। দেউতাকৰ মৃত্যুৰ আগতে সি তেওঁক তাৰ সংস্থাপনৰ পথ এটা সঁচাকৈ দেখুৱাব নোৱাৰিলে।

অসহ্য বেদনা আৰু হতাশাত জৰ্জৰিত মনটোৰে সৈতে তাৰ ভৰি দুখন নিজৰ অজ্ঞাতে বাটৰ পিনে অগ্ৰসৰ হ'ল। চিন্তাৰ অটল গৰ্ভত ডুব গৈ থকা অৱস্থাতে কাষৰ চাইকেলৰ শব্দ শুনি চিন্তাৰ জালখন কোনোমতে ফালি অজিতে বাস্তৱলৈ ঘূৰি আহিল। এয়া ৰামেশ্বৰ পিয়নে তালৈ কি আগবঢ়াই দিছে। সি প্ৰায় জঠৰ হৈ যোৱা হাতখন কোনোমতে তুলি কাগজখন হাত পাতি ল'লে। নিজকে কোনোমতে চম্ভালি সি সেইখন খুলি চালে। সৰগ পৰা মানহৰ দৰে অজিতে কাগজখনলৈ একেথৰে চায়েই থাকিল। অজানিতে তাৰ মুখৰপৰা এটা অস্পষ্ট শব্দ ওলাই আহিল - এপইন্টমেন্ট লেটাৰ; হয় তাৰ চাকৰিৰ এপইন্টমেন্ট লেটাৰ। অহা মাহৰ এক তাৰিখে জইন কৰাৰ নিৰ্দেশ। অজিতে তাক বিশ্বাস কৰিবলৈ টান পালে। দেউতাকৰ চিন্তাযুক্ত প্ৰশ্নটোৰ সঠিক উত্তৰ এটা সি সচাঁকৈয়ে পাই গ'ল। ইফালে আনন্দ আৰু সিফালে বিষাদৰ সংমিশ্ৰনেৰে তাৰ গালেৰে দুধাৰি তপত অশ্ৰু বৈ আহিল। কোনোমতে নিজকে সংযত কৰি সি ঘৰলৈ,মৃত দেউতাকৰ ওচৰলৈ উভতি আহিল। আৱামেৰে শুই থকা মৃত দেউতাকক তাৰ চিঞৰি চিঞৰি সিদিনাৰ কথাষাৰৰ উত্তৰ দিবলৈ মন গ'ল,-

"দেউতা মই সঁচাকৈ উপাৰ্জনৰ পথ এটা উলিয়াই লৈছোঁ। তুমি সোনকালেই আৰোগ্য হৈ উঠিবা। প্ৰয়োজনীয় ঔষধ কিনিবলৈ আৰু চিন্তা কৰিব নালাগে। কিন্তু তুমি আৰু আনৰ দৰে ৰিক্সা চলাব নোৱাৰা। কিয় জানা,তোমাৰ ল'ৰাই যে এতিয়া চাকৰি কৰে। মাৰ কথা তুমি চিন্তা কৰিব নালাগে। মাক আৰু আনৰ ঘৰত কাম কৰিব নিদিও। আৰু শুনা,তুমি যে সুধিছিলা মনিক কেনেকৈ বিয়া দিম,তাৰ ব্যৱস্থা হৈ গৈছে দেউতা। তাইলৈ ভাল দৰা আহিব। এইবাৰ কিন্তু মই কৈ দিছো তুমি আৰোগ্য হ'লেই প্ৰথমতে আমি মনিৰ বিয়াখন পাতিম। তোমাক কথা দিছো মনিক বিয়া নিদিয়াকৈ মই কোনো ছোৱালীকে পত্নীৰ মৰ্যাদা নিদিওঁ।তুমি মাত্ৰ আৰোগ্য হোৱালৈ ধৈৰ্য্যৰে অপেক্ষা কৰা দেউতা ...................।"

......................... লাহে লাহে অজিতে চকুৰে একো নেদেখা হৈ আহিল সি ......................... বিমলৰ গাত ঢলি পৰিল। বিমলে দাঙি নি তাক বিচনাত শুৱাই দিলে......................।।

১। যাৰ আত্ম বিশ্বাস নাই, সি বাছি থকাৰ কোনো উদ্দেশ্য নাই।

— স্বামী বিবেকানন্দ

২। বন্ধুত্ব এটা তৰমুজৰ দৰে। কাৰণ ভাল তৰমুজ এটা পাবলৈ হ'লে এশটা ফালি চাব লাগে।

— ক্লাডে ফাত্ৰ ফেট।





# অন্ধকাৰ

মিছঃ নুৰজাহান ৰাজখানাম
স্নাতক প্ৰথম বৰ্ষ

ৰাতিপুৱা সাত বাজিছে। অইন দিনৰ নিচিনাকৈ আজিও মানুহজন হেমেনৰ দোকানলৈ আহিল। সদায় লোৱাৰ দৰে আজিও এটা পাউৰুটি, অলপ চেনি, চাহপাত লৈ তেওঁ ঘৰলৈ গ'ল-। ঘৰ মানে ভাৰাঘৰ। এটা কোঠাযুক্ত তেওঁৰ ভাৰাঘৰ। পেঞ্চনৰ টকাৰে তেওঁৰ চলি যায়। পৰিয়াল বুলিবলৈ তেওঁৰ কোনো নাই। এইবোৰ বহুত বিষাদৰ কথা। মানুহজনৰ নাম হ'ল অংশুমান হাজৰিকা। হাজৰিকাৰ বয়স প্ৰায় ৫৪ৰ পৰা ৫৯ৰ ভিতৰত হ'ব। হাজৰিকা বৰ ভদ্ৰ, নম্ৰ, স্ফুৰ্তিবাজ আৰু আশাবাদী আছিল। কিন্তু তেওঁৰ জীৱনৰ সুখ, আশা, হাঁহি ধেমালি আদিৰ চাকি নুমাই যেন তেওঁৰ জীৱনলৈ অন্ধকাৰ নামি আহিল। এতিয়া তেওঁৰ জীৱনৰ একমাত্ৰ সংগ হৈছে এই বিয়েৰৰ বটলকেইটা। এই বিয়েৰৰ বটলৰ অবিহনে তেওঁক চাৰিওফালৰপৰা আৱৰি ধৰিছে অন্ধকাৰ..........মাথো ঘোৰ অন্ধকাৰ। কিয় বাৰু এনে হ'ল? আজি আৰু এই কথা ভাবিলে হাজৰিকাৰ অন্তৰে হাহাকাৰ কৰি উঠে। তেওঁৰ এই নীৰব বেদনাৰ কথা কোনেনো বুজিব পাৰে। তেওঁ সিদিনা মোক গুৱাহাটীত ল'গ পাই তেওঁৰ জীৱনৰ কথা মোক এনেদৰে কৈছিল-

১৯৮১ চনৰ কথা। হাজৰিকাই পঢ়া শেষ কৰি চাকৰিৰ কাৰণে ঘূৰি ফুৰিছিল। তেওঁৰ এজন চাকৰিয়াল মোমায়েক আছিল। তেওঁৰ নাম আছিল ৰাকেশ হাজৰিকা। ৰাকেশ হাজৰিকাই গুৱাহাটীত থাকে। অংশুমান হাজৰিকাই পঢ়া শেষ কৰি চাকৰি বিচাৰি মোমায়েকৰ লগত গুৱাহাটীত আহিছিল। এনেকৈ কেইবাটাও ইন্টাৰভিউ দিয়াৰ পিছত অৱশেষত তেওঁৰ ১৯৮৫ চনত তেওঁৰ চাকৰি হ'ল। এজন হাইস্কুলৰ শিক্ষক ৰূপে। এই খবৰটো তেওঁ প্ৰথমতে তেওঁৰ প্ৰেয়সী আমিসাক দিছিল। তাৰ পিছত তেওঁৰ গাওঁৰ ঘৰত থকা মাক-দেউতাক, ভাই- ভনীয়েকলৈ খুব আনন্দেৰে পঠাইছিল। সকলোৱে এই খবৰ পাই খুব আনন্দিত হৈছিল। ইয়াৰ পিছত তেওঁ খুব নিয়াৰিকৈ তেওঁৰ কাম কৰি গৈছিল। ইয়াৰ পিছত আহিল তেওঁৰ বিয়াৰ কথা। চাকৰি, হিয়া-দিয়া-নিয়া মানে বিয়া কি আনন্দৰ কথা। সকলোৱে সহযোগত ১৯৮৭ চনত তেওঁ আগতেই নিজে পচন্দ কৰি থোৱা আমিসাক বিয়া কৰায়। ভগবানে সকলো দিশৰ পৰাই সকলো বস্তু ভালেই যেন হাজৰিকাক কালক্ৰমত ১৯৯০ তেওঁৰ একমাত্ৰ কন্যা সন্তান হিয়াৰ বৰ উলহ- মালহেৰে পতা হৈছিল জন্ম উৎসৱ। কিন্তু.........। কিন্তু বুলি কৈ মানুহজন হঠাৎ বৈ গ'ল। এটা হুমুনিয়াহ কাঢ়ি তেওঁ পুনৰ কৈছিল।

হিয়াৰ বয়স মাত্ৰ তিনি বছৰ হওঁতেই সকলোকে দুখৰ সাগৰত পেলাই এই সংসাৰৰ পৰা চিৰ বিদায় লৈছিল হিয়াৰ মাক আমিসাই। পত্নীৰ আকস্মিক মৃত্যুই হাজৰিকাৰ অন্তৰত বৰ দকৈ আঘাত কৰিছিল। তেওঁৰ মৰো মৰো যেন অনুভৱ হৈছিল। কিন্তু হিয়াৰ মুখলৈ চাইয়েই তেওঁ জীয়াই থাকিল। তেওঁ আৰু দ্বিতীয় বিবাহৰ কথা অনুভৱ নকৰিলে। হিয়াক মানুহ ৰূপেগঢ়াই আছিল তেওঁৰ একমাত্ৰ লক্ষ্য। তেওঁ কল্পনা কৰিছিল যে হিয়া এজনী ভাল শিক্ষিতা ছোৱালী হ'ব, সমাজলৈ গৌৰব কঢ়িয়াই আনিব, সমাজৰ নিৰক্ষৰ লোকসকলৰ মাজত জ্ঞানৰ পোহৰ বিলাব। এই সকলোবিলাক কল্পনা কৰিয়েই হাজৰিকাই হিয়াক ছয় বছৰ বয়সত স্কুলত নাম লগাই দিছিল। সৰুৰেপৰাই পঢ়া শুনাত তাইৰ বৰ ৰাপ আছিল। পঢ়াৰ বাহিৰেও, তাইৰ ছবি, সংগীত নৃত্য, সাহিত্য আদিতো বৰ ৰাপ আছিল। তাই সেইবোৰত পাৰদৰ্শিতা দেখুৱাই সুনামো অৰ্জন কৰিছিল। এনেকৈয়ে এদিন তাই মেট্ৰিক পৰীক্ষাত আটাইকেইখন বিষয়তে লেটাৰ মাৰ্ক সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। তাইৰ পৰীক্ষাৰ ফলাফলে অংশুমান হাজৰিকাৰ মনৰ সকলো বিষাদ যেন নিমিষতে দূৰ কৰি দিছিল। ইয়াৰ পিছত হিয়াক উচ্চ শিক্ষাৰবাবে কটন কলেজলৈ পঠাইছিল। কটন কলেজত হিয়াই বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰিছিল। তাই তাৰ হোষ্টেলত আছিল। কিন্তু হঠাৎ এদিন........।

তেওঁ পুনৰ বৈ গৈছিল। তেওঁৰ চকুৰেদি অশ্ৰু বাগৰি আহিল। মই বৰ আচৰিত হৈছিলো। তেওঁৰ চকুলো দেখি। চকুপানী মচি তেওঁ পুনৰ কৈছিল-

হিয়াৰ কলেজ আৰম্ভ হোৱাৰ কেইমাহমান পাছত মোলৈ এখন চিঠি আহিছিল। বোধ হয় সিদিনাই আছিল হাজৰিকাৰ জীৱনৰ আটাইতকৈ দুখৰ দিন। চিঠিখন পঢ়ি তেওঁ থিৰেৰে থাকিব পৰা নাছিল। তেওঁ প্ৰায় বলিয়াৰ দৰে হৈ পৰিছিল। চাৰিওফালে তেওঁ মাথো এন্ধাৰ দেখিছিল। কিয়নো চিঠিখনত আছিল সেই কৰুণ ঘটনাটো। হিয়াৰ কলেজত বৰ ভয় লগা ধৰণৰ ৰেগিং চলিছিল। এদিন ৰাতি কেইজনমান ডেকা ল'ৰা তাইৰ কোঠাত প্ৰৱেশ কৰিছিল। তাই বৰ ভয় খাইছিল। তাইক সিহঁতে নানা অশ্লীল কথা সুধিছিল। আৰু অৱশেষত তাইৰ ওপৰত সিহঁতে শাৰীৰিক নিৰ্যাতন চলাইছিল। তাইৰ দেহ অপবিত্ৰ হৈছিল। অৱশেষত তাই দুখত উপায় নাপায় আত্মহত্যা কৰিছিল। সিদিনাৰ পৰা অংশুমান হাজৰিকাৰ জীৱনৰ শেষ কল্পনাৰ চাকি গছি চিৰদিনৰ কাৰণে নুমাই গৈ তেওঁৰ জীৱনলৈ নামি আহিছিল অন্ধকাৰ, মাথো ঘোৰ অন্ধকাৰ আৰু এতিয়া ....... এতিয়া মাথোঁ তেওঁৰ জীৱনৰ একমাত্ৰ সংগী হ'ল এই বটলকেইটা। এতিয়া তেওঁ বেছি কথা বতৰা নাপাতে আৰু নিচাত মগ্ন হৈ থাকে। এই বটলকেইটাৰ অবিহনে যেন তেওঁ চাৰিওপিনে অন্ধকাৰ দেখে। সূৰ্য অস্ত যোৱাৰ পিছত যি অন্ধকাৰ পৃথিৱীলৈ নামি আহে তাক চাকি, বিজুলি বাতি আদিৰে পোহৰাই তুলিব পাৰি। কিন্তু এজন মানুহৰ জীৱনলৈ অন্ধকাৰ নামি আহিলে তাক কেতিয়াও পোহৰাই তুলিব নোৱাৰি। এতিয়া মাথো অংশুমান হাজৰিকাই অপেক্ষা কৰি আছে জীৱনৰ শেষ পোহৰলৈ .....।

# প্ৰেমৰ ধুমুহাৰ সংঘাটপূৰ্ণ জীৱন

দীপজ্যোতি ৰয়
স্নাতক প্ৰথম বৰ্ষ

'দুখ অকলে নাহে
দুখৰ লগত আহে
আৰু বহুতো দুখ
দুখৰেই সোঁত।'

এটি সৰু পৰিয়ালত ৰমেশৰ পুত্ৰ দীপাংকৰ বাস কৰে। দীপাংকৰ আছিল সৰুৰে পৰা সকলোৰে লগত হাঁহি ধেমালি কৰা, সকলোকে আপোন কৰি লʼব পৰা সকলোৰে মৰমৰ এটি বদমাচ লʼৰা। হাঁহি ধেমালি কৰি সি খুব ভাল পাইছিল, আনন্দ ফূৰ্তিয়েই যেন সি জীৱন বুলি ভাবিছিল। যিয়েই নহওক কিয় দীপাঙ্কৰে আজি হাইস্কুল শিক্ষান্ত পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ কলেজত নামভৰ্ত্তি কৰে। বয়স আৰু সময়ে মানুহৰ জীৱনলৈ লৈ আহে সুখ-দুখ আৰু বহুতো কিবা কিবি। দীপাঙ্কৰে তাৰ লগত একেলগে পঢ়া এজনী ধুনীয়া ছোৱালীৰ প্ৰেমত পৰে। নাম তাইৰ চুমী তালুকদাৰ। চুমীৰ সহাৰি পায় সি আনন্দতে এনেকুৱা অনুভৱ কৰিলে যেন এজন মৃত মানুহক পুনৰ জীৱন দান দিছে, কাৰণ দীপাঙ্কৰে তাৰ জীৱনত চুমীক সঁচাকৈয়ে বিচাৰিছিল।

দীপাঙ্কৰে আকাশলৈ চাই দেখিলে আকাশত সোণোৱালী স্নিগ্ধ জোনাক। তৰাবোৰেও যেন সমগ্ৰ পৃথিৱীখনলৈ চাই মিচিকিয়াইছে। পদুলীৰ মূৰত থকা শেৱালি জোপাৰ ফুৰফুৰীয়া গোন্ধ এটা যেন দীপাঙ্কৰৰ নাকত লাগিল, তাৰ মানে দেহ মন শীতল কৰি পেলোৱা শৰৎ আহিল। দীপাঙ্কৰে ভাবিলে শৰতৰ নিচিনাকৈ তাৰ আৰু চুমীৰ জীৱন যেন মধুময়, চিৰ জীৱনৰ বাবে সুখৰ হৈ ৰওক।

চুমীৰ প্ৰেমত পৰি দীপাঙ্কৰে নিজকে গৌৰৱান্বিত অনুভৱ কৰিছে, সি যেন জীৱনত বিচৰাটো হাতত পাইছে। ভাব-কল্পনাই এতিয়া তাৰ মনত খলকনি লগাই আছে। সি ভাবে... সি ভালদৰে পঢ়া শেষ কৰিব, ভাল চাকৰি কৰিব আৰু... বহুতো সপোন এতিয়া সি দেখে।

বেছি বছৰ নহয় দুমাহ মান যোৱাৰ পিছত দীপাঙ্কৰৰ জীৱনলৈ নামি আহিছিল কাল প্ৰবাহৰ সোঁত। প্ৰথমতে সি বিশ্বাস কৰিবলৈ অমান্তি হৈছিল যদিও অৱশেষত কিন্তু সি প্ৰমাণ সহকাৰে জানিবলৈ পালে যে চুমীৰ তাইৰ গাঁওৰেই গুণজিৎ তালুকদাৰ নামৰ লʼৰা এজনৰ লগত বহু দিনৰ আগৰে সম্বন্ধ আছে। কথাষাৰ জনাৰ পিছত দীপাঙ্কৰে তাৰ বন্ধু সকলৰ কোনো এজনকে এই বিষয়ে একো নকʼলে। সেইদিনা সি হাঁহিলে, খুব হাঁহিলে। যত মিহলি হৈ আছিল ক্ষোভ, উত্তেজনা, খং অভিমান আৰু বহুতো...।

এতিয়া আৰু আগৰ দীপাঙ্কৰ নাই। সি এতিয়া মানুহৰ লগত বৰ বেছি কথা নকয়। তথাপি এতিয়া তাৰ বন্ধু বান্ধৱ আগতকৈ বহু বেছি, যি সকলৰ অৱস্থা তাৰদৰেই একেই। সিহঁতৰ প্ৰিয় বন্ধু এতিয়া মদ, চিগাৰেট, ড্ৰাগছ আৰু বহুতো কলা জগতৰ বিলাসী সামগ্ৰী।


সময় বাগৰি গʼল, পাৰ হʼল বহু বছৰ। এদিনাখন আবেলি সি এখন চিঠি পালে। চুমীৰ বিয়া। দীপাঙ্কৰে ভাবিছিল তাই নিশ্চয় গুণজিতৰ লগতে বিয়াত বহিব। কিন্তু তাৰ সন্দেহ মিছা বুলি প্ৰমাণিত হʼল। কাৰণ চিঠিত লিখা আছিল ডাঃ অভিনৱ তালুকদাৰৰ লগত চুমীৰ...। সি আৰু স্থিৰেৰে থাকিব নোৱাৰিলে।

সময়ৰ কি প্ৰতাৰণা, তাৰ কোনো এটি আশাকে ভগৱানে পূৰ্ণ নকৰিলে। তাৰ বুকুখন বিষাইছিল। মোক সি ফোন কৰি মাতিছিল। অৱশেষত মই তাক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্ত্তি কৰাইছিলো। সকলো পৰীক্ষা নিৰীক্ষা কৰি শেষত ডক্টৰ এজনে মোক কৈছিল 'আই এম চৰি মিষ্টাৰ ৰয়, এক্সুৱেলী সি...।'

মই আৰু ডক্টৰৰ কোনো কথা শুনিব নিবিচাৰি তাৰ কোঠাত প্ৰৱেশ কৰিছিলো। সি তেতিয়া মোৰফালে উৎকণ্ঠাৰে চাই আছিল। দীপাঙ্কৰৰ চকু দুটা ৰঙা হৈছিল। সি লাহে লাহে আৰম্ভ কৰিছিল তাৰ জীৱনৰ কথাবোৰ, আৰু শেষত কৈছিল 'তাই সুখত থাকক।'



# কবিতা



কবিতা হৈছে বুকুৰ ছাঁ, ই বিয়পি পৰে বুকুৰপৰা বুকুলৈ। কবিতা পঢ়ি পাহৰিব পাৰি কিছু দুখ, কিছু গ্লানি; অনুভৱ কৰিব পাৰি শিহৰণ তোলা এক মিঠা অনুভূতি।

# হত্যাকাৰী

সঞ্জীৱ ৰাজবংশী
স্নাতক প্ৰথম বৰ্ষ

কি বিচাৰিছা তোমালোকে?
কাৰোবাৰ দেহৰ কেচা তেজ,
কাৰোবাৰ চকুত অশ্ৰু,
নে স্বাধীনতা।
কি বিচাৰিছা তোমালোকে?
কাৰোবাৰ শিৰৰ সেন্দূৰ- মচিবলৈ,
নে কোনোবা মাতৃৰ বুকু সুদা কৰিবলৈ,
নে তোমালোকে নিৰিহ লোকৰ তেজেৰে
ৰঙীন কৰিব বিচাৰিছা,
এই পৃথিৱীখন।
যাৰ কাৰণে ঠায়ে-ঠায়ে বোম ব্লাষ্ট কৰিব
লগা হৈছে।
তেওঁলোকে বিচাৰিছিল নেকি?
এটি বিদেশী শক্তিৰ সহায়ত মৃত্যুবৰণ কৰিবলৈ,
যদি বিচাৰিছিল, ঠিকেই কৰিলা।
তোমালোকে তেওঁলোকক মুক্তি দিলা
আৰু যদি বিচৰা নাছিল,
তেতিয়াহলে কিয় মাৰিলা?
কি দোষ আছিল সিহঁতৰ?
বাতৰি কাকতৰ শিৰোনামা দখল কৰিবলৈ,
নে নিজকে হত্যাকাৰী সজাবলৈ?
পাৰিবা জানো তেওঁলোকক ওঁভতাই আনিবলৈ
এটি বিদেশী শক্তিৰ সহায়ত?
নোৱাৰা,
নোৱাৰানে পূৰণ কৰিবলৈ
উকা হোৱা শিৰৰ সেন্দূৰ।
নোৱাৰাযে প্ৰমাণ কৰিবলৈ নিজকে এজন নিৰ্দোষী বুলি,
গতিকে তোমালোকে কি বিচাৰিছা,
তোমালোকে যে নিজেই একো - একোজন হত্যাকাৰী।
গতিকে মই দিব পাৰো যদি তোমালোকে বিচৰা
এজন বাস্তৱ কবি হিচাপে এখন চাৰ্টিফিকেত
যিখন চাৰ্টিফিকেতৰ বিনিময়ত তোমালোকে
তোমালোকৰ মৃত্যুক সন্মুখত দেখিবলৈ পাবা
গতিকে মই দিব পাৰো এইখন চাৰ্টিফিকেত।
যাক ইংৰাজীত কোৱা হয়
Criminal Certificate.

থিতাতে লিখা কবিতা প্ৰতিযোগীতাত তৃতীয় স্থান প্ৰাপ্ত)


# সন্ত্ৰাস বাদ

হীৰেন দাস,
স্নাতক প্ৰথম বৰ্ষ

আকাশত চিঞৰিছে
বগা বগলীৰ আৰ্তস্বৰ
পৃথিৱীত উচুপিছে,
দেশ মাতৃৰ উচুপনি!

সময় বোৰ কিয় হেৰা
শিল কৰিলা?
শিলত জুই জ্বলে,
জুইয়ে ধ্বংস কৰে।

তুমিয়ে জানো নাছিলা বন্ধু
ত্ৰিশ অক্টোবৰৰ ৰক্ত পিপাসু
তুমিয়ে জানো নাছিলা
নাছিলা,
পোন্ধৰ আগষ্টৰ সেয়া ধেমাজীৰ
দুৰ্দান্ত দুৰ্যোধন ৰূপী বৰ্বৰ সম্ৰাট।



মনত ৰাখিবি বন্ধু,
মনত ৰাখিবি
তয়ো হেৰ কান্দিবি এদিন।
তোৰ কান্দোনত পৃথিৱী ঘূৰিব
পদতলিৰ মাটি বোৰ গুচি যাব,
গুচি যাব
বহু......... বহু.......... নিলগত।

সিদিনা কি কৰিবা?
কি কৰিবা বন্ধু!
পাৰিবানে জুখিব
তোমাৰ বাৰুদৰ ওজন
ব্যক্তিত্বৰ গভীৰতা।

(থিতাতে লিখা কবিতা প্ৰতিযোগীতাত প্ৰথম স্থান প্ৰাপ্ত)

# সন্ত্ৰাসবাদ

দীপাংকৰ দাস
স্নাতক ২য় বৰ্ষ

সন্ত্ৰাস নহয় জাতিৰ পৰিচয়
সন্ত্ৰাস নহয় মানৱ পৰিচয়,
আমাৰে এই সেউজীয়া ধৰা
আমাৰে এই যে মাতৃ ধৰণী
আমাৰ কি অধিকাৰ ...... !
ধ্বংস কৰিব প্ৰকৃতিৰ এই দুৰ্লভ সৃষ্টি।।

কলিজাত কলা তেজ সানি
সমাধান নহয় কোনো সমস্যা,
পিতৃ-মাতৃক পুত্ৰহাৰা কৰি
সিহঁতে কিয় লয় অসুৰ আখ্যা!
জীৱন অনুপম, পৃথিৱী আমাৰ বিচৰণথলী
সন্ত্ৰাসবাদ নহয় আমাৰ কাম্য,
হত্যা, হিংসাৰে কিনিব নোৱাৰি সুখ
মনুষ্যত্ব আমাৰ প্ৰকৃত ধৰ্ম।।

কিয় এই সন্ত্ৰাসপ্ৰীতি?
সন্ত্ৰাস নহয় জাতিৰ পৰিচয়
সন্ত্ৰাস নহয় মানৱ পৰিচয়।।

(থিতাতে লিখা কবিতা প্ৰতিযোগীতাত দ্বিতীয় স্থান প্ৰাপ্ত)

# বিচ্ছেদৰ সেন্দূৰ

মৃগেন দাস
স্নাতক, তৃতীয় বৰ্ষ।

মোৰ আশাৰ সেন্দূৰ নোলোৱা কৈ
যাব খুজিছা
তুমি যাবাগৈ
ধৰিবতো আৰু নোৱাৰিম।
কল্পনাৰ গভীৰ সাগৰত
অনুতাপৰ ধোঁৱা হৈ উৰিম
জীয়াই থাকিম বহুদিনলৈ।
নতুন নতুন কবিতা লিখিম
তোমাৰ বাবে।
স্বস্তিৰ নিশ্বাস লম
তথাপি পাহৰিব নোৱাৰিম
'সেন্দূৰ' শব্দৰ অৰ্থ বিচাৰিম
হেমকোষত।
লাগিলে পুথিভঁৰালত সোমাম
তথাপি সেন্দূৰ বিচাৰিম।
মোৰ আশাৰ পাপৰিত ভৰিথ
তুমিটো গ'লা বহুদূৰলৈ।
বিদায়!
প্ৰেমিক চৰাই ওভতাৰ
সময় হ'লগৈ।







# আবেগৰ ভাষা

মহিত ৰাভা
স্নাতক প্ৰথম বৰ্ষ

কিবা যেন একা বেকা
হঠাৎ উঠা নমা
ভটিয়নী এই সোঁত
নাজানো বয় কলৈ.........।
সুদূৰত মৃদু আশাৰ ঝংকাৰ
কাষৰত নিৰাশাৰ হাহাকাৰ
তুমি আহিবা বুলি ভাবিছিলো
আহিলাও
কিন্তু.........
ই যেন আবেগৰ অলিখিত কবিতা
হঠাৎ ওলট পালট
দুচকুত দহিযোৱা হৃদয়ৰ সুৱাস
তথাপি স্থিৰে আছো
টুলুঙা নাওঁত
টুল বুল কৰিলেও
নুবুৰালৈকে যুজিম
ঢাপে ঢাপে বিচাৰিম
ঢাপৰে শিলিখা
নাপালে একো ক'ত
নঙলাত বৈ চিঞৰিম।
তুমি আহিলাও গলাও
কিয়..... নাজানিলো.....।
শূণ্যপজাৰ নঙলাত বৈ
চিঞৰি আছো
কেতিয়া আহিব তাই
জীৱনৰ আলহী মোৰ
তাৰেই অপেক্ষাত গনিছো ক্ষণ
কিবা যেন ওলট-পালট, একা-বে
নিৰাশ প্ৰতি পল প্ৰতি ক্ষণ।

# আকাংক্ষিত দিনবোৰ

দিপাংকৰ দাস (জান)
স্নাতক দ্বিতীয় বৰ্ষ

স্মৃতিৰ নৌকাত জিৰোৱা মই এটি পৰিভ্ৰমী চৰাই,
যদি গতি সলনি নহয় নৌকাৰ
বিচাৰিম থাকিবলৈ এনেদৰে-পৰিভ্ৰমী চৰাই হৈ
আছো জীয়াই আকাংক্ষিত দিনবোৰৰ সপোন ৰচি
জানোচা মধুৰ হয় স্মৃতি বোৰ........
জানোচা বুটলিব পাৰো সুখ..........
এদিন সৰু থাকোতে মাই কৈছিল-
'সময় একে হৈ নাথাকে সদায়
সলনি হ'ব সময়-সলনি হ'ম মই
সলনি হ'বি তই
সলনি হ'ব সপোন দেখাৰ ধৰণ আৰু
সলনি হ'ব সুখ-দুখৰ সংজ্ঞা'
মই জানো-
স্মৃতিৰ নৌকাত জিৰোৱা মই এটি পৰিভ্ৰমী চৰাই
তথাপিতো আশা-----সপোন
জানোচা সত্যই হয় মাই কোৱা কথাযাব !



# তুমি অবিহনে শূন্য নহওঁ কাহানিওঁ

মৃদুলা দাস
স্নাতক ২ য় বৰ্ষ।

তুমি যোৱাৰ পিছত
মোৰ বুকুত সৃষ্টি হ'ব
এখনি উদং পথাৰ।
সিদিনালৈকে এই পথাৰ
আছিল সেউজীয়া হৈ
লাহে লাহে সোণালী হোৱা
ধানৰ থোকবোৰ চোকা
কাঁচিৰে কাটি নিয়াত
ই হৈ পৰিল একেবাৰে উদং
তুমিটো নাজানা
তুমি অবিহনে পথাৰ।
নিসংগ হৈ পৰাই পথাৰ
অথাৰখনে উজ্জ্বলি হৈ
তুমি জানা যে সোণালী হোৱা
পথাৰ খনে তোমাৰ ভাৰ
ব'ব নোৱাৰি তোমাৰ লগত
সম্পৰ্ক নিঃশেষ কৰিছে। কিন্তু
ই সত্য নহয়;
তুমি গুছি যোৱাত পথাৰৰ
চকুপানীয়ে নিয়ৰৰ ৰূপলৈ
ৰাতিপুৱাৰ দুবৰিত জিলিকে।
পথাৰক ভুল নুবুজিবা তুমি
কাৰণ পথাৰে জানে
তুমি যাবই লাগিব।
নহ'লে যে কাৰোবাৰ
ভঁৰাল হৈ পৰে উদং
উদং হ'লেও পথাৰে
নকৰে দুখ কাহানিওঁ।
ত্যাগ কৰিব পাৰে আনৰ
সুখৰ বাবে সকলো।।
পথাৰে ভাবে, আকৌ
পূৰ্ণ হ'ব মোৰ পথাৰ;
লাগে মাথো ধৈৰ্য্য আৰু একাগ্ৰতা।
কিন্তু, যি ত্যাগ পথাৰে কৰিলে
সেই ত্যাগৰ বাবেই পথাৰৰ
মূল্য বেছি পৃথিৱীত।
সেয়ে কৰিব পাৰে আনৰ
পথাৰৰ সৰল স্বীকাৰোক্তি
তুমি অবিহনে আজি
মই শূন্য নহওঁ কাহানিওঁ।



# বৰষুণ

বৰ্ণালী শৰ্মা

বৰষুণ এজাক আহিছিল
যোৱাৰাতি
সপোন যেন-
বৰষুণৰ প্ৰতিটো টোপাল- - -
দেখিযেন মই উন্মাদ হৈ পৰিছিলো
আগচোতালৰ মাধৈমালতী জোপা
আকৌ মোলাব।
টুপুৰ্ টুপুৰ্ টোপালবোৰে
জীয়া সপোনবোৰ
আকোৱালি ধৰিব- - -
উকমুক্ মনৰ উমাল
সপোনবোৰ যেন শেষেই নহ'ব - - -
সেই ক্ষণতে সামাজিক
ভঙ্গ কৰাৰ অঙ্গীকাৰ লৈ অহা
এটি প্ৰচণ্ড চেৰেকণিত
লাহে লাহে টোপালবোৰে
সৰিবলৈ ধৰিছিল - - -
মই নিৰ্বাক
নিশ্চুপ হৈ ৰৈছিলো।
আৰু! মূৰ তুলি
আকাশখনলৈ চাই পঠিয়াইছিলো
দেখিছিলো
মেঘবোৰে সপোনৰ টোপালবোৰ
বুকুত বান্ধি লৈ
অইন দিশলৈ গতি কৰিছে
হয়তো
অইন কাৰোবাক উন্মাদ কৰিবলৈ - - -





# ৰিক্ত হৃদয়

ধীতাশ্ৰী ডেকা
উচ্চতৰ মাধ্যমিক ১ ম বৰ্ষ

"দেউতা দেউতা, মোৰ বাবে
নতুন কাপোৰ আৰু
এটা চক'লেট আনিবা দেই।"
দেউতাকৰ ওচৰত
এটি দুবছৰীয়া শিশুৰ
থুনুক, থানাক মাতেৰে
কৰা অবুজ আবেদন।
কিন্তু সেই আবেদন
আবেদন হৈয়েই ৰ'ল,
আহিল জানো দেউতাকৰ হাতত
এসাজ নতুন কাপোৰ আৰু
আৰু এটি চ'ক'লেট?
নাহিল!
আহিল মাথো
বগা কাপোৰৰ তলত
ছিন্ন বিছিন্ন আৰু
তেজেৰে লুতুৰি পুতুৰি হোৱা
এটি অৰ্ধদগ্ধ মৃত মানৱ দেহ।
হেৰাই গ'ল এটি শিশুৰ
মূৰৰ ওপৰত থকা
বহু ভৰষাৰ চালিখন,
আৰু মাকৰ কপালত থকা
ৰঙা বেলিটো আৰু
শিৰৰ সেন্দূৰকণ।
কি অপৰাধ আছিল
সেই অবুজ শিশুটিৰ?
কিয় কাঢ়ি নিলা তোমালোকে
তাৰ ওপৰৰ পৰা পিতৃছায়া?
মৃতদেহৰ পাহাৰ সজাই
কি পালা তোমালোকে?
ৰিক্ত হৃদয়ৰ অভিশাপবোৰ
কিয় মূৰ পাতি ল'লা তোমালোকে?
এই নৃশংস হত্যাৰ আঁৰত
কি উদ্দেশ্য আছিল তোমালোকৰ?
কি অধিকাৰত আঁতৰাই পঠালা
কাৰোবাৰ স্বামী, কাৰোবাৰ পুত্ৰ,
কাৰোবাৰ ভগ্নী আৰু
কাৰোবাৰ প্ৰেমিক?
কিয়?
উত্তৰবিহীন হেজাৰ প্ৰশ্ন!
পাৰিবাজানো তোমালোকে
সেই পত্নী, মাতৃ, ভাতৃ আৰু প্ৰেমিকাৰ
শোকস্তব্ধ ৰিক্ত হৃদয়
দিবলে পূৰাই!
সেয়েহে আমি
হব লাগিব একগোট
আনিবলৈ শান্তি ঘূৰাই,
আকৌ যাতে নাযায় হেৰাই
কোনোবা দুৰ্ভগীয়াৰ বুকুৰ আপোনজন।



# যাত্ৰা

নিপন বৰা
স্নাতক প্ৰথম বাৰ্ষিক

ৰাতিৰ এন্ধাৰত
কোনে শুনিব তোমাৰ
বুকুৰ উচুপনি।
ৰাতিৰ বুকুৰেদি যেতিয়া
নামে শাওণৰ বৰষুণ জাকে
দুখৰ টোপোলাবোৰ জানো
কোনোবাই অনুভৱ কৰিব পাৰিব।
তোমাৰ শাওণী বৰষুণত
তিতি - বুৰি কবিতা লিখিবলৈ
এই কবিৰো আজি আহৰি নাই
হয়টো, সেয়ে আজি তুমি
লিখিবলৈ লৈছা
শাওণৰ কবিতা।
দুখৰ নদীত নাও চলাই
তুমি কলৈ গতি কৰিছা
উভতনিৰ বাটত
সময় পালে
এপলক জিৰাবহি
এই কবিৰ উৰুখা পজাঁত।
সময় পালে, তোমাৰ শাওণী
বৰষুণত এবাৰ তিতিম।
তুমি আহিবা, এই বাটেৰেই......

# শব্দৰ খেতি

হিতাংকুৰ দাস
স্নাতক, দ্বিতীয় বৰ্ষ।

আমনি লাগিছে শালিধানৰ খেতি কৰি
সেয়ে কৰিম এইবাৰ শব্দৰ খেতি
উকা কাগজৰ বুকুত
নানা ৰঙৰ চিয়াহিৰে।

এগোছ দুগোছ কৈ দি যাম
প্ৰতিটো উকা পৃষ্ঠাত শব্দৰ কঠীয়া গুজি।


কৃত্ৰিম পদ্ধতিৰে নকৰো খেতি
নালাগে অধিক ফচল
ভঁৰাল ওপচাকৈ।

মনৰ জীপাল সাৰেৰে কৰিম শব্দৰ খেতি
প্ৰেমৰ কীটনাশক দি যাম মাজে সময়ে সিঁচি

লাহে লাহে ভৰ যৌবনা হৈ পৰিব শব্দৰ খেতি
মলয়া বতাহে আমনি কৰিব যেনি তেনি।

বাটৰুৱাৰ বুকুত উথলি উঠিব চঞ্চল ঢৌ
শব্দৰ খেতিৰ পূৰঠ যৌবন দেখি।

সেয়ে কৰিম এইবাৰ শব্দৰ খেতি
উকা কাগজৰ বুকুত
নানা ৰঙৰ চিয়াহীৰে।



# সোঁৱৰণী, আজিও মই তোমাৰেই বুকুত.....

ব্ৰজেন বৈশ্য
স্নাতক প্ৰথম বৰ্ষ

মই জয়ী হ'ব নোৱাৰিলো অ'সোঁৱৰণী
আজিও মই তোমাৰেই বুকুত
বেদনাৰ উল্কা আজি
নিৰলে নিগৰি বয়
হেঁপাহৰ তৃষ্ণাবোৰ যে ক্ষুধাৰ্ত
তথাপি জীয়াই আছো
নিয়ৰত শেঁতা পৰা আঙুলিবোৰ
কোন কাহানিবাই হেৰাই গ'ল
জানা, কেতিয়াবা আমনি কৰে
সৰু ছোৱালীৰ দৰে
বিতৃষ্ণাৰ দাবাগ্নিয়ে কেতিয়াবা
বিভীষণ কৰি তোলে
নাই
মই বৰ বেয়া মানুহ অ'সোঁৱৰণী
তোমাক আৰু মই
নুহুও দিয়া....






# হায়! কি দুৰ্দশা

হেমন্ত কলিতা
স্নাতক ১ ম বৰ্ষ

হায়! কি দুৰ্দশা
হেৰাল শান্তিৰ আকুলতা
মোৰ অসমী আইৰ কপালত
এয়াই জানো আছিল লিখা।
হায়! তেজ মাথো তেজ
তেজেৰে ব'ব ধৰিছে চোৰা
অসমীৰ নৈ নিজৰা।
কোনোৱাৰ হেবোৱাৰ ক্ৰন্দন
আকাশ ভেদি গ'ল,
কণমানিটোৰ উচুপনিত,
আকাশেও বিনাইছে চোৰা!
তাক নামাৰিবা,
ক'ত; তাকো পিন্ধালে জুইৰ বস্ত্ৰ চোৰা,
কণাকেইটাই দেখিলে সেইটো,
জুইত পৰা এটা কেকোঁৰা।
হায়! কোন বীৰৰ বৰ্বৰতা
নিৰীহক বধিছে কাপুৰুষৰ লেখিয়া।
শক্তি, আছে যদি তেজৰ উম্মতাৰ
নকৈ গঢ়াচোন বৰ অসম অতীতৰ।
আছে যদি শক্তি, তহঁতৰ,
জয় কৰা মন মানুহৰ।
ভয় দেখুৱাব পাৰিব
একোটা ৰক্ত পিপাসু পিশাচৰ।



# মৰ্মান্তিক সময়

সংগীতা তালুকদাৰ
স্নাতক প্ৰথম বৰ্ষ

চুবলৈ মন যায়
আকাশৰ নীলা
খোজৰ ধূলিয়ে
কিমান উগ্ৰ কৰিছে তাৰ নীলাক।
উন্মুক্ত দুৱাৰ
সঘনে অহা যোৱা
কাৰ খোজত তুমি শুনা
নীলাক চুবলৈ,
নদীৰ দৰে ই বৈ যায় হৃদয়
ঢৌ খেলি নীৰৱে
এবুকু স্বপ্ন ৰঙীন অনুভৱেৰে
সময় নদীৰ বলুকাত বহি,
সূৰ্যাস্তৰৰ মেলানি চাই
বৈ আছো মই প্ৰস্তৰ মূৰ্তি হৈ
পাৰ হৈ যায় ভৱিষ্যত ক্ৰমে
বৰ্তমান আৰু অতীত হৈ,
আজি গৰ্ভস্থ সন্তানবো
গাৰ নোম শিয়ৰি উঠাৰ দিন
চিৎকাৰ কৰি উঠে "মোৰ জননী"
আৰু আমি তাকে চাই আছো।
এক পিঞ্জৰাবদ্ধ পক্ষীৰ দৰে
নীৰৱে আৰু নিঃ শব্দে।

# নিঃ সংগতাৰ যাত্ৰা


মিজানুৰ ৰহমান (চাংকী)
স্নাতক দ্বিতীয় বৰ্ষ।

এনেকৈয়ে আৰম্ভ হয়
একোটা যন্ত্ৰণাৰ ৰাতি ;
নিঃশব্দে, নীৰৱে
পিছলি আহে
এন্ধাৰে, এন্ধাৰে
বুকুৰ কোঠালৈ
বিয়পি পৰে চৌহদৰ এন্ধাৰৰ সতে
শূণ্যতাৰ অনুভৱ
পুনৰ আৰম্ভ হয়
মোৰ নিঃ সংগতাৰ যাত্ৰা,
সূৰ্য ওলোৱা বাটেৰে।

# সময়

ৰূপাঞ্জলী ডেকা
স্নাতক ১ম বৰ্ষ।

মানুহৰ অসহায় কোলাহলৰ মাজতো
একান্ত নিৰ্জন একাকী এই জীৱন।
দুঃসহ যন্ত্ৰণাত কাতৰ সময়ৰ
প্ৰতিটো প্ৰহৰ।
আজি আৰু মানুহৰ জন্মলগ্নত মংগল
উৰুলি ধ্বনি বাজি নুঠে।
সৰিপৰে হতাশাৰ দীৰ্ঘ নিঃশ্বাস
চাৰিওফালে মাথোঁ বিষাদ মগ্নতা!
ইমান নিস্তৰঙ্গ এই সময়বোৰ!
আশা আকাংক্ষা বিহীন
বিষাক্ত কাঁইটৰ দৰে।
এক বৰ্ণহীন ক্লান্তি
আৰু বিষণ্ণতাৰ বুকুত
ডুব যাব ধৰা সকলো
গভীৰৰ পৰা ক্ৰমশঃ গভীৰলৈ...... !



# অংক

ৰাজীৱ দাস
স্নাতক প্ৰথম বৰ্ষ

অংকত দুৰ্বল নাছিলো মই
তথাপিও যে তুমি কৈছিলা
'তোমাৰ অংকটো ঠিক ন'হল' -
'তোমাৰ অংকটো ঠিক ন'হ'ল' -
হয়তো মইও নকৰো অস্বীকাৰ
এয়া সূত্ৰ বিহীন এক অংক
দাস চাৰে শিকাইছিল -
"জ্যামিতি, পাইথাগোৰাছৰ উপপাদ্য"
ডেকা চাৰে শিকাইছিল - "এলজেব্ৰা"
কিন্তু কোনো দিনে তেওঁলোকে নকলে -
"আজি অলপ জীৱনৰ অংক শিকা" বুলি।
নিখুতকৈ দালালিৰ অংক কৰা
বৰুৱা চাৰক দালালে ঠগিলে !
তেওঁৰো ক'ববাত, ভুল হ'ল চাগে
শূণ্যৰ প্ৰকাণ্ড চক্ৰবেহুত মই আবদ্ধ
অংক
সকলো এক প্ৰকাণ্ড জীৱনৰ অংক
সৌন্দৰ্য্য ৰাণী হে তুমি
প্ৰবেশ কৰিছিলা মোৰ পাটীগণিতত
সেইদিনা -
এটা সংখ্যা আছিলা তুমি
নাপাহৰিবা
অংক ভুল হয়েই
তুমি ভুল কৰিছিলা সংখ্যাবোৰ পাহৰি
হায়ঃ !
সূত্ৰ বিহীন জীৱনৰ, সংখ্যাবিহীন
শূণ্যতাৰ জটিল অংক
মোটা অংকৰ ধনৰ বিনিময়ত
উচ্চপদস্থ চৰকাৰী চাকৰি
সচাঁকৈয়ে সূত্ৰবিহীন জীৱনৰ অংকবোৰ
বৰ সূক্ষ্ম অথচ সংখ্যাবিহীন।



# যাযাবৰী ছোৱালী


সুৰঞ্জীতা গোস্বামী
স্নাতক ২য় বৰ্ষ।

নৈ পৰীয়া গাভৰু তই
যাযাবৰী ছোৱালী
জীৱনৰ বিশটা বসন্ত গৰকিলি
খামতি নৈৰ নামখুন পানী খচি
উজাগৰে কটাৰ হয়তো তই
বহুতো অমানিশাৰ বিনিদ্ৰ ৰাত্ৰি
দেহত তোৰ গাভৰু যৌৱনৰ
উত্তাল তেজ
তাৰ বাবে হয়তো তই হ'লি আজি
নৈ পৰীয়া গাভৰু যাযাবৰী ছোৱালী
আধাফুটা ঘৰৰ মুধচৰ কোণত শুলে
হৃদয়ত বাজে হয়তো তোৰ
জোনাকী যৌৱনৰ
আধাফুটা বীণখনি

# হত্যাযজ্ঞ

জাপন ৰাজবংশী
স্নাতক ১ম বৰ্ষ

কোনে পাতিছিল
সেয়া বিভীষিকা
কাৰনো হাতৰ সেয়া আছিল যে
এক মৰীচিকা।
সকলোবোৰ থান-বান হ'ল নিমিষতে
মানৱ ৰক্তৰ সোঁত বলে
কোনে চিনি পাব
তেজেৰে লুতুৰি পুতুৰি মানুহবোৰক।
সেই সকলোৰ আছিল নে কোনো আত্মীয়
যিসকল গুচি গ'ল চিৰদিনৰ বাবে
চিৰকালৰ বাবে
যিসকল হ'ল চিৰকালৰ বাবে ঘূণীয়া।
বিঃ দ্ৰঃ অসমৰ বিভিন্ন প্ৰান্তত সংঘটিত ৩০-১০-০৮ ৰ
ভয়াবহ দুৰ্ঘটনা সন্দৰ্ভত।



# সন্ধিয়া পৰত নিয়ৰ গছকি আহা তুমি

গুনিন কলিতা।
স্নাতক দ্বিতীয় বৰ্ষ

(কৰবী ফুলপাহ মৰহি গ'লে)
সন্ধ্যাপৰত নিয়ৰ গছকি
যেতিয়া তুমি আহা........
তেতিয়া এটুপি চকুলো সৰে
এটুপি চকুলো সৰে........

জানো কেতিয়াবা বুজিবা তুমি
মোৰ সেই প্ৰেমৰ আবেলিটো
সন্ধিয়াপৰত নিয়ৰ গছকি তুমি আহা......
কবতো নোৱাৰো মই তোমাক
ভালপাওঁ কিমান বুজাব নোৱাৰো......
থুপ খাই থাকে তোমাকে দিবলৈ
অজস্ৰ হুমুনিয়াহ আৰু সহস্ৰ মৰম, ভালপোৱা....
দুখৰ চকুপানী কোনেনো দেখিব
তেতিয়া তুমি নামাৰিবা মিচিকিয়া হাঁহি।
নোজোকাবা মোক মিছা ভালপাওঁ বুলি
সন্ধিয়াপৰত নিয়ৰ গছকি তুমি আহা.....
তেতিয়া এটুপি বিষাদৰ চকুলো সৰে।

কিয় যে মৰহি যায়
লহপহকৈ ফুলি অহা কৰবী পাহ।
আৰু নো ফুলিব জানো মোৰেই মনৰ বাগিছাতে।
এতিয়াও আছো মই অকলশৰে....
বিষাদৰ এটি গীত গাই দুখৰ সন্ধিয়াৰ সৈতে।
গাবতো নোৱাৰো দুখৰ এটি গীত।
যেন তুমি কাষতে নাই।
যেন তুমি কাষতে নাই।
সন্ধিয়াপৰত নিয়ৰ গছকি আহা তুমি..... !

# A Note on History of Traditional Games and Recreations with special reference to Assam.



*Tarun Chandra Bhagabati, M.A., M.Ed.*
*Sr. Lecturer in History*

While History is the story of integration and disintegration of human aggregdates, Culture has been the gratest integrating force in men [1]. The first characteristic of the culture is continuity. It comes from the past, adjusts itself to the present and moves forward to shape the future[2]. Where ever we go in India, we find certain norms of conduct accepted by a large section of the peple. there are lapse no doubt, but they are considered a departure from approved conduct even by those who are guilty of them. If for instance we talk of an activity as good as children's game in any part of India most person will understand what we mean and accept the validity of the test. In real sense the activity may not be a game at all but the pattern of conduct prescribed by the ideal will be expected to confirm

From very early times various games for the purpose of recreation and amusement were prevalent in Assam, among the Assamese as well as the hill tribes. Though there was difference in language, dress and food habits but the traditional games were more or less same though the name differs from place to place. Most of the games were indigenous and modes of conducting were specific. It will be difficult to date the evolution of games and sports and no particular are can be marked for it [3]. It is assumed that these activities were a means to regain the stimulus after a busy and tired day-to-day activities. Basically it was a means of reaction and amusement. These activities were human created [4].

The commonest children's game according to *Kalika Purana*, was playing with dols [5]. *Panchalika Viharadyaith Sisunam Kautukaistatha*[6]. Among the general indoor games in Italics seems to have been very popular[7]. Bhanta, a play with sticks was common among the children. Hunting was a favourable past time. Vallabhadeva's plates mention buffalo hunting, and the Doobi Plates refer to snaring of deer.

To have a clear concept of a state and its individuals about their culture and heritage study of history is must. History relates to the omny directionals activities of men leaving no barrier of time and space. Amusement and entertainment is a part of human activity. The early life style was simple. Similarly the games and recreation were also simple. The indigenous or tradi tional games can be classified in to three categories based on the principle of their time frame[9].

a) The primary objectives of this activity were a leisure time activity. It provides entertainment as wel as physical exercises to keep the mind and body fit. Though the games were played in a competitive way it was not so serious. There was no profit or loss relating to the result of the game whether winning or defeating no economic factors were related with the game.

b) On the next phase the games were patronize through royal court. From courtyard it was shifted to public pavilion. Prior announcement were made. Along with the men, animals, birds were trained up for the purpose of game. Few posts were created for maintaining these sorts of acivities. The king himself took part in some game like Cock Fighting.

c) During the British rule there was a shift of culture from traditional to modern. Not only in education, language, dress and food habits our traditional





and indigenous games also give way to the modern games. Of course some traditional games are still popular and being played throughout Assam. Assam came under the British rule at a much later stage comparing to rest of India. Yet the Assamese society imbibed the western culture not only in education, language, food habits and dress even our indigenous games also started disappearing with the introduction of modern games like Football, Cricket, Hockey and so on. People to-day feel shy to talk about traditional games and to encourage practicing those games. No doubt these indigenous games are not played in national or international level. The changing pattern of life style and disappearence of joint family structure handicapped our indigenous games.

As such the history of sports gives a unque insight into the way a society changes and impact on other societies it comes in contact with and, conversely, the way those societies react back upon it. While sports at present undoubtedly occupies an integral part of our lives, in comparison however the study of sport as a serious intellectual discipline continue to remain underdeveloped in India. While the western scholarly in the past two decades has prioritized the relevance of sports in the history and culture of past and present community. It is quite astonishing to note that modern Indian historian has more or less ignored sport as worthly of serious research. The approach to study sport in the wider perspective of history and culture would help us to understand the importance of sport beyond entertainment pursuit or leisure space and locate sport with in the boarder Socio-economic processess that have shaped colonial and post colonial South Asian Societies. It is also important to note in this context that the study of sports of a viable historical force challenges and others some major correctives to our prevalent understanding of the social and economic history of late nineteenth and twentith century India.

**The Indigeneous Games of Assam:**

Games played in different areas of Assam in the traditional society more or less were of less were of some pattern. Sometimes the name slightly defers in the Indian context a particular games and Kabadi or Hai Gudu was popular in Bengal and Punjab. Similarly in Assamese society the game was played in all villages. The folk songs associated with the game are different from place to place or in some areas without a song the game is being played., Among the hill tribes similar nature of game is prevalent.

For the formation of team in a particular game the traditinal pattern is similar both in hill and plain. The two-team leader is called as King and Queen. The participants forms pairs with their disguised name and ask the kings and queens whom he or she wants. According to the choice the participants are divided and thus a complete team forms. Whenever a dispute arises in the game it is sort out by toss or vote. In extreme cases there is provision to swear in the name of God, preferably the local deity. The nature of game for girls and boys were different. Boys prefer to play outside whereas the girls prefer to remain within their campus preferable behind the house. There were some common games begining played by both. Broadly the games were classified into three categories.

**a) The Children's Game**
**b) Intelligence or Mental Ability Game**
**c) Physical and Motor develop Game**

Some games were played in particular time and season. There were also difference among the game played during morning and afternoon. Certain game can be played while performing other activities. A very concrete example I would like to cite in this context-

Recently at a railway station plateform I observed the on duty CRPF personnel with there arms loaded engaged on the security of the station were playing Mogal Pathan. The two players were from two different states.

Lottery popularly Known as the game of Luck was very popular in ancient times. However the modern lottery has been termed as Gift Coupon and con-



# GHASIRAM KOTWAL : A CONTROVERSIAL PLAY

*Nirmali Mahanta Choudhury*
*HoD,Deptt.of English*

The widely known play, "Ghasiram Kotwal" is one of the most controversial plays that ever produced in the realm of Indian drama.It is also regarded as a mile stone in the gradual development of Indian drama.This famous play, using traditional devices of Marathi Folk theatre,was written by Vijoy Dhono Tendulkar in 1972.It has been translated into many languages including English and also staged first by the Progressive Dramatic Association on December 16,1972 in the original Marathi at the Bharat Natya Mandir in Pune. But after ninteen performances it was banned as there happened an anti Ghasiram agitation. "It was Former Lok Sabha Speaker and Shiv Sena leader Monohar Joshi was in the forefront of the anti-Ghasiram agition in Mumbai as the party stopped the staging of the play in the metropolis in 1972." The play was banned on the grounds that it was anti-Brahmn and gave an inaccurate picture of the historical figure of Nana Phadnavis.In Pune also protests marked staging of the drama with allegations that it insulted the Brahmin community and maligned its culture.But Tendulkar remained unperturbed and denied his charged that though character of Nana had a historical base, the tratement was fictional. In spite of the protests,the drama has been staged again 1974 and has also performed it in several European counties. Marathi playwright Vijay was born in1928 in Maharastra who wrote twentyeight full length plays.Writing was his childhood passion and he felt happy to write in his mother tongue.Among his plays "Ghasiram Kotwal" and "Sakharam Binden" are most controversial.

Though "Ghasiram Kotwal" was published in 1972, its action takes place in the late 18th century during the last years of the rule of Peshwar, Baji Rao.The setting of the play is provided by Poona, where the Brahmins were the most privileged class among the various classed of people. Nana Padnavis was the historical figure who was a chancellor of Baji Rao II.In spite of the historical background and character, Ghasiram Kotwal is not a historical play as Tendular himself has said that the play is the representation of socio-political issues of present time. The playwright has no intention to present history. In order to bring to light the present wide spread corruption,abuse of power and cruelty,he uses the wide spread lechery, misrule and greed that has disfigured the face of Poona in the 18th century.

The canvas of the play is not crowded by many characters. The major characters like Ghasiram Kotwal and Nana Padnavis take the prominent role,though other characters like the Brahmins ,Gulabi,Gauri have their separate existence in the play .Sutradhar also claims the major role who is reporting the important events in the play to the audience.

The tragic story of Ghasiram forms the core of the play , 'Ghasiram Kotwal' and all other characters and events are related to it in one way or the other .Ghasiram,an immigrant in Poona belongs to Kanaunj.He arrives at Poona with his wife and daughter,Gauri .He has found his fortune at the whore house of Gulabi as a servant .Gulabi is a whore ,who is entertaining the elite of Poona -the Brahmins and Nana





Phadnavis with bawdy songs and dance .There Ghasiram encounters with Nana in an accident in which Nana is injured on his foot.Ghasiram offers help to Nana and introduces himself as an outsider Brahmin from Kanaunj.Nana is pleased and gives a necklace as a reward,which Gulabi snetches away from him as she is the empoyer of Ghasiram.Then Ghasiram is thrown out of the Gulabi's whore house.There -after Ghasiram joins in the queue to receive food and gifts on the Dakshina day but he is pushed aside by the soldiers because he is an unknown person in the city.His Bramhins identity is laughed at by the soldiers.Moreover he is falsely caught as a thief.Poona is a place where the Bramhins are highly respected but Ghasiram , the Bramhin from Kanaunj has to receive such an insult and humiliation which he can't bear and vows to take revenge.In order to fulfil his goal he makes a bargain with Nana to get the post of Kotwal at Poona in exchange of his daughter ,Gauri .Being a Kotwal,Ghasiram becomes tyrant and oppressor.He unleashes a reign of terror at Poona ,even in slightest reason he punishes the innocent people .Sutradhar comments about the reign of Ghasiram as 'This is the Kali Yuga, the Dark Age'.

On the other hand,the wicked Nana is using Ghasiram to keep the Brahmins of the city in check .It is Nana , who is responsible for the sordid state affairs in Poona.As an extremely shrewd and clear sighted vallian, he is aware of the conspirators in the city against him.He wants to kill two birds in one stone.That is why he makes Ghosiram a Katwal in exchange of Gauri and also checking the Brahmins by Ghasiram .Ghasiram realises his mistakes when he has discovered that his daughter is dead and Nana is pursuing another girl.Then Ghasiram becomes more cruel and brutal ,once he consings the innocent Brahmins to a small prison cell where they die of suffocation. His brutality makes the Brahmins go to Nana in protest which Nana wants.So Ghasiram becomes the victim of Nana's intrigue and at last Nanahas carried the day.Realising his moral deterioration, Ghasiram also admits his fault and asks for his death. He says "I should be punished for the death of my daughter."

Thus Tendulkar portrays politics, police and prostitutions in the same campass of the play, 'Ghasiram Kotwal'.The play is outstanding for its controversial depection of the historical character of Nana. He is portrayed as a lecher haunting for woman not withstanding with his stature as a statesman. This play also,has challeged the accepted concepts and norms pertaining to morality in society, and has brought to the fore the hidden cruelty, lust and hypocrisy of man in power. Tendulkar dissuled human nature mercilessly which has been created reaction not in the literary circles but also in society. His all plays are socially relevant and 'Ghasiram Kotwal' is not an exception. The playwright has said that the theme of 'Ghasiram Kowtal' is "contemorary and universal" though it is controversial.That is why Tendulkar has been regarded as one of the India's most influential playwrights and will remain for all times.

**Referances :**

1. Ghasiram Kotwal :Introduction and Notes by Nandana Dutta.
2. Various Newspaper.

১। অহংকাৰী মানুহবোৰ কুকুৰাৰ দৰে। কুকুৰাই ভাবে সি ডাক দিয়াৰ কাৰণেহে ৰাতি পুৱায়।

— জৰ্জ ইলিয়ট

২। যুৱসকলৰ বাবে এখন গীতা আৰু ভাগবততকৈ এখন খেলপথাৰ বেছি গুৰুত্বপূৰ্ণ।

— স্বামী বিবেকানন্দ

# Preservation of library Materials



*Kushal Das,*
*Sr. Librarian.*

In common the word preservation and conservation are often used in to mean the process of keeping an object safe from harm or loss,damage, destruction or decay and maintaining it is a reasonably sound condition for present and future use. The term preservation has three aspcts. Preservation, Conservation and Restoration.

Preservation is an aspect of the management of the library.Its objective is to ensure that information services in a usable form for as long as it is wanted.

Conversation is one aspect of preservation activity.It normally implics the active use of preventive measures or process of repair of damaged material to ensure the continued existence of individual items.

Restoration is the appropriate remedial treatment of an already affected specimen. Thus preservation deals with the maintenance aspects and conservation deals with the remedial treatment and restoration of the already damaged specimen.

The documents available in the library may be studied as conventional meterial include books, periodiels,theses etc. Non -Conventional meterials include manuscripts,newspapers etc.and Non -print meterials includes audio records,visual records and micro documents.

Documents available in the libraries lost their permanency in the effect of various deterioating factors :- Environmental or physical factor like head, humidity,light,temperature etc.camical factor slike smoke,dust and dirt,acidity etc.and Biological factors , fungus,bacteria, insects rodents etc.Besides human being also included under deteriorating factor for their inhuman handling to the library materials.

**Types of library Materials :**

| Conventional | Non-conventional | Non-print |
|---|---|---|
| Books:- | Manuscripts | Audio records |
| Text book | Palm leaf manuscript. | Visual records |
| Reference book. | Bitch bark manuscribe. | Micro documents |
| Periodicals: | Sanchipat and tutapat | Microform |
| Bound Periodicals | Newspaper | Microfilms |
| Theses and Dissertation. | Maps. | Micro fiche |
| | | Micro card |
| | | Micro print |
| | | Magnatic media |
| | | Magnatics taps |
| | | Magnatics dises |
| | | Hard dises. |
| | | Floppy |
| | | Optical media |
| | | Laser optical disk |
| | | Optical taps |
| | | Optical card. |

**Factors for deterioration :**

**Natural ageing :**

Natural again affects the durability of the materials by gradual degration or deterioration. This type of damage depends upon the quality of the basic ingredients and the substances used.

**Inherent Factor :**

Inherent Factors refer to the basic ingredients used in the manufacture of Physical entity of library materials as well as manufacturing process. Low quality of raw materials or paper pulp,chemical used for prcessing of pulp etc.

**External Condition :**

Environment Factor,Chemical Factor and Biological Factor .Environment Factor :-Temperature,Light and darkness,Humidity and moisture, Water.Chemical Factor:- Smoke Dust and Dirt, Air Pollution, Acidity. Biological factor:- Micro organisms (Fungi,Bacteria), Insects (silver fish,white ants, cockroaches, Book worms etc)

**Human being as a damaging agent** :Due to mishandling and mismanagement, cutting of the pages etc.

**Methods of Preservation :**

* Good quality paper and ink
* Proper handling, storage and servicing
* Ensuring proper environmental climate
* Neutralization of acidity.

**Enviromental Control or Storage Condition :**

Library building with properly design and planned.It is advisable to have sufficient light, proper range of temperature, relative humidity, standard furniture and other environment friendly devices.

**Use of Chamicals :**

* De acidification and neutralizing acidity or paper and ink.
* Chemical used for proceting water washed writing.
* Use of insecticides, Fungicides and rodenticides.

**Fumigation :**

The gaseous treatment of materials to destroy micro-organism and insects is termed as fumigation.It is best insect controlling system. Fumigation can be done either in the Fumigation chember or by fumigating the whole room where books are stacked.

**Cleaning and Stain Removal :**

* Removal of mud or hard crust of dust mechanically with brust or blunk knife.
* Removal of Foreign deposite with cotton moistened with water.
* Removal of fungus spores with cotton dipped in ethanol.
* Use of mild stream jet of soften hardened crust.
* Dying damp materials under air current is shade.

**Methods of Restoration or Curative Preservation :**

* **Lamination**
* **Binding**
* **Photostate**
* **Microfilming.**





## Words of Worth

1. Ability is poor man's wealth - M. Wren
2. Ambition is not a vice of little people - Montaige
3. There is properly no history, only biography - Emerson
4. Brevity is the soul of wit - Shakespeare
5. Between two evils, choose neither, between two goods, choose both. - Tryon Edwards
6. They never fail who die in a great cause - Byron
7. The greatest pain is that which you can't tell others - Yiddish Proverb
8. No man can be wise on an empty stomach - George Eliot.

# ROLE OF VALUE BASED EDUCATION IN ENVIRONMENTAL AWARENESS



Tapan Kakati
Sr. Lecturer in Philosophy

**INTRODUCTION :**

Environmental awarness for the masses is a burning topic for all of us. It has much more importance as a positive attitude towards environment. We the people cannot survive without the light, comfortable heat,pure drinking water,natural food,fresh air etc.that are basically the product of Biosphere or the environment.So,for our survival,the safe and pure environment is very necessary and it should be considered as an urgent task for discussion.Also it is our prime duty to spread and popularize the issue of environment among the masses.

Among the creations of nature,human beings are considered as most powerful beings which are the integral part of the society as well as the ecosystem of the living world. Biologically,human is the morphological expression of heredity units i.e. Gin in the form original living cells system with great thinking power and sensivity.So,none can control such a series of problems except human beings.Now, most of the people of the world are going to consider it as an urgent matter and offer so many solutions over the problem.But it is so vast that as soon as a solution is arrived at, another presents itself.

The rapid development of science and technology at one stage prompted man to think that the scientists will be able to shape the environment according to their needs.But scientists so far have not been succeeded in getting full control over the human living but these artificial comfortable inventions have degraded the environment gradually.As a result of environmental degradation and air pollution the proportion of the carbon-di-oxide gas increases in the air due to which the whole human race faces the problem of Global warming.The whole human race is going to face today,the problem of fresh air,over flood etc. which may create dangerous cnsequences in near future Environmental degradation may make such a problem that perhaps human beings will be obliged to take an artificial oxygen packet for their safe and healthy life in near future.Also it is often observed that many intellectuals and capatalists technically try to shy away and remaining with their own interest. Zygment Bauman in his book Post Modern Ethics says that the world of the post modern faces fearsome dilemmas by two things.The global environment and the parallel diminutions of ethical resources.

**THE ROLE OF VALUE BASED EDUCATION:**

Now,we all have understood that the environmental degradation might make serious problem in near future.Here,a question may arise-What will be our duty to control environmental degradaion? Actually this queston-how ought we tolerate our lives?Most part of the environmental degradation depends upon human beings.So we,should lead our life with a holistic thinking i.e. thought,words and action-all three should be guided by reasonable judgement.We the human beings need actively to envision new ways of living which reflect our understanding that will be himanities home for countless generation in to the future. We need to invent new patterns of Ecological living that moderate our impact on the earth from the design of our homes and neibourhoods to the food we eat, the clothes we wear,the transportation we use,the work we do and many more.In this process value oriented education has a very critical role to play.Besides creating awareness, value baged education helps an individual to opt for choices which would contribute towards integral growth of safe environment.

**AREAS OF VALUE BASED EDUCATION :**

Value oriented education may simply focus on the following areas-

* To contribute intellectual,moral, physical and over all personality development.
* To make an individual to be responsible citizen, their role and sense of responsibility towards environment.
* To develop the ability to distinguish between the right and wrong.
* To live with harmony with nature and the world.
* To create an attitude of genuine application for the value and respect for all forms of life.
* To become human and learn to give more than to take from environment.

**SUGGESTIONS :**

To control the environmental degradation,the Goverment and Non-Goverment agencies may take the following actions-

* Value Based Education may be started from pri mary level as compulsory subject to create environmental awareness, cultural heritage and ethic in personal and social life.
* Awarness among parents on the importance of edu cation should be created.
* Training programs on environmental awarness may be arranged by the Government and to develop character and personality.
* Last,but not least, it is also very necessary to or ganize propaganda,campaign leaflets, posters, cultural activities drama folk songs etc. for environmental awareness.

**REFERENCES :**

a) Pillai KK-Value oriented Education-Journal of Educational Research and Extension-Vol 22(4) 1986.pp.225-232.
b) Rajput JJ-Education in Values- The Hindi-2001 Oct 16.O.P.I.
c) Elgin,1993,-pp 125
d) Robiezek Paul-Ethical values in the age of Science-Cambridge University Press-1969.
e) Mitra M N Philosophy and Progress.
f) Tom Regan -Does Environmental Ethics rest on a mistake.





১। নদীয়ে নিজৰ পানী নাখায়, গছে নিজৰ ফল ভক্ষণ নকৰে, ডাৱৰে শস্য ধ্বংস নকৰে, একেবাৰে ভাল মানুহবোৰেও নিজৰ বাবে নহয় আনৰ বাবেহে জীয়াই থাকে। — সুভাষীত

